# তৃতীয় অধ্যায়

# অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাসত নাৰীচেতনা

বিশিষ্ট লেখক, সাংবাদিক, কবি আৰু ঔপন্যাসিক অনুৰাধা শৰ্মা পূজাৰীৰ ১৯৬৪ চনত যোৰহাটত জন্ম হৈছিল। অসমীয়া সাহিত্য জগতত তেওঁ বিশেষকৈ উপন্যাস আৰু প্ৰবন্ধ ৰচোঁতা হিচাপে জনপ্ৰিয়। তেওঁৰ দ্বাৰা ৰচিত সাহিত্যৰাজি হৈছে—

**উপন্যাস ঃ**

১। **হৃদয় এক বিজ্ঞাপন** (১৯৯৮)

২। **এজন ঈশ্বৰৰ সন্ধানত** (১৯৯৮)

৩। **কাঞ্চন** (২০০১)

৪। **চাহেবপুৰাৰ বৰষুণ** (২০০৩)

৫। **ব'ৰাগী নদীৰ বাট** (২০০৪)

৬। **নাহৰৰ নিৰিবিলি ছাঁ** (২০০৫)

৭। **ৰাগ-অনুৰাগ** (২০০৭)

৮। **মেৰেং** (২০১০)

৯। **সোণ হৰিণৰ চেঁকুৰ** (২০১২)

১০। **নীল প্ৰজাপতি** (২০১৩)

১১। **জলছবি** (২০১৪)

**চুটিগল্প ঃ**

১। **বসন্তৰ গান** (১৯৯৯)

২। **এজন অসামাজিক কবিৰ বায়'গ্ৰাফী** (২০০১)

৩। **কেথেৰিনৰ সৈতে এটি নিৰ্জন দুপৰীয়া** (২০০৫)

৪। **No Man's Land**

**আত্মজীৱনীমূলক ৰচনা ঃ**

১। **কলিকতাৰ চিঠি** (১৯৯৯)

২। **ডায়েৰী** (২০০১)

৩। **অটোগ্ৰাফ** (২০০৪)

৪। **আমেৰিকান চৰাইখানাত সংবাদ বসন্ত আৰু বন্ধ** (প্ৰবন্ধ সংকলন)

৫। **অলপ চিন্তা অলপ গদ্য** (সম্পাদকীয় সংগ্ৰহ)

৬। **প্ৰিয় মানুহ ঃ প্ৰিয় কথা** (২০১৩)

**অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাস**

অনুৰাধা শৰ্মা পূজাৰীৰ সাম্প্ৰতিক কালৰ অসমীয়া উপন্যাস সাহিত্যৰ পাঠকৰ পক্ষে এটি অতি পৰিচিত আৰু জনপ্ৰিয় নাম। মূলতঃ সাংবাদিক আৰু কবি হিচাপে সাহিত্যিক জীৱন আৰম্ভ কৰা পূজাৰীয়ে কৰ্প'ৰেট ছেক্টৰত কৰ্মৰত মহিলাৰ দৈনন্দিন কৰ্মব্যস্ততা, স্বাতন্ত্ৰ্য, কোম্পানীৰ অলপ লাভালাভৰ বাবে নিজৰ দেহ পৰ্যন্ত আগবঢ়াই দিয়া কাৰুকাৰ্য তথা সংঘাতেৰে ব্যাপ্ত জীৱন পৰিক্ৰমাৰ কথা 'হৃদয় এক বিজ্ঞাপন' নামৰ উপন্যাসখনিত বৰ্ণনা কৰিছে—

> "The talented writer, journalist and novelist Anuradha Sarma Pujari began as a staunch supporter of the women's cause. Her second novel especially was consciously feminist and yet quite a good literary piece. It was Hriday ek Bijnapan (1998). Set in the city of Kolkata in the aggressively competitive corporate world, it delineates the flight of young women for whom there are many difficulties in this world in spite of their ability. To establish themselves in this new world, they take the challange. Yet it is full of pitfalls for them."[১]

**'হৃদয় এক বিজ্ঞাপন'ত ঔপন্যাসিকে কলিকতা চহৰৰ এটি ব্যক্তিগত বিজ্ঞাপন কোম্পানীত কৰ্মৰত 'ভাস্বতী' নামৰ নাৰী চৰিত্ৰক কেন্দ্ৰবিন্দু হিচাপে লৈ মহুৱা ৰয়, গীতা বসু, ৰাঙা মাসী আদি নাৰীসকলৰ নানা ঘাত-প্ৰতিঘাতেৰে ব্যাপ্ত জীৱন পৰিচৰ্যাৰ সুন্দৰ বৰ্ণনা দিছে।** কেৱল অৰ্থৰ

অভাৱত পৰিয়েই নহয়, সুনন্দা সাহানীৰ দৰে নাৰীয়ে যে নিজৰ দৈহিক ক্ষুধা পূৰণ কৰিবৰ বাবে যিকোনো পুৰুষৰ লগতে অনৈতিক কাৰ্যত লিপ্ত হ'ব পাৰে এই কথাও উপন্যাসখনিৰ অধ্যয়নৰ পৰা জানিব পাৰি। ইয়াৰ উপৰি উচ্চবৰ্গৰ বিষয়াসকলৰ কিছুমানক যে নাৰীদেহৰ সৌৰভ বিলাই কৰ্মক্ষেত্ৰত দোপতদোপে পদোন্নতি লাভ কৰাৰ এডাল সহজ জখলা আছে, সেই কথাও উপন্যাসখনিত আছে। উপন্যাসখনিৰ আটাইকেইটা নাৰী চৰিত্ৰতে বিভিন্ন চাৰিত্ৰিক বৈশিষ্ট্য লক্ষণীয়। **কোনোবাটো নাৰী চৰিত্ৰ যদি দুৰ্দান্ত প্ৰেমিকা, কোনোবাগৰাকী আকৌ নিত্য নতুন পুৰুষৰ লগত সম্বন্ধ স্থাপনৰ প্ৰতি আগ্ৰহী। কোনোবাগৰাকীয়ে নিজৰ ঘৰ চলাবৰ বাবে যদি নিজক পণ্য সামগ্ৰী হিচাপে আগবঢ়াই দিছে, কোনোবাই আকৌ জোৰ কৰি পুৰুষক নিজৰ বাহু বন্ধনত ৰাখিব বিচাৰিছে।** বাধ্যত পৰি অসামাজিক কাৰ্যকলাপত লিপ্ত হ'লেও মহুৱা ৰয়ৰ দৰে চৰিত্ৰৰ নিজ প্ৰেমিকৰ প্ৰতি থকা অসামান্য প্ৰেম, নিজৰ জীয়ৰী কিন্নৰীৰ প্ৰতি অকৃত্ৰিম ভালপোৱা আৰু ভৱিষ্যতৰ কোটিপতি হোৱাৰ মোহ ত্যাগ কৰি সমাজৰ অনাথ শিশুসকলৰ বাবে কাম কৰিবলৈ আগবাঢ়ি যোৱা ঘটনাৰ জৰিয়তে নাৰীমনৰ বিচিত্ৰ অভিব্যক্তি উপন্যাসখনত ব্যঞ্জিত হৈছে। এই সকলোবোৰ ঘটনাৰ সাক্ষী হৈ ৰৈছে উপন্যাসখনিৰ নায়িকা ভাস্বতী। উপন্যাসখনিৰ সামৰণিত নিজে সন্তান জন্ম দিবলৈ সক্ষম হোৱা সত্ত্বেও ভাস্বতী আৰু তেওঁৰ স্বামী প্ৰয়াগে এটি সন্তান তুলি ল'বলৈহে ইচ্ছা প্ৰকাশ কৰাৰ পৰা দুয়োৰে উদাৰ আৰু বহল মনোবৃত্তিৰ পৰিচয় পোৱা যায়।

**'এজন ঈশ্বৰৰ সন্ধানত'** নামৰ উপন্যাসখনিত **'দেৱাশীষ'** নামৰ পুৰুষ চৰিত্ৰটিৰ জৰিয়তে **গোড়া ৰক্ষণশীল ব্ৰাহ্মণ পৰিয়ালৰ ৰীতি-নীতি, পৰম্পৰাৰ কু-প্ৰভাৱৰ কথা জনা যায়।** উকীল পিতৃ জ্ঞানেন্দ্ৰ গোস্বামীয়ে মাতৃ মনোৰমাক কোনোকালেও পত্নীৰ মৰমেৰে সাবটি ৰখা দেৱাশীষে দেখা নাই। সেয়েহে মাকক এই বিষয়ে সুধি দেৱাশীষে ৰহস্যভেদ কৰিব খুজিছে। জ্ঞানেন্দ্ৰ গোস্বামীৰ প্ৰথমা পত্নীৰ বেমাৰৰ আলপৈচান ধৰিবলৈ অনা মনোৰমাই শান্তি আইদেউৰ মৃত্যুৰ প্ৰায় দুমাহমান পিছত গৰ্ভৱতী হোৱাৰ উমান পাইছিল। লিখা-পঢ়া নজনা গাঁৱৰ নীহকুলীয়া ছোৱালী এজনীক নিজৰ বংশৰ ভিতৰত সাঙুৰি লোৱাটো অসম্ভৱ বুলি ভাবিও বংশ পৰম্পৰা ৰক্ষা কৰিবলৈ সন্তানটিক জন্ম দিয়া হ'ল। পত্নী হিচাপে মনোৰমাই গিৰিয়েকৰপৰা মৰম, সন্মান একোৰেই নাপালে। তথাপি তাই সন্তুষ্ট—

"বৰ নিশকতীয়া আছিলি সৰুতে তই, মোৰ অবিহনে দেউতাৰহঁতেও আনৰ

হাতত তুলি দিবলৈ ভয় কৰিলে। ...তিনি বছৰীয়া হোৱালৈকে ময়ে থাকিলোঁ, এদিন ক'লো দেউতাৰক, পেটৰ পোৱালি এৰি গাঁৱলৈ গুচি যাব লগা হ'লে আপোনঘাতী হ'ম ...দেউতাৰাৰ দয়া হ'ল চাগৈ ...এতিয়ালৈকে আছোঁ দেখোন, তই মা বুলিও মাতিছ ...ইয়াতকৈ আৰু কি লাগে মোক?"[২]

**এগৰাকী নাৰীয়ে স্বামীৰ মৰম নাপালেও সন্তানৰ মোহত, সন্তানৰ মমতাত কিদৰে গোটেই জীৱন কটাই দিব পাৰে সেয়া উপন্যাসখনিৰ অধ্যয়নৰ পৰা জানিব পাৰি।** ৰক্ষণশীল সমাজৰ জাত-পাতৰ বাচ-বিচাৰৰ কথাও উপন্যাসখনিত আছে। সমাজৰ পুৰাতন ভাবপ্ৰৱাহত কিদৰে নাৰীয়ে বন্দীত্বৰ জীৱন আঁকোৱালি ল'ব লগা হৈছে সেয়া উপন্যাসখনিৰ জৰিয়তে ব্যক্ত হৈছে।

**আধুনিক মানৱৰ উত্তৰণ অথচ দুখবোধ, বিচ্ছিন্নতাবোধ, একাকিত্ব, বস্তুবাদী পৰিৱৰ্তন, শাৰীৰিক-মানসিক নানা সমস্যা, জৈৱিক কামনা-বাসনা আদি সকলোবোৰ দিশেই অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাসত প্ৰতিফলিত হৈছে।** নিজৰ ইচ্ছা নোহোৱা সত্বেও বিপথে পতিত হোৱা এগৰাকী নাৰীয়ে কিদৰে মগজুৰ ভাৰসাম্য হেৰুৱাইছে, এই নাৰীগৰাকীয়ে জীৱনত যি কঠোৰ বাস্তৱৰ সন্মুখীন হ'বলগীয়া হৈছে সেই সকলোখিনি ব্যঞ্জিত হৈছে **'কাঞ্চন'** নামৰ উপন্যাসখনিত। **এগৰাকী নাৰীৰ সামাজিক স্থিতি, স্বাতন্ত্ৰ্য আৰু সংঘাতেৰে পৰিপূৰ্ণ বাস্তৱ জীৱনৰ সাৰ্থক ৰূপায়ণ হৈছে এই 'কাঞ্চন' নামৰ উপন্যাসখন।**

অসমীয়া মানুহৰ বাবে এক সম্পূৰ্ণ নতুন পটভূমিৰে অনুৰাধা শৰ্মা পূজাৰীয়ে ৰচনা কৰিছে— **'চাহেবপুৰাৰ বৰষুণ'** নামৰ উপন্যাসখন। ইয়াত **'বৰ্ষা'** নামৰ কেন্দ্ৰীয় চৰিত্ৰটিৰ জৰিয়তে ঔপন্যাসিকে এক সুকীয়া নাৰীভাবনাৰ দিশ উদঙাই দেখুৱাইছে। মাত্ৰ যোল্ল দিনৰ পিছত বিবাহ পাশত আবদ্ধ হ'ব লগা প্ৰেমিক-প্ৰেমিকা প্ৰান্তিক আৰু বৰ্ষাৰ হঠাতে বিহাৰৰ এটা সৰু ষ্টেচনত বিচ্ছেদ হোৱা, কেইজনমান অচিনাকি মানুহৰ লগত নানা বিপদ নেওচি ভিন ভিন সামাজিক কামত বৰ্ষাই নিজকে জড়িত কৰোৱা আৰু মনৰ কোনো দুৰ্বল অংশত স্থানপ্ৰাপ্ত সহকৰ্মী সঞ্জীৱৰ আসুৰিক হত্যাকাণ্ডত দুঃখিত নহৈ মাজুলীৰ মানুহৰ হকে চিৰদিন কাম কৰি যোৱাৰ ইচ্ছা বৰ্ষাৰ চৰিত্ৰত অৰ্পণ কৰা হৈছে।

**ঔপন্যাসিক অনুৰাধা শৰ্মা পূজাৰীয়ে 'বৰ্ষা' নামৰ চৰিত্ৰটিৰ জৰিয়তে পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাক সম্পূৰ্ণৰূপে দমন কৰি নাৰীচেতনাৰ উদ্গীৰণ ঘটাইছে। বৰ্ষাৰ চৰিত্ৰক ঔপন্যাসিকে**

**উজ্জ্বল, সাহসী আৰু স্পষ্টবাদী ৰূপত গঢ়ি তুলিছে।** নিজৰ ইচ্ছা-অনিচ্ছা, নিজৰ চিন্তা-বিবেচনা, আত্মবিবেক আদিক প্ৰাধান্য দি জীৱনটো কেৱল এজনৰ বাবে ত্যাগ নকৰি বহুসংখ্যকৰ হিতৰ বাবে কাম কৰি যোৱা বৰ্ষা ঔপন্যাসিকৰ এক সফল তথা সবল সৃষ্টি।

> "কাহিনী আৰু পটভূমিৰ ক্ষেত্ৰত নতুনত্বৰ দাবী কৰিব পৰা উপন্যাসখনিৰ প্ৰধান নাৰী চৰিত্ৰ বৰ্ষাৰ জৰিয়তে অসমীয়া উপন্যাস সাহিত্যত এগৰাকী নতুন নাৰীৰ সম্ভাৱনাক জীৱন্ত কৰিছে।"[৩]

২০০৮ চনত অনুৰাধা শৰ্মা পূজাৰীৰ **'ব'ৰাগী নদীৰ ঘাট'** নাম উপন্যাসখনি প্ৰকাশ পায়। ইয়াত **ধৰণী দলে** নামৰ এটি পুৰুষ চৰিত্ৰক কেন্দ্ৰ কৰি কাহিনীভাগৰ বিস্তৃতি ঘটিছে। ধৰণী অবিবাহিত যদিও তেওঁৰ জীৱনত দুটা নাৰী চৰিত্ৰৰ প্ৰৱেশ ঘটিছে। এটা হৈছে **'নয়নতৰা'** আৰু আনটো হৈছে **'মিছেছ খান্না'**।

স্বামীৰ অসমৰ্থতাৰ বাবে সন্তানৰ মুখ নেদেখা নয়নতৰাই শাহু আৰু স্বামীৰ অত্যাচাৰ সহিব নোৱাৰি আপোনঘাতী হ'বলৈ যাওঁতে ধৰণীয়ে লগ পাই বুজাই-বঢ়াই লৈ আহে। নয়নতৰা কষ্টত থকা কথাটো ধৰণীয়ে সহ্য কৰিব নোৱাৰি তাইক একেবাৰে নিজৰ কৰি লোৱাৰ প্ৰস্তাৱ। কিন্তু নয়নতৰা পৰম্পৰাবাদী নাৰী। স্বামীক এৰি বা শহুৰৰ ঘৰখন এৰি আহিবলৈ তাই কোনো কাৰণতে মান্তি নহ'ল। কিন্তু এটা কথা ধৰণীক তাই জনাই দিলে যে ধৰণী সদায় তাইৰ মনৰ মানুহ হৈ ৰ'ব। জৰায়ুত কেঞ্চাৰ হৈ অকালতে মৃত্যুক সাবটি লোৱা নয়নতৰাই মাজে মাজে ধৰণীক আমনি নকৰাকৈ নাথাকে।

ইয়াৰ পিছতে হঠাৎ ৰহস্যজনকভাৱে ধৰণীহঁতৰ ওচৰতে এটি টিলাত ফাৰ্ম হাউছ পাতি বসবাস কৰিববলৈ আহে মিছেছ খান্না। এই মিছেছ খান্নাৰ লগত ধৰণীৰ এক সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক গঢ়ি উঠে আৰু ধৰণীৰ অতি শ্ৰদ্ধাৰ নিমানন্দ গোসাঁইৰ মৃত্যুৰ দিনা দুখত ৰ'ব নোৱাৰি ধৰণীয়ে শেষ ৰাতি মিছেছ খান্নাৰ ঘৰত আশ্ৰয় লয় আৰু তেওঁৰ সৈতে শাৰীৰিক সম্পৰ্ক গঢ়ি তোলে। কেইজনমান উদীয়মান যুৱক, ধৰণী আৰু মিছেছ খান্নাই মিলি সেই অঞ্চলত এখন স্কুল পতাৰ কথা চিন্তা কৰে আৰু সেইকাৰণেই মিছেছ খান্না দিল্লীলৈ গৈ প্ৰয়োজনীয় নথি-পত্ৰ যোগাৰ কৰিব বুলি ধৰণীক জনায়।

কিন্তু মিছেছ খান্না ঘূৰি নাহিল। এখন পত্ৰৰ জৰিয়তে স্কুল প্ৰতিষ্ঠাৰ কাৰণে কিছু টকা-

পইচা আৰু নিজৰ ঘৰটো দান কৰে আৰু স্বামীৰ লগত থাকিব নোৱাৰি বিচ্ছেদ হোৱাৰ কথা জনায়। মিছেছ খান্নাৰ চৰিত্ৰত নাৰীচেতনাৰ এটা দিশ পৰিলক্ষিত হৈছে যে তাই অকলশৰীয়া জীৱনত এটা সন্তান বিচাৰে। **সন্তানৰ প্ৰতি মমতা বা এটা সন্তান জন্ম দিয়াৰ আকাংক্ষা নাৰীৰ সহজাত প্ৰবৃত্তি। নয়নতৰা আৰু মিছেছ খান্না এই দুয়োটা চৰিত্ৰৰ মাজতে নাৰীৰ এই মমতাময়ী ৰূপৰ প্ৰতিফলন ঘটিছে।**

যৌৱনোচ্ছল যুৱতী 'ভাস্বতী' আৰু তাই উচ্চ শিক্ষাৰ্থে যোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পটভূমিত ৰচিত হৈছে **'নাহৰৰ নিৰিবিলি ছাঁ'** নামৰ উপন্যাসখন। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ভাস্বতীয়ে বাস কৰা হোষ্টেলত অসমৰ বিভিন্ন প্ৰান্তৰ ছোৱালীৰ লগত চিনাকি হ'বৰ কাৰণে সুবিধা পাইছে। ইয়াৰ মাজতে বহুতো ঘটনা-পৰিঘটনাৰ তাই সাক্ষী হৈ ৰৈছে। কেতিয়াবা ভয়াৱহ অভিজ্ঞতাৰো সন্মুখীন হ'বলগীয়া হৈছে। **ঔপন্যাসিকে এই উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ ভাস্বতীক পৰিপক্ক, বুজনশীল, অধ্যয়নশীল আৰু মানৱীয় অনুভূতিৰে পৰিপূৰ্ণ এক সাহসী নাৰীৰ ৰূপত অৱতীৰ্ণ কৰাইছে। নাৰী হৃদয়ৰ আৱেগ-বিষাদ, শোষণ-নিষ্পেষণ, অন্যায়-অনিয়ম আদিৰ বিৰুদ্ধে ক্ষোভ মিশ্ৰিত প্ৰতিক্ৰিয়া ভাস্বতীৰ চৰিত্ৰৰ জৰিয়তে ঔপন্যাসিকে উদঙাই দেখুৱাইছে।** প্ৰকৃতাৰ্থত এই উপন্যাসখন ঔপন্যাসিকে নিজে পঢ়া সময়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সংঘটিত হোৱা কিছুমান অভিজ্ঞতাৰ সমষ্টি মাথোন। তেওঁ উপন্যাসখনিৰ পাতনিত লিখিছে—

"ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আঢ়ৈটা বছৰত হোৱা অভিজ্ঞতা, উপলব্ধি, অনুভূতিয়ে আজি এযুগ পাৰ হোৱাৰ পিছতো মোক আলোড়িত কৰি থাকে। প্ৰত্যেক মানুহৰ জীৱনলৈ কিছু বিশেষ সময় আহে, যিখিনি জীৱনৰ আন এটা সময়ত থিয় হৈহে 'গুৰুত্বপূৰ্ণ' বুলি উপলব্ধি কৰিব পাৰি। এই বিশ্ববিদ্যালয়ত ভৰি দি প্ৰথম ঘৰ, পৰিয়ালৰ পৰা বিচ্ছিন্ন হৈ নানা অচিন ঠাইৰ ল'ৰা-ছোৱালীৰ সৈতে এটি বন্ধুত্বপূৰ্ণ পৰিয়ালত ভৰ্তি হৈছিলোঁ। হোষ্টেলত 'প্ৰিফেক্ট' হৈ কাৰ্যনিৰ্বাহ কৰোঁতে বিচিত্ৰ ঘটনা আৰু অভিজ্ঞতাৰে জীৱনত বিস্ময়কৰ দুৱাৰবোৰ খোল খাই গৈছিল। এই সোণালী সময়ত লগ পোৱা চৰিত্ৰবোৰ, ঘটনাবোৰকে উপন্যাসৰ ৰূপ দিয়াৰ চেষ্টা কৰিছোঁ।"[৪]

সোণাধৰ সেনাপতিৰ বৰজীয়ৰী **'ইন্দিৰা মিৰি'**ৰ জীৱনক আধাৰ কৰি ২০১০ চনত অনুৰাধা শৰ্মা পূজাৰীয়ে **'মেৰেং'** নামৰ উপন্যাসখন ৰচনা কৰি উলিয়ায়। নৰ্থ ইষ্ট ফ্ৰণ্টিয়াৰ এজেন্সী চমুকৈ NEFA-ৰ লগত ওতপ্ৰোতভাৱে জড়িত ইন্দিৰা মিৰিৰ জীৱনৰ কঠোৰ পৰিশ্ৰম, কেৱল শিক্ষা

প্ৰসাৰৰ স্বাৰ্থত শিক্ষাৰ ৰেঙনি নপৰা, বাঘ-ভালুক, হাতী-সাপ আদিৰ সৈতে একেলগে ওচৰা-উচৰিকৈ গাঁও পাতি থকা নেফাৰ জনগোষ্ঠীৰ মাজলৈ শিক্ষাৰ বন্তি শিখা কঢ়িয়াই নিয়া এদল অসমীয়া শিক্ষকক নেতৃত্ব দিয়াৰ সময়ত লাভ কৰা বিচিত্ৰ অভিজ্ঞতাৰাজিৰ বৰ্ণনাই হৈছে 'মেৰেং' নামৰ উপন্যাসখন। ইয়াৰ উপৰি মিচিং জনগোষ্ঠীৰ প্ৰথমজন বিজ্ঞানৰ স্নাতক আৰু কাজিৰঙা অভয়াৰণ্যক বিশ্বৰ মানচিত্ৰত স-সন্মানে বহুৱাবলৈ সক্ষম হোৱা প্ৰথমজন বন সঞ্চালক মহীচন্দ্ৰ মিৰিৰ পত্নী হিচাপে কাজিৰঙা অভয়াৰণ্যত সন্মুখীন হোৱা বাস্তৱ সমস্যাৰাজিৰো জীৱন্ত দলিল এই ইন্দিৰা মিৰি চৰিত্ৰ।

অকালতে স্বামীক হেৰুৱাই কণ কণ শিশুকেইটিৰে সৈতে মেৰেঙৰ জীৱনটো দুৰ্বিসহ হৈ পৰিলেও পৰৱৰ্তী সময়ত তাই সকলোখিনি চম্ভালি লৈছে আৰু বিদেশলৈ গৈ উন্নতমানৰ প্ৰশিক্ষণ ল'বলৈকো সক্ষম হৈছে।

ইন্দিৰা মিৰিৰ জীৱনৰ বিভিন্ন ঘটনাৰাজিক লৈয়ে অনুৰাধা শৰ্মা পূজাৰীয়ে 'মেৰেং' ৰচনা কৰিছে। এই উপন্যাসখনিত ইন্দিৰা মিৰিৰ মানৱপ্ৰেমৰ লগতে নিজৰ সতি-সন্ততিৰ প্ৰতি থকা গভীৰ মমতাবোধ আৰু দায়িত্ববোধৰ পৰিচয় পাওঁ। ইয়াৰ উপৰি স্বামীৰ প্ৰতি থকা একান্ত প্ৰেম আৰু শ্ৰদ্ধাও উপন্যাসখনিত বৰ্ণিত হৈছে। **মানৱতাবাদী আদৰ্শ আৰু নাৰীৰ স্বাতন্ত্ৰ্য তথা সমসাময়িক সমাজত নাৰীৰ স্থান আৰু সংঘাতৰ চিত্ৰণ এই উপন্যাসখনিৰ প্ৰধান উপজীৱ্য। ইয়াত নাৰীৰ বৌদ্ধিক, মানসিক আৰু আত্মিক বিকাশৰ ক্ৰমাৎ উত্তৰণশীল ৰূপটো প্ৰতিভাত হোৱা পৰিলক্ষিত হয়।**

২০১২ চনত প্ৰকাশিত অনুৰাধা শৰ্মা পূজাৰীৰ **'সোণ হৰিণৰ চেঁকুৰ'** উপন্যাসখনত মহাবিদ্যালয়ত অধ্যয়নৰত বহুকেইটা বিচিত্ৰ চৰিত্ৰৰ সংযোজন ঘটিছে। **কলেজীয়া ডেকা-গাভৰুৰ প্ৰেমৰ বিভিন্ন চিত্ৰ, শতকৰা ৭৮ শতাংশ নম্বৰ পায়ো হতাশাত ভুগি আত্মহত্যাৰ দৰে পথ বাছি লোৱা ছাত্ৰ-ছাত্ৰীৰ সকৰুণ মৃত্যু, বিদেশী গাভৰুৰ ঐতিহ্যপ্ৰীতি, প্ৰেমৰ নামত হোৱা ভণ্ডামি, বন্ধ কোঠাৰ নিষিদ্ধ অভিসাৰ, এই সকলোবোৰ কথাই উপন্যাসখনিত বিবৃত হৈছে।** মুঠতে এক সফল আৰু সুন্দৰ ভৱিষ্যৎ গঢ়িব বিচৰা অসংখ্য স্বপ্নাতুৰ যুৱক-যুৱতীৰ কাহিনী ইয়াত বৰ্ণিত হৈছে। লগতে হতাশাত ভুগি ড্ৰাগছ্, মদ আদিৰ প্ৰতি আসক্ত হৈ পৰা চৰিত্ৰও উপন্যাসখনিত বৰ্তমান।

**'নীল প্ৰজাপতি'** উপন্যাসখনিত ঔপন্যাসিকাই ব্যক্তিগত খণ্ডৰ লগত জড়িত স্বামী-স্ত্ৰীৰ সাংসাৰিক জীৱনযাত্ৰাৰ কথা বৰ্ণনা কৰিছে। নিজৰ ইচ্ছাৰ অবিহনেও কেতিয়াবা তেওঁলোকে অফিচৰ বছৰ নিৰ্দেশক্ৰমে কিছুমান কাম কৰিবলৈ বাধ্য হয় আৰু ইয়াৰ ফলত যে সংসাৰ এখন ভাগি যোৱাৰো উপক্ৰম হয় এই উপন্যাসখনিৰ অধ্যয়নৰ পৰা জানিব পাৰি। ইয়াৰ উপৰি মাতৃ আৰু পত্নীৰ মাজত হোৱা কাজিয়াৰ ওৰ পেলাব নোৱাৰা হীনমন্যতাত ভুগি প্ৰচুৰ মদ্যপান কৰা 'ৰাহুল'ৰ দৰে চৰিত্ৰৰো ইয়াত প্ৰৱেশ ঘটিছে। 'নীলেশ' আৰু 'সুভদ্ৰা'ৰ সংসাৰত দুয়োৰেই কৰ্মব্যস্ততাৰ বাবে সময় দিব নোৱাৰাত অফিচিয়েল ট্যুৰত গৈ নীলেশে কলগাৰ্লৰ লগত নৈশ যাপন কৰাৰ কথাও উপন্যাসখনত পাওঁ। কিন্তু সেয়ে হ'লেও, নীলেশক সম্পূৰ্ণৰূপে এৰি দিম বুলি ভাবিলেও নীলেশৰ পৰিস্থিতিৰ প্ৰতি অতিশয় ভাবুক হৈ সুভদ্ৰাই পৰিশেষত একেলগে থাকি যুগ্মজীৱন সুচাৰুৰূপে চলোৱাৰ প্ৰতিশ্ৰুতি দিছে। মুঠতে **সমগ্ৰ উপন্যাসখনিতে নাৰীৰ সহনশীল ৰূপ, নিজাকৈ কিবা এটা কৰাৰ ইচ্ছা প্ৰকাশ, সুন্দৰকৈ ৰন্ধা-বঢ়া কৰাৰ বৰ্ণনা, সীমিত উপাৰ্জনেৰেও এখন সংসাৰ নিয়াৰীকৈ চলোৱাৰ কৌশলৰ লগতে স্বামী-শহুৰৰ প্ৰতি প্ৰেম, ভক্তি তথা দায়িত্ব পালন আৰু এটা সন্তান কামনা কৰাৰ নাৰীৰ যি স্বাভাৱিক আকাংক্ষা এই সকলোবোৰেই প্ৰতিধ্বনিত হৈছে।** সমগ্ৰ উপন্যাসখনিতে নাৰীচেতনাৰ বিভিন্ন দিশৰ ওপৰত ঔপন্যাসিকে আলোকপাত কৰিছে।

**অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাসসমূহ অধ্যয়ন কৰিলে এটা কথা স্পষ্ট হয় যে তেওঁৰ প্ৰতিখন উপন্যাসৰ কাহিনী কথকতাত নতুনত্ব আছে। ইয়াৰ পটভূমি আৰু চৰিত্ৰৰাজিও বিচিত্ৰ। নিঃসংগতা আৰু মৃত্যুচেতনা, নৰ-নাৰীৰ প্ৰেম আৰু জৈৱিক চিন্তা, ধনী-দুখীয়া তথা উচ্চ-নীচৰ ব্যৱধান, ৰাজনীতি, সমাজনীতি, অৰ্থনীতি আদিৰ ক্ষেত্ৰত দেখা দিয়া নানান সমস্যা, নাৰীক স্বাতন্ত্ৰ্য আৰু নাৰীৰ সম-অধিকাৰ আদি সকলোবোৰ বিষয়েই শৰ্মা পূজাৰীৰ উপন্যাসত স্থান লাভ কৰিছে।** ইয়াৰ উপৰি তেওঁৰ কেইবাখনো উপন্যাসত **সমকামিতাৰ দৰে নতুন কথাৰো সংযোজন** ঘটিছে। পিতৃ-মাতৃৰ অত্যধিক ব্যস্ততাৰ বাবে নিঃসংগ হৈ পৰা সন্তানৰ মনোবেদনাৰ লগতে পিতৃ-মাতৃয়ে বিচৰা ধৰণে নম্বৰ কঢ়িয়াব নোৱাৰাৰ দুখত আত্মহত্যাৰ পথ বাছি লোৱা যুৱক-যুৱতীৰ কথাও তেওঁৰ উপন্যাসৰ বক্তব্য বিষয়। **ইয়াৰ উপৰি প্ৰেমৰ নামত চলা যৌনাচাৰ, গৰ্ভধাৰণ, গৰ্ভপাত কৰাবলৈ গৈ পুনৰ চিকিৎসকৰ ওচৰত ধৰ্ষণৰ বলি হোৱা যুৱতীৰ সকৰুণ অৱস্থাক ঔপন্যাসিকে অতি প্ৰাঞ্জলতাৰে বৰ্ণনা কৰিছে।** অৱশ্যে সংসাৰৰ সমস্ত দায়িত্ব পালন কৰিও নিজৰ সকলো কাম

নিয়াৰিকৈ চলাই নিয়া নাৰী চৰিত্ৰও এওঁৰ উপন্যাসত দেখা যায়। গতিকে ক'ব পাৰি **অনুৰাধা শৰ্মা পূজাৰীয়ে সমসাময়িক সমাজত চলি থকা বা তেওঁ বাস্তৱ ক্ষেত্ৰত সন্মুখীন হোৱা নানা ঘটনাক বিচিত্ৰ অভিজ্ঞতাৰে তেওঁৰ উপন্যাসসমূহত মূৰ্ত কৰি তুলিছে।**

**'চাহেবপুৰাৰ বৰষুণ'ত প্ৰতিফলিত নাৰীচেতনা ঃ**

অসমীয়া উপন্যাস সাহিত্যত এক সম্পূৰ্ণ নতুন কাহিনীৰে অনুৰাধা শৰ্মা পূজাৰীয়ে 'চাহেবপুৰাৰ বৰষুণ' নামৰ উপন্যাসখন ৰচনা কৰিছে। ২০০৩ চনৰ ফেব্ৰুৱাৰী মাহত এই উপন্যাসখন ৰচিত হৈছে।

> "Anuradha Sarma Pujari with her intellectual flair brought it well the same feminist theme in the next novel, Saheb Purar Barashun where a young women who makes a train journey with a young man with whom her marriage is settled. But her experience of the journey with the young man proves that he is not the kind of man who would be compatible as her life-mate and find herself at the point of shirking at the journey at the middle and also the approaching married life. However the theme is not realized properly in the story and the second half of the story wears a different hue."[৫]

**'বৰ্ষা'ৰ চৰিত্ৰত প্ৰতিফলিত নাৰীচেতনা ঃ**

**'চাহেবপুৰাৰ বৰষুণ' নামৰ উপন্যাসখনি কাহিনী আৰু পটভূমিৰ দিশৰ পৰা সম্পূৰ্ণ নতুন। ইয়াৰ প্ৰধান নাৰী চৰিত্ৰ 'বৰ্ষা'ৰ জৰিয়তে ঔপন্যাসিকে অসমীয়া উপন্যাস সাহিত্যত এক নতুন চিন্তাধাৰাৰ নাৰীক উপস্থাপন কৰিছে।** বৰ্ষাৰ মুক্ত চিন্তাধাৰাক কেন্দ্ৰ কৰিয়েই এই উপন্যাসখনৰ কাহিনীভাগে গতি লাভ কৰিছে। **উপন্যাসখনিত দিল্লীত অধ্যয়ন সমাপ্ত কৰি ভাবী স্বামী প্ৰান্তিকৰ লগত একেলগে অসমলৈ যাত্ৰা কৰোঁতে বৰ্ষাই জীৱন সম্পৰ্কে গভীৰ উপলব্ধি কৰিবলৈ সক্ষম হৈছে।** মাত্ৰ যোল্ল দিন পিছত বিবাহপাশত আবদ্ধ হ'বলগীয়া বৰ্ষাই এই যাত্ৰাপথত প্ৰেম, বিবাহ, মানৱীয় অনুভূতি আদিৰ প্ৰতি এক অনন্য ধাৰণা গ্ৰহণ কৰিছে। আমেৰিকাত থাকিও যে

পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাৰ হাতোৰাৰ পৰা প্ৰান্তিক মুক্ত হ'ব পৰা নাই এই কথা বৰ্ষাই অনুধাৱন কৰিব পাৰিছে। নিজকে খুব 'স্মাৰ্ট' বা 'চৌখিন' বুলি উপস্থাপন কৰি থকা প্ৰান্তিকৰ আচল ৰূপ বৰ্ষাই এই যাত্ৰাপথত বাৰুকৈয়ে অনুভৱ কৰিছে। বিহাৰৰ এটা সৰু ষ্টেচনত বৰ্ষাহঁত যাত্ৰা কৰা ট্ৰেইনখন দুৰ্ঘটনাগ্ৰস্ত হোৱাত লাহে লাহে ট্ৰেইনত পানীৰ নাটনি হৈছে। ৰে'ল দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত মানুহক সহায়-সহযোগিতা আগবঢ়োৱা **'শেখৰ হুছেইন'** নামৰ ব্যক্তিগৰাকীক বৰ্ষাই দুবটল পানী দিয়া কাৰ্যত প্ৰান্তিক ক্ষুণ্ণ হৈ উঠিছে। ৰে'লত থকা অজস্ৰ মানুহৰ সন্মুখত নানা কটু বাক্যৰে যেতিয়া প্ৰান্তিকে বৰ্ষাক থকা-সৰকা কৰিছে তেতিয়াই বৰ্ষাই বুজিব পাৰিছে যে যিজন প্ৰান্তিকৰ প্ৰেমত তাই আজি তিনি বছৰ ধৰি হাবু-ডুবু খাই আছিল, সেই প্ৰান্তিকজন তাইৰ বাবে আজি সম্পূৰ্ণ অচিনাকি হৈ পৰিছে। পূৰ্বৰ তাইৰ প্ৰেমিক প্ৰান্তিক আৰু বৰ্তমান তাইৰ ভাবীস্বামী প্ৰান্তিকৰ মনোজগতৰ বিশাল পাৰ্থক্য তাইৰ দৃষ্টিগোচৰ হৈছে। সেয়েহে বৰ্ষাই তাইৰ ভৱিষ্যৎ সুৰক্ষিত নহ'ব বুলি ভাবিয়েই বিহাৰৰ সেই সৰু **'চাহেবপুৰা'** নামৰ ষ্টেচনটোত থাকি নানা সামাজিক কামৰ অংশীদাৰ হ'ব বুলি ঠিৰাং কৰিছে।

ভাবীস্বামী প্ৰান্তিক আৰু বৰ্ষাৰ অসমমুখী ৰে'লযাত্ৰাৰ কথাৰেই উপন্যাসখন আৰম্ভ হৈছে। তেওঁলোক দুয়োৰে কথা-বতৰাৰ পৰা দুয়োৰে মাজত যে এক সুন্দৰ সম্পৰ্ক আছে সেই কথা জানিব পাৰি। তিনি বছৰীয়া এটা প্ৰেমৰ সম্পৰ্কক বিবাহৰ বান্ধোনেৰে বান্ধিবলৈ দুয়ো ঘৰলৈ আহিছে। কিন্তু প্ৰান্তিকৰ অভব্য আচৰণে বৰ্ষাৰ অন্তৰাত্মাক হঠাৎ কঁপাই তুলিছে—

> "এবাৰলৈও বৰ্ষাই প্ৰান্তিকক লৈ অসুখী হোৱাৰ কথা ভবা নাই। কিন্তু হঠাতে শান্ত পুখুৰী এটাত শিলগুটি এটা দলিয়াই দিলে পুখুৰীটোৰ পানী অশান্ত হৈ উঠাৰ দৰে সেই ৰে'লযাত্ৰাটোৱে বৰ্ষাৰ শান্ত হৃদয়খনত অশান্তিৰ বুৰবুৰণি তুলিলে। চিনাকি প্ৰান্তিকৰ মাজত বৰ্ষাই দেখা পালে এক অচিনাকি ৰূপ। প্ৰান্তিকৰ সেই অচিনাকি ৰূপে বৰ্ষাৰ চিন্তাৰ দুৱাৰখন মেল খুৱাই দিলে। প্ৰান্তিকৰ শৰীৰসৰ্বস্ব ভালপোৱাৰ ধাৰণাই বৰ্ষাক প্ৰথমবাৰলৈ ভাবিবলৈ বাধ্য কৰিছে।"[৬]

ৰে'লৰ দবাত আন মানুহৰ উপস্থিতিত কালৈকো ভ্ৰূক্ষেপ নকৰি প্ৰান্তিকে বৰ্ষাক উদ্দামভাৱে চুমা খোৱা কথাটো বৰ্ষাই সহজভাৱে ল'ব পৰা নাই। তাই প্ৰান্তিকক প্ৰকৃতাৰ্থত চিনি পাইছেনে নাই এই কথাটোৱে তাইৰ মনোজগতত এক বৃহৎ খেলিমেলিৰ সৃষ্টি কৰিছে। প্ৰান্তিক যেন অপ্ৰকৃতিস্থ

এই কথা বৰ্ষাই মৰ্মে মৰ্মে বুজি উঠিছে। লগতে প্ৰান্তিকে বৰ্ষাক 'এড্‌জাষ্ট' কৰিব লগা কথাষাৰেও তাইৰ মনত আউল লগাইছে, কাৰণ তাই বুজিছে যে এড্‌জাষ্ট নিশ্চয় প্ৰান্তিকে নকৰে। নাৰী হিচাপে বৰ্ষায়েই নিজৰ সমস্ত সত্তাক বিসৰ্জন দি প্ৰান্তিকৰ ইচ্ছা আৰু দমন শক্তিৰ ওচৰত নিজকে অৰ্পণ কৰিব লাগিব। বৰ্ষাই মাকৰ ক্ষেত্ৰত এই পৰিস্থিতি হোৱা প্ৰত্যক্ষ কৰিছে। কিন্তু পুৰুষশাসিত সমাজ ব্যৱস্থাত পংগুত্বৰ জীৱন যাপন কৰিবলৈ বৰ্ষাই নিজৰ মনক বুজাব নোৱাৰিলে। তাই সৰুৰে পৰা দেখি আহিছে যে তাইৰ মাক, আইতাক বা বৰমাকহঁতৰ নিজস্ব স্বাধীনতা বা আশা-আকাংক্ষা বুলি একোৱেই নাই। কেৱল নিজ নিজ স্বামী বা ঘৰৰ পুৰুষসকলক সৰ্বতোপ্ৰকাৰে সন্তুষ্ট কৰি ৰখাতেই তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্য সীমাবদ্ধ। কিন্তু বৰ্ষা তেনে হ'বলৈ প্ৰস্তুত নহয়। **তাইৰ এটা স্বাধীনচিতীয়া মন আছে। প্ৰান্তিকৰ অভাৱনীয় মানসিক পৰিৱৰ্তন, দেহসৰ্বস্ব ভালপোৱা, বিশৃংখল কথা-বতৰা আদিয়ে প্ৰান্তিকৰ প্ৰতি বৰ্ষাক নতুনকৈ ভাবিবলৈ বাধ্য কৰিলে।** যি প্ৰান্তিকক বিশ্বাস কৰি তাই বিবাহৰ পিছত বিদেশলৈ যাত্ৰা কৰিবলৈ ওলাইছে, সেই বিশ্বাস আৰু গভীৰ আস্থা তাচপাতৰ দৰে খহি পৰিবলৈ বেছি সময় নালাগিল। প্ৰান্তিকৰ নিবিড় আলিংগনত থাকিও বৰ্ষাই অনুভৱ কৰিলে এক বিশাল শূন্যতা। ইয়াৰ উপৰি পাশ্চাত্যৰ **'লিভিং টুগেদাৰ'**ৰ দৰে কথাক সমৰ্থন কৰা আৰু প্ৰান্তিকৰ বান্ধৱী মাৰিয়া আৰু মাৰ্কৰ দুবছৰীয়া লিভিং টুগেদাৰৰ অন্তত বিবাহপাশত আবদ্ধ হৈ মাত্ৰ ছমাহতে বিবাহ বিচ্ছেদ হোৱা ঘটনাটোক প্ৰান্তিকে মুক্তভাৱে সমৰ্থন জনোৱা কাৰ্যটোকো বৰ্ষাই সহজভাৱে ল'ব পৰা নাই। তাইৰ মনত প্ৰশ্ন হৈছে যে প্ৰান্তিকে যি 'স্বতন্ত্ৰ মন'ৰ কথা কৈছে এই স্বতন্ত্ৰ মনৰ কাৰণে যদি এদিন প্ৰান্তিকৰো বৰ্ষাক ভাল নলগা হৈ বিচ্ছেদ ঘটে তেন্তে বৰ্ষাৰ ভৱিষ্যৎ কিমানখিনিলৈকে সুৰক্ষিত হ'ব। বিভিন্ন ভাবধাৰাই বৰ্ষাৰ মনোজগতত হেন্দোলনি তুলিবলৈ ধৰিলে।

> "বৰ্ষাই চকুহাল মুদি দিলে। অন্ধকাৰবোৰ যেন আৰু গভীৰ হ'ল। তীব্ৰ বেগেৰে আন্ধাৰ ফালি যোৱা ট্ৰেইনৰ এটা দীঘলীয়া উকি ভাহি আহিল। আৰু মাত্ৰ যোল্ল দিন পাছতে বিবাহ হ'ব লগা তাইৰ প্ৰেমিক প্ৰান্তিকৰ নিবিড় আলিংগনত থাকিও বৰ্ষাই অনুভৱ কৰিলে ৰে'লৰ উকিটো আহি তাইৰ বুকুৰ মাজত বন্দী হৈ গ'ল। উকিয়াই উকিয়াই ওলাই যোৱাৰ বাট বিচাৰি তাইৰ বুকুৰ মাজত উকিটো ঘূৰি ফুৰিছে। তাইৰ হঠাতে অনুভৱ হ'ল তাই বাৰু সঁচাকৈয়ে প্ৰান্তিকক

চিনি পাইছেনে? আৰু প্ৰান্তিকে তাইক!"[৭]

**পুৰুষ আৰু নাৰীৰ শাৰীৰিক সম্পৰ্ক বা মানসিক সম্পৰ্ক তথা বুজাবুজিৰ উপৰি যে নাৰীৰ এটা স্বাধীন মন থাকিব পাৰে— এই ধাৰণাত বিশ্বাসী বৰ্ষা।** সেয়েহে তাই এই কথাত বশ্যতা স্বীকাৰ কৰিব পৰা নাই যে কেৱল বুজাবুজিৰ দোহাই দি তাই তাইৰ মনটোক চিৰদিন প্ৰান্তিকৰ ইচ্ছা আৰু দমন শক্তিৰ দাস কৰি ৰাখিব লাগিব। এনে সময়তেই বৰ্ষাৰ নাৰীসত্তা ক্ৰমান্বয়ে জাগ্ৰত হৈছে। বৰ্ষাৰ এনে ভাবগধুৰ বিষাদগ্ৰস্ত অৱস্থাতেই **বিহাৰৰ চাহেবপুৰা নামৰ সৰু ৰে'ল ষ্টেচনটোত হোৱা ৰে'ল দুৰ্ঘটনাটোৱে বৰ্ষাৰ জীৱনৰ চাবিকাঠী বেলেগ দিশলৈ ঘূৰাই দিলে।** প্ৰান্তিকৰ বস্তুবাদী চিন্তা-চৰ্চা, বিদেশী বন্ধু-বান্ধৱীৰ মুক্ত যৌনাচাৰলৈ সমৰ্থন লগতে কামুকধৰ্মী কথা-বতৰাই বৰ্ষাক ব্যতিব্যস্ত কৰি তুলিলে।

যিকোনো দুৰ্ঘটনাত পতিত হোৱা মানুহক যৎপৰোনাস্তি সহায় কৰাটো মানৱীয় ধৰ্ম। বৰ্ষা মানৱীয় অনুভূতিৰে সিক্ত এগৰাকী নাৰী। ৰে'লত পানী লাহে লাহে শেষ হৈ অহাত এ. চি. কম্পাৰ্টমেণ্টত থকা যাত্ৰীসকলে বেলেগক পানী দিবলৈ অস্বীকাৰ কৰিলে। শেখৰ হুছেইনে অলপ পানী বিচাৰি অহাত এই যাত্ৰীখিনিয়ে দুৱাৰ বন্ধহে কৰি দিলে। কিন্তু বৰ্ষাই এই অমানৱীয় কাৰ্যক মৌনভাৱে সমৰ্থন জনাব নোৱাৰিলে। নিজৰ ওচৰত মজুত থকা দুটা পানীৰ বটল তাই শেখৰ হুছেইনক বিচাৰি বিচাৰি দি আহিল। **পানী দুবটল দিবলৈ যাওঁতে প্ৰান্তিকে তাইক বাধা দিলে যদিও প্ৰান্তিকৰ প্ৰচণ্ড বাধাকো নেওচি তাই নিজৰ মন আৰু বিবেকৰ আহ্বান শুনিলে। এইখিনিতেই যেন বৰ্ষাই পুৰুষৰ আধিপত্যৰ বিৰুদ্ধে প্ৰতিবাদ আৰম্ভ কৰিলে।**

শেখৰ হুছেইনৰ পৰা বৰ্ষাই জানিব পাৰিলে যে তেওঁ আৰু কেইজনমানে মিলি এটা এন. জি. অ'. চলায়। বিভিন্ন ধৰণৰ সামাজিক কামত তেওঁলোকে অংশগ্ৰহণ কৰে। শেখৰ হুছেইনৰ মানৱ দৰদী কথা-বতৰা আৰু মানৱীয় অনুভূতিমূলক ব্যক্তিত্বই বৰ্ষাক আকৰ্ষিত কৰিলে। সেয়েহে তাই প্ৰান্তিকৰ সৈতে শেখৰ হুছেইনক পৰিচয় কৰাই দিবলৈ আনিলে যদিও প্ৰান্তিকে সৌজন্যমূলক আগ্ৰহকণো নেদেখুৱালে। ৰে'লৰ লাইন মুকলি হ'বলৈ এতিয়াও প্ৰায় ১০/১২ ঘণ্টাৰ প্ৰয়োজন বাবে শেখৰ হুছেইনে বৰ্ষাক তেওঁলোকৰ এন. জি. অ'ৰ কাম চাবলৈ অনুৰোধ কৰে। বৰ্ষা ততালিকে মান্তি হয় আৰু প্ৰান্তিককো তাইৰ সংগ দিবলৈ অনুৰোধ কৰে। প্ৰান্তিক কোনো কাৰণতেই মান্তি নহৈ চকুৰ আগত আলোচনী এখনহে মেলি ল'লে।

'হঠাতে বৰ্ষাৰ প্ৰান্তিকক তাইৰ দেউতাক, তাইৰ ককাকৰ দৰে লাগিবলৈ ধৰিলে। প্ৰান্তিকেও সেই একে ব্যৱহাৰেই কৰে বৰ্ষাক। কেৱল সময় আৰু পৰিস্থিতিৰ ৰঙে সলনি কৰিছে। একেই, পুৰণি বটলত নতুন সুৰা, বটলৰ একেই প্ৰমূল্য। লেবেলখন ৰংচঙীয়া বেছি হ'ল।'[৮]

বৰ্ষাৰো এইখিনিতে নাৰীচেতনা জাগ্ৰত হ'ল। তাই প্ৰান্তিকক ক'লে যে সি কৰা দহোটা অনুৰোধৰ বিপৰীতে তাই কেতিয়াবা এটা অনুৰোধ কৰে। কিন্তু সেই অনুৰোধটো সি ৰক্ষা নকৰে। এনেয়ে ৰে'লত শুই থকাতকৈ শেখৰ হুছেইনহঁতৰ কেম্পটো চাই অহাত কি আপত্তি কৰিব লগা আছেনো বুলি কোৱাত প্ৰান্তিক আৰু খঙাল হৈ উঠিছে। গিৰিস্কৈ শোৱাৰ পৰা উঠি প্ৰান্তিকে বৰ্ষাৰ প্ৰতি যি কঠোৰ দৃষ্টিৰে চালে তাৰ পৰাই বৰ্ষাই বুজিব পাৰিলে যে প্ৰান্তিকৰ অন্তৰাত্মাত প্ৰকৃততে কিমান হিংস্ৰতা বা ঈৰ্ষাপৰায়ণতা লুকাই আছে। বৰ্ষাই ইমান মানুহৰ মাজতো নিজকে একেবাৰে অকলশৰীয়া অনুভৱ কৰিলে। শেখৰ হুছেইনৰ প্ৰতিও তাই কৃতজ্ঞ হৈ ৰ'ল। কাৰণ এই মানুহজনক লগ নোপোৱা হ'লে প্ৰান্তিকৰ স্বাৰ্থপৰ ৰূপটোৰ বিষয়ে বৰ্ষাই কাহানিও জানিব নোৱাৰিলেহেঁতেন।

শেখৰ হুছেইনৰ কেম্পৰপৰা ঘূৰি অহাৰ পিছত বৰ্ষা এক অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হ'ল। প্ৰান্তিকৰ কঠোৰ মাত-কথাই তাইক আচম্বিত কৰি তুলিলে। প্ৰান্তিকে তাইক অশ্লীল কথাৰে থকা-সৰকা কৰিলে। বৰ্ষা আৰু মৌন হৈ ৰৈ থাকিব নোৱাৰিলে। নিজৰ ছুটকেছ হাতত লৈ তাই প্ৰান্তিকক ক'লে—

'ছ'ৰি প্ৰান্তিক। মোৰ সম্পৰ্কে তোমাৰ যি ধাৰণা, সেইয়া লৈ মই তোমাৰ স্ত্ৰী হ'ব নোৱাৰিম। মোৰ কোনো মৰ্যাদাই নাথাকিব জীৱনত।'[৯]

তাই অনুভৱ কৰিলে যে সপোন দেখা বা কাৰোবাক ভালপোৱাৰ স্বাধীনতা তাইৰ আছে। কিন্তু **প্ৰেমৰ নামত চলা বন্দিত্ব স্বীকাৰ কৰিবলৈ বৰ্ষা কোনো কাৰণত মান্তি হ'ব নোৱাৰিলে। সেয়েহে তাই অচিনাকি ঠাইত অচিনাকি মানুহৰ মাজত নিজৰ স্বাধীন চিন্তাৰ প্ৰগতিৰ সাধনাত ৰৈ গ'ল।**

বিবাহে নাৰীৰ জীৱনলৈ পূৰ্ণতা আনে। কিন্তু এই বিবাহৰ ফলত যদি নাৰীগৰাকীৰ স্বাধীন মনৰ অকাল মৃত্যু ঘটে, যদি স্বামীৰ ইচ্ছা-অনিচ্ছাৰ ওপৰতে নাৰীগৰাকীৰ দৈনন্দিন জীৱন পৰিক্ৰমা

পৰিচালিত হয়, তেন্তে সেই বিবাহ বান্ধোন নহৈ বন্দীত্ব হৈ পৰে। কেৱল সতি-সন্ততি জন্ম দি বংশ পৰম্পৰা ৰক্ষা কৰাটোৱেই এগৰাকী নাৰীৰ জীৱনৰ মূল লক্ষ্য কেতিয়াও হ'ব নোৱাৰে। **জীৱনৰ পূৰ্ণতা প্ৰাপ্তিৰ বাবেই নিজৰ ইচ্ছা-আকাংক্ষাক, নিজৰ স্বাধীনতাক সম্পূৰ্ণৰূপে দলিয়াই দিয়াটো বৰ্ষাৰ দৰে সবল নাৰীৰ পক্ষে কোনো কাৰণতে সম্ভৱ নহয়। বৰ্ষা হৈছে নিজৰ স্বাধীন চিন্তাৰে জীৱন পথত খোজ দিয়া এগৰাকী স্বতন্ত্ৰ নাৰী।**

চাহেবপুৰাত বৰ্ষাই এক নতুন জীৱন লাভ কৰিলে। নিজৰ পিতৃ-মাতৃ, আত্মীয়, প্ৰান্তিক সকলোৰে পৰা দূৰ হৈ মেচু গাঁৱৰ মানুহখিনিৰ সুখ-দুখ, আপদ-বিপদ, অভাৱ-অভিযোগ আদিৰ লগত তাই একান্তভাৱে জড়িত হৈ পৰিল। ইয়াৰ মাজতে ঘৰখনৰ স্মৃতিয়েও তাইক আমনি নকৰা নহয়। কিন্তু নিজৰ জীয়েকৰ কথা নুশুনি ভাবী জোঁৱায়েকৰ কথাত বেছি গুৰুত্ব প্ৰদান কৰাৰ বাবে নিজ পিতৃ-মাতৃৰ প্ৰতিও তাই অভিমানী হৈ উঠে। 'ইনছাইট'ৰ সদস্যসকলৰ অনুৰোধ ৰক্ষা কৰি তাই ঘৰলৈ ফোন কৰে যদিও মাকৰ একপক্ষীয় কটুকথাহে শুনিবলগীয়া হয়। তাইৰ মনটো বুজি নুঠাৰ বাবে মনটো বিশেষকৈ আঘাতপ্ৰাপ্ত হয়।

বৰ্ষাই আকস্মিক সিদ্ধান্তত চাহেবপুৰাত থাকি যাবলৈ ওলোৱা কথাটো দেখাত নাটকীয় যেন লাগিলেও বৰ্ষাৰ অন্তৰত যে প্ৰান্তিকৰ প্ৰতি প্ৰেম নাছিল বা বৰ্ষা যে প্ৰেমশূন্য এটা নাৰীসত্তা তেনে নহয়। তাই চিৰপ্ৰেমিকা। কিন্তু প্ৰেমৰ নামত চিৰদিন পুৰুষৰ কথামতে উঠা-বহা কৰা নাৰী তাই হ'ব নোৱাৰিলে। তাইৰ মতে প্ৰেম মানে দুটা শৰীৰৰ মিলন নহয়। বা প্ৰেম মানে বিবাহো নহয়। তাই আৰু তাইৰ সহকৰ্মী সঞ্জীৱৰ মাজত থকা মধুৰ সম্পৰ্কই এই কথাকে প্ৰতীয়মান কৰায়। নিজৰ স্বাধীনচিতীয়া মনেৰে দৰিদ্ৰ, সংঘাতপূৰ্ণ মানুহখিনিৰ বাবে কাম কৰি যি মানসিক প্ৰশান্তি তাই লাভ কৰিছে, পুৰুষৰ ইচ্ছাত জীৱন পৰিচালিত কৰি তাই সেই সুখৰ অংশীদাৰ হ'ব নোৱাৰিলেহেঁতেন।

বৰ্ষাৰ মনত সঞ্জীৱৰ প্ৰতি আৰু গভীৰ টান আছিল। কিন্তু ঔপন্যাসিকে বৰ্ষাক ইমান সবলভাৱে সৃষ্টি কৰিছে যে সঞ্জীৱৰ হত্যাকাণ্ডয়ো তাইৰ কৰ্মস্পৃহাক টলাব পৰা নাই। তাই মাজুলীত থাকি সঞ্জীৱে ভালপোৱা কামবোৰ শেষ কৰাৰ সিদ্ধান্ত লয়। তাইৰ কৰ্মৰ জৰিয়তেই সঞ্জীৱক জীয়াই ৰাখিব বিচাৰে। বৰ্ষাৰ এনে মনোভাৱৰ পৰা সঞ্জীৱৰ প্ৰতি থকা তাইৰ প্ৰেমৰ গভীৰতাৰ উমান পাব পাৰি।

**প্ৰকৃততে বৰ্ষাৰ প্ৰেম কোনো ব্যক্তি বিশেষতে সীমিত হৈ ৰোৱা নাই। এই প্ৰেম হৈছে**

**মানৱীয় অনুভূতিৰে সিক্ত প্ৰেম।** মাকৰ সৈতে ফোনত হোৱা বাৰ্তালাপতো তাই কৈছিল—

> 'মা তুমি নুবুজিবা। এই ট্ৰেইনত পোৱা বাৰঘণ্টাই মোক সত্য দেখুৱালে। মোৰ বিবেকে বাৰে বাৰে সুধিলে, বৰ্ষা, প্ৰান্তিক তই ভালপোৱা ল'ৰাটো হয়নে? সি আগৰ দৰেই আছেনে? চাহেবপুৰাত হোৱা ট্ৰেইন এক্সিডেণ্টটোৱে মোৰ জীৱনৰ গতি সলনি কৰি দিলে। তোমাক প্ৰান্তিকে কোৱাৰ দৰে মই কোনো মুছলমান মানুহৰ প্ৰেমত হঠাতে পৰি চাহেবপুৰাত ৰৈ যোৱা নাই। প্ৰান্তিক কিমান নীচ, যান্ত্ৰিক সেই দুৰ্ঘটনাটোত মই আৱিষ্কাৰ কৰিলোঁ। আধুনিক পোছাক, মুখত ফৰফৰাই ইংৰাজী, স্মাৰ্ট, দেখনিয়াৰ হ'লেই মনটো আধুনিক নহ'বও পাৰে। বিদেশত থাকিও প্ৰান্তিক সামন্তযুগীয় পুৰুষ। মই মানুহ হৈ থাকিবলৈ বিচাৰো, মোৰ ক্ষুদ্ৰ জীৱনটোক পৃথিৱীৰ কামত লগাবলৈ বিচাৰো— আই ৱাণ্ট টু বি ইউছ্‌ড ফৰ মাই ৱৰ্ল্ড, এজন প্ৰান্তিকৰ স্বাৰ্থত মই ব্যৱহাৰ হ'ব নোখোজো মা'[১০]

**নিজৰ ইচ্ছা-অনিচ্ছা, নিজৰ চিন্তা-বিবেচনা, আত্ম-বিবেক আদিক প্ৰাধান্য দি জীৱনটো কেৱল এজনৰ বাবে ত্যাগ নকৰি বহুজনৰ হিতৰ বাবে কাম কৰি যোৱা বৰ্ষা ঔপন্যাসিকৰ এক সফল তথা সবল সৃষ্টি।** পুৰুষতান্ত্ৰিক সমাজৰ বান্ধোন ওফৰাই ব্যক্তিগত ৰুচি-অভিৰুচিত গুৰুত্ব আৰোপ কৰাৰ বাবে বৰ্ষা প্ৰান্তিকৰ চকুত চৰিত্ৰহীনা হ'লেও, মাক-দেউতাকে তাইক বংশৰ কলংক বুলি ভাবিলেও নাৰীয়ে নিজৰ অস্তিত্ব সুৰক্ষিত কৰিবলৈ হ'লে বৰ্ষাৰ দৰে সবল আৰু শক্তিশালী মনোবৃত্তিৰ গৰাকী হ'বই লাগিব। সমাজসেৱাৰ দৰে কামত গোটেই জীৱন উৎসৰ্গা কৰিম বুলি আগবাঢ়ি যোৱাত তাই সাধাৰণ নাৰীতকৈ কিছু সুকীয়া বৈশিষ্ট্যসম্পন্ন যেন লাগিলেও নাৰীৰ স্বাভাৱিক আৱেগ-অনুভূতিসহ তাই সঞ্জীৱৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰিছে।

'বৰ্ষা' প্ৰকৃতাৰ্থত মানৱীয় গুণসম্পন্ন নাৰী। সেয়েহে উপন্যাসখনিৰ প্ৰথমাৰম্ভত বৰ্ষাৰ যি নাৰীবাদী ৰূপ বা সবল ব্যক্তিত্ব সেয়া উপন্যাসখনিৰ শেষলৈকে একে আছে যদিও মাজে-সময়ে তাই ম্লান পৰাও লক্ষ্য কৰা যায়। তাই সাধাৰণ প্ৰেমিকাৰ দৰেই প্ৰেমিকৰ লগত বিবাহপাশত আবদ্ধ হ'বলৈ আগবাঢ়িছে। মনে নমনাত তাইৰ বিয়াখন হৈ নুঠিল যদিও বিপৰীত লিংগৰ প্ৰতি নাৰীৰ আকৰ্ষণক তাই নুই কৰিব পৰা নাই। ঔপন্যাসিকে বৰ্ষাক সবল, স্পষ্টবাদী আৰু স্বাধীনচিতীয়া মনৰ অধিকাৰী এটি চৰিত্ৰ হিচাপে অংকন কৰি নাৰীচেতনাৰ বহুকেইটা সমল প্ৰতিফলিত কৰিছে।

**‘ৰাখী’ৰ চৰিত্ৰত প্ৰতিফলিত নাৰীচেতনা ঃ**

**‘চাহেবপুৰাৰ বৰষুণ’** উপন্যাসৰ **‘ৰাখী ভাটনাগৰ’** চৰিত্ৰটিক বৰ্ষাই চাহেবপুৰাত থাকিবলৈ লোৱাৰ পৰাই লগ পাইছে। **বয়সতকৈ বেছি গহীন আৰু মাৰ্জিত কথা-বতৰাৰ অধিকাৰী ৰাখী।** তিলুৰা নামৰ গাঁওখনত যেতিয়া ইনছাইটৰ কৰ্মীসকলৰ লগত বৰ্ষা আৰু ৰাখীয়ে জনহিতাৰ্থে কাম কৰি আছিল, তেতিয়াই বৰ্ষাই ৰাখীৰ ভিতৰৰ মানুহজনীক ভালদৰে বুজিবলৈ সক্ষম হৈছিল।

**ৰাখীৰ মাকৰ সম্পত্তিৰ লোভৰ তাড়নাত পিতৃসম ব্যক্তিৰ হাতত নিজৰ সৰ্বস্ব হেৰুওৱা ৰাখীৰ মনত আছিল অদম্য সাহস।** সেয়েহে মাতৃৰূপী স্বাৰ্থপৰ মাকৰ হাতোৰাৰপৰা তাই নিজকে মুক্ত কৰি পলাই আহিছে। নিজ মাতৃয়েই জীয়েকক গৰ্ভনিৰোধক টেবলেট সেৱন কৰিবলৈ দি থকাটোও আশ্চৰ্যকৰ। ৰাখীয়ে মাকৰ কু-চক্ৰান্তৰপৰা হাত সাৰিবলৈকে শেখৰ হুছেইনৰ এন. জি. অ’টোত ভৰ্তি হৈছে। এগৰাকী যুৱতীৰ নিজৰ প্ৰেমিক সম্পৰ্কে কিছু কল্পনা থাকে। কিন্তু বাসুদেৱৰ দৰে ব্যক্তিক স্বামী হিচাপে গ্ৰহণ কৰিবলৈ তাই একেবাৰে ৰাজী নহ’ল। তাই ইয়াৰ প্ৰতিবাদ কৰি আঁতৰি আহিল। তাইৰ প্ৰতিবাদ মাকৰ প্ৰতিও—

> “বৰ্ষা, এই কথা বাসুদেৱক মই কেনেকৈ বুজাম? মই সতীত্ব-ফতিত্ব বিশ্বাস নকৰোঁ, কিন্তু অপমান বিশ্বাস কৰোঁ। বাসুদেৱে বাৰে বাৰে অপমান কৰিব পৰাকৈ মই ছাৰেণ্ডাৰ কেনেকৈ কৰোঁ? ময়ো জানো, যি পুৰুষ মানসিকভাৱে নপুংসক তেওঁ নাৰীৰ শৰীৰ দখলত তৃপ্তি লভে। বাসুদেৱ তেনে এটা নপুংসক, কাপুৰুষ। কিন্তু মইতো হৃদয়ৰ ঐশ্বৰ্যক বিশ্বাস কৰোঁ, মই মোৰ শক্তিশালী হৃদয়খন লৈ, শৰীৰটো এটা নপুংসকক দিব পাৰো জানো? কিমান যন্ত্ৰণা এয়া নুবুজিবা। মোৰ বাসুদেৱতকৈও ঘৃণা হৈছিল মাৰ প্ৰতি। মোৰ মাৰ দৰে নাৰী আছে বাবেইতো বাসুদেৱবোৰ সাহসী হৈছে!”[১১]

ৰাখীৰ পৰিপক্ক কথা-বতৰাৰ পৰা আৰু নিজৰ ওপৰত হোৱা অত্যাচাৰৰ প্ৰতিবাদ কৰাৰ পৰা ৰাখীৰ চৰিত্ৰত নাৰীচেতনাৰ প্ৰভাৱ থকা বুলি ক’ব পাৰি। **স্বাৰ্থলোভী, ক্ষমতালোভী আৰু অৰ্থলোভী নিজা মাতৃৰ ষড়যন্ত্ৰৰ কবলৰ পৰা উদ্ধাৰ হৈ তাই যে নিজে বিচৰা ধৰণৰ এটা স্বতন্ত্ৰ জীৱন যাপন কৰিবলৈ পাইছে, এয়াই তাইৰ সৌভাগ্য।** মাকে তাই নিবিচৰা সত্বেও তাইৰ সৈতে শাৰীৰিক, মানসিক একো মিল নথকা বাসুদেৱৰ দৰে চৰিত্ৰ এটাক তাইৰ জীৱনলৈ ঠেলি

দিছে। তাইৰ ওপৰত অত্যাচাৰ কৰিছে। কিন্তু অভিভাৱকে কোৱাৰ দৰে জীৱন তাই বাছি নলৈ নিজৰ মতে জীৱন জীয়াব খুজিছে। ৰাখী পৰম্পৰাবাদী নাৰী নহয়, নিজৰ ইচ্ছা আৰু নিজৰ বিবেকৰ মতে জীৱন অতিবাহিত কৰা এটি নাৰী চৰিত্ৰ হিচাপে উপন্যাসখনিত ঔপন্যাসিকাই অংকন কৰিছে।

**'বিনোদিনী'ৰ চৰিত্ৰত প্ৰতিফলিত নাৰীচেতনা ঃ**

**'ইনছাইট'ত বৰ্ষাৰ সহকৰ্মী সঞ্জীৱৰ মাতৃ হ'ল এই 'বিনোদিনী'।** বিনোদিনী মোমায়েক কৃষ্ণকান্তৰ ঘৰত থাকিছিল। আজাদ হিন্দ ফৌজৰ সেনানীসকলক চৰকাৰে বন্দী কৰি থোৱাত তেওঁলোকৰ মুক্তিৰ বাবে ছাত্ৰসকলে বিক্ষোভ কৰিছিল। বিনোদিনীৰ মামা কৃষ্ণকান্তও ছাত্ৰ বিক্ষোভকাৰীসকলৰ মাজৰ এজন আছিল। কৃষ্ণকান্তই বিনোদিনীক প্ৰাণসম ভাল পাইছিল। এই বিনোদিনীৰে ঘটনাক্ৰমত সংযোগ ঘটে বেৰিষ্টাৰ মুখাৰ্জীৰ লগত। মুখাৰ্জী বিবাহিত আৰু সন্তানৰ পিতৃ হোৱাৰ পিছতো তেওঁৰ ঔৰসত বিনোদিনীয়ে গৰ্ভধাৰণ কৰে। **বিনোদিনী যথেষ্ট আত্মসচেতন নাৰী আছিল। মুখাৰ্জীয়ে যেতিয়া নিজা পত্নী তথা পৰিয়ালক অনাগত সন্তান আৰু তেওঁলোকৰ সম্পৰ্কৰ কথা ঘুণাক্ষৰেও জনাবলৈ নিবিচাৰিলে বা বিনোদিনীকো নক'বলৈ অনুৰোধ কৰিলে, তেতিয়াই মুখাৰ্জীৰপৰা চিৰকাললৈ আঁতৰি আহিল বিনোদিনী।** বিনোদিনী ইমান সাহসী আছিল যে এখন সমাজত এটা সন্তান জন্ম দি অকলেই ডাঙৰ-দীঘল কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হৈছিল। সন্তানৰ প্ৰতি প্ৰতিগৰাকী মাতৃৰে মৰম-আদৰ থাকে। সেই মৰম-আদৰেৰেই পিতৃৰ অভাৱ অনুভৱ নকৰাকৈ সঞ্জীৱক বিনোদিনীয়ে প্ৰতিপালন কৰিছে। নিজৰ আত্মমৰ্যাদা অক্ষুণ্ণ ৰাখি সঞ্জীৱক নিজৰ 'দাস' উপাধি প্ৰদান কৰিছে। এগৰাকী নাৰী হিচাপে বিনোদিনীয়ে এক বলিষ্ঠ পদক্ষেপেই গ্ৰহণ কৰা দেখা গ'ল।

ইয়াৰ উপৰি বিনোদিনীৰ ব্যক্তিত্বৰ আৰু এটি সবল দিশ দৃষ্টিগোচৰ হয়। যেতিয়া মুখাৰ্জীয়ে নিজৰ ভুল বুজিব পাৰি পত্নীক বিনোদিনীৰ সমস্ত কথাই জনাই দি নিজৰ কৰি ল'বলৈ আগবাঢ়ি আহিল। তেতিয়া আত্মমৰ্যাদাসম্পন্ন বিনোদিনীয়ে এই প্ৰস্তাৱ একেচাটেই নাকচ কৰিলে।

> "তেওঁ ক'লে যে যিদিনাই মুখাৰ্জীয়ে বিনোদিনীৰ সৈতে থকা সম্পৰ্ক গোপনে
> ৰখাৰ কথা ক'লে, অনাগত সন্তানৰ কথা তেওঁৰ পত্নীক ক'বলৈ বাৰণ কৰিলে,

> সেইদিনাই মুখাৰ্জীৰ প্ৰতি থকা শ্ৰদ্ধা, ভালপোৱাৰ অকাল মৃত্যু ঘটিল। বিনোদিনীয়ে মুখাৰ্জীক সেইদিনালৈকেহে মনত ৰাখিছে, যিদিনালৈকে মুখাৰ্জীয়ে বিনোদিনীক শ্ৰদ্ধাৰে প্ৰেম নিবেদন কৰিছিল। বিনোদিনীৰ প্ৰেম গোপন বিলাস নাছিল।"[১২]

বিনোদিনীৰ কথাৰপৰাই গম পোৱা গ'ল যে **তেওঁ এগৰাকী প্ৰেম প্ৰত্যাশী নাৰী**। মুখাৰ্জীৰ লগত কেৱল দৈহিক ক্ষুধা পূৰাবৰ বাবে তাই এক হোৱা নাছিল। সেয়েহে মুখাৰ্জীৰ আচৰণত তাই মানসিকভাৱে যথেষ্ট আঘাত পাইছিল আৰু নিজে সাহসী হৈ সন্তানটিক পৃথিৱীৰ মুখ দেখুৱাবলৈ হেঁপাহ কৰিছিল। গতিকে **বিনোদিনীৰ চৰিত্ৰটি বিশ্লেষণ কৰিলে নাৰীচেতনাৰ দুটা দিশ দেখা পোৱা যায়। প্ৰথমটো হ'ল এগৰাকী নাৰী হিচাপে নিজৰ সন্মান, নিজৰ মৰ্যাদা সম্পৰ্কে সদা সচেতন আৰু দ্বিতীয়টো হ'ল নাৰীৰ জীৱনত সন্তান প্ৰাপ্তিৰ পূৰ্ণতা।**

বিনোদিনীক বৰ্ষাই প্ৰত্যক্ষভাৱে লগ পোৱা নাই। সঞ্জীৱৰ জৰিয়তে বৰ্ষাই এই শক্তিশালী মনৰ অধিকাৰী নাৰী চৰিত্ৰটিৰ বিষয়ে জানিবলৈ সুবিধা পাইছে। ঔপন্যাসিকে এই চৰিত্ৰটিৰ বিষয়ে উপন্যাসখনিত বৰ বিস্তৃত বৰ্ণনা দাঙি ধৰা নাই। অতি কম পৰিসৰতে তেওঁ বিনোদিনীৰ বিষয়ে যিমানখিনি কথাৰ অৱকাশ ঘটালে তাৰ পৰাই এই চৰিত্ৰটিৰ নাৰীচেতনা ৰূপায়িত হৈছে।

**'ৰুক্মিণী'ৰ চৰিত্ৰত প্ৰতিফলিত নাৰীচেতনা ঃ**

**বিহাৰৰ তিলুৱা গাঁৱৰ তেনেই নিঃকিন পৰিয়ালৰ এটি নাৰী চৰিত্ৰ হৈছে 'ৰুক্মিণী'**। তাই ৰে'ল দুৰ্ঘটনাত নিহত হোৱা কিশোৰ শিৱকুমাৰৰ মাতৃ। শিৱকুমাৰৰ মৃত্যুৰ বাতৰিয়ে ৰুক্মিণীৰ অন্তৰাত্মাক কঁপাই তুলিছে। তাই মাটিত বাগৰি বাগৰি বুকু ভুকুৱাই ভগৱানক শাওপাত দি ৰাউচি জুৰি কান্দিবলৈ ধৰিছে। নিজৰ সন্তানে বেয়া কাম কৰি আছে বুলি গম পোৱাৰ পিছতো মাতৃ হৃদয়ে সন্তানক কেতিয়াও বেয়া বুলি ক'ব নোখোজে। ৰেগন ব্ৰকাৰৰ দৰে বৃত্তিত শিৱকুমাৰ জড়িত হৈ আছিল। সেইবোৰ কামত জড়িত হৈ থকাৰ পিছতো আনকি চোৰাং মালবস্তু ঘৰত আনি ৰখাৰ পিছতো নাৰী হৃদয়ৰ স্বাভাৱিক মমতাৰে তাই শিৱকুমাৰক আঁকোৱালি লৈ আছিল। সেয়েহে তাই শিৱকুমাৰৰ মৃত্যুৰ বাতৰি পাই একেবাৰে ভাগি পৰিছে। তাইৰ ডাঙৰ ল'ৰা নাৰায়ণকো

কোনোবাই মাৰি পেলাইছে। গতিকে দুয়োটা সন্তানকে অকালতে হেৰুৱাই তাই পাগলীৰ দৰে হৈছে। এগৰাকী নাৰী হিচাপে, এগৰাকী মাতৃ হিচাপে এয়া তাইৰ স্বাভাৱিক আচৰণ।

পৰৱৰ্তী সময়ত দেখা যায় সঞ্জীৱে গাঁৱৰ মুখিয়াৰ ঘনিষ্ঠ বিৰজুৰ লগত ৰুক্মিণীৰ অবৈধ সম্পৰ্কক ধৰা পেলায়। সঞ্জীৱে ৰুক্মিণীক বিৰজুৰ সুবিধাবাদী চৰিত্ৰৰ কথা বুজাবলৈ চেষ্টা কৰে। কিন্তু ৰুক্মিণীৰ কথা-বতৰাৰ পৰা সঞ্জীৱে জানিব পাৰে যে ৰুক্মিণীয়ে বিৰজুৰ বিষয়ে জানে। সি তাইৰ কেৱল শৰীৰটোহে বিচাৰে। কেতিয়াও সি ৰুক্মিণীক বিয়া নকৰায়। শিৱকুমাৰ মৰাৰ পিছত তাই তাক আহিবলৈ মানা কৰা সত্ত্বেও নিশা চোৰৰ দৰে আহি সি তাইৰ শৰীৰ দখল কৰেহি।

**দৈহিক কামনা-বাসনা পুৰুষ-নাৰী সকলোৰে স্বাভাৱিক প্ৰবৃত্তি। অকালতে বৈধব্য জীৱন কটোৱা ৰুক্মিণীও ইয়াৰ ব্যতিক্ৰম নহয়। সেয়েহে দেহৰ তাড়না পূৰাবলৈ তাই বিৰজুৰ সৈতে সংগমত লিপ্ত হৈছে।** আনকি বিৰজুৰ সত্য জনাৰ পিছতো তাই তাক মানা কৰিব পৰা নাই। নাৰীৰ স্বাভাৱিক আকাংক্ষাৰে তাই নিজৰ দৈহিক জ্বালা কিছু পৰিমাণে হ'লেও বিৰজুৰ জৰিয়তে লাঘৱ কৰিছে।

**ৰুক্মিণী এজনী কোমলমনা আৰু উদাৰ মনোবৃত্তিৰ নাৰী**। সেয়ে 'ইনছাইট'ৰ সক্ৰিয় কৰ্মী সঞ্জীৱ, বৰ্ষা আৰু ৰাখীক তাই থাকিবৰ কাৰণে নিজৰ ঘৰৰ কোঠা দি দিছে। সিহঁতৰ কাৰণে যত্ন সহকাৰে ৰন্ধা-বঢ়া কৰিছে। গিৰিয়েক মৰাৰ পিছত বৰ্ষাহঁতৰ কাৰণে বহুদিনৰ মূৰত তাই লিট্টি আৰু চব্‌জি ৰান্ধিছে। সিহঁতকেইটাই তৃপ্তিৰে খোৱা দেখি তাইৰ মনত স্বপ্নই বাহ সাজিবলৈ আৰম্ভ কৰিছে। যেতিয়া সঞ্জীৱে নিজৰ ফালৰ পৰা লিট্টি আৰু চবজি মেৰিয়াই ৰুক্মিণীক 'মাই' বুলি সম্বোধন কৰি খুৱাই দিব খুজিছে, তাই এই মৰম সহ্য কৰিব নোৱাৰি মূৰৰ ওৰণিখন দীঘলকৈ টানি কান্দি উঠিছে। অকালতে স্বামী আৰু দুটাকৈ সন্তান হেৰুৱাই দুখ-বেজাৰেৰে জীৱন অতিবাহিত কৰা ৰুক্মিণীৰ মনত এটা শংকা আছে যে ইমান মৰম-আদৰ কৰা সঞ্জীৱহঁতো নিজৰ কাম শেষ হ'লে তাইৰ ঘৰৰপৰা গুচি যাব।

ঘৰ এখন সম্পূৰ্ণ কৰি ৰখাৰ ইচ্ছা এগৰাকী নাৰীৰ স্বাভাৱিক কামনা। বৰ্ষা, সঞ্জীৱ আৰু ৰাখীৰ পৰিস্থিতিয়ে প্ৰকৃতাৰ্থত নিঃসংগ তাইৰ জীৱনটোক জীপাল কৰি ৰাখিছে। সেয়েহে সিহঁত গুচি গ'লে তাই অকলশৰীয়া জীৱনটো কটোৱা যে পুনৰ কষ্টকৰ হ'ব সেই কথা তাই আগতীয়াকৈ অনুমান কৰি লৈছে। ইয়াৰ উপৰি সন্তান হেৰুওৱা মাতৃৰ বাবে 'মা' শব্দটো যে কিমান আপুৰুগীয়া

এইটো কেৱল সেই মাতৃসকলেহে উপলব্ধি কৰিব পাৰে। সেয়েহে সঞ্জীৰে 'মা' বুলি মতাত তাই আৱেগবিহ্বল হৈ উঠিছে।

নাৰীয়ে সদায় এটা বিশ্বাসযোগ্য আশ্ৰয় বিচাৰে। সেয়েহে যেতিয়া ৰাখীয়ে ৰুক্মিণীক কেতিয়াও এৰি নাযাওঁ, আৰু যদি যাওঁ তেনেহ'লে লগত লৈ যাম বুলি ৰুক্মিণীৰ হাতত ধৰিছে, সেই স্পৰ্শত ৰুক্মিণীয়ে বিশ্বাসৰ বীজ সিঁচিছে। তাই এই কাৰণেই আশ্বস্ত হৈছে যে তাই আৰু কেতিয়াও নিঃসংগ বা আশ্ৰয়হীন হ'ব লগা নহয়। অন্ততঃ বিৰজুৰ দৰে সুবিধাবাদী আৰু লম্পট চৰিত্ৰৰ মানুহৰ পৰা তাই আজি নিৰাপদ।

**এনেদৰেই 'চাহেবপুৰাৰ বৰষুণ' উপন্যাসখন অধ্যয়ন কৰিলে দেখা যায় যে প্ৰধানভাৱে ইয়াত 'বৰ্ষা' চৰিত্ৰটোৱে মুখ্য ভূমিকা দখল কৰিছে যদিও কাহিনী প্ৰৱাহৰ লগত সংগতি ৰাখি ইয়াত স্থান লাভ কৰা ৰাখী, বিনোদিনী, ৰুক্মিণী আদি চৰিত্ৰকেইটাৰো ইয়াত ভূমিকা আছে। নাৰী হিচাপে প্ৰতিটো চৰিত্ৰতে কিছু স্বকীয় বৈশিষ্ট্য প্ৰৱাহিত হৈ আছে, যাৰ জৰিয়তে এই চৰিত্ৰবোৰৰ মাজত লুকাই থকা নাৰীচেতনাৰ উমান পাব পাৰি।** উপৰিউক্ত চৰিত্ৰকেইটাৰ উপৰি তিলুৱা গাঁৱৰ আন এগৰাকী নাৰী 'মায়া'ৰ চৰিত্ৰৰ কথাও ইয়াত ছেগাচোৰোকাকৈ পাওঁ। নিজৰ সন্তান 'তিত্‌লী'ক কোনোবাই ধৰ্ষণ কৰি হত্যা কৰা ঘটনাটোক তাই সহজভাৱে ল'ব পৰা নাই। মাক হিচাপে নিজৰ সন্তানৰ ওপৰত কৰা অত্যাচাৰ হজম কৰাটো কোনো কাৰণতে সম্ভৱ নহয়। তাই সিহঁতৰ গাঁৱৰ আটাইতকৈ নষ্ট চৰিত্ৰৰ 'গোৱৰ্দ্ধন'কে তিত্‌লীৰ মৃত্যুৰ বাবে দোষী সাব্যস্ত কৰিছে। গোবৰ্দ্ধনৰ লোলুপ দৃষ্টিৰ পৰা মায়াও সাৰি যোৱা নাছিল। কিন্তু প্ৰচণ্ড এটা চৰ মাৰি তাই গোবৰ্দ্ধনৰ হাতৰপৰা পলাই সাৰিছিল। কিন্তু কিশোৰী তিত্‌লীৰ শাৰীৰিক শক্তি ইমান বেছি নাছিল যে তাই প্ৰতিৰোধ কৰিব পাৰিব। মুখিয়াৰ খাচ্ মানুহ বুলি জনাৰ পিছতো সেয়েহে জীয়েকৰ মৃত্যুৰ বাবে তাই গোবৰ্দ্ধনকে জগৰীয়া বুলি সমজুৱাকৈ ঘোষণা কৰিছে। এইয়া এগৰাকী নাৰী হিচাপে, এগৰাকী মাতৃ হিচাপে তাইৰ প্ৰতিবাদী আৰু সাহসী কণ্ঠ।

**'চাহেবপুৰাৰ বৰষুণ' উপন্যাসখনত ঔপন্যাসিকে নাৰী জীৱনৰ ধ্যান-ধাৰণা, আশা-আকাংক্ষাক কলাসুলভভাৱে অংকন কৰিছে। নাৰী স্বাধীনতা, নাৰী ধৰ্ষণ, মানৱতাৰ স্খলন আদি দিশবোৰেও উপন্যাসখনিত বিশিষ্ট স্থান লাভ কৰিছে। নাৰীৰ ত্যাগ, সহনশীলতা, ইচ্ছা-আকাংক্ষা, নিজৰ সুকীয়া পৰিচয় লাভৰ প্ৰয়াস, মানৱতাৰ হকে কৰা কাম-কাজ, নিজ সতি-সন্ততিৰ লগত**

**এখন পৰিপূৰ্ণ সংসাৰ লাভৰ বাসনা আদি নাৰীচেতনাৰ আটাইবোৰ দিশেই উপন্যাসখনিৰ নাৰী চৰিত্ৰকেইটিৰ জৰিয়তে ঔপন্যাসিকে বাস্তৱায়িত কৰিছে।**

নাৰীচেতনাৰ স্থূল প্ৰকাশৰ উপৰি উপন্যাসখনত বহুকেইটা ভাল দিশো পৰিলক্ষিত হয়। মেচুগাঁৱৰ চোৰাংকাৰবাৰত জড়িত কিশোৰ-যুৱক আদিক শেখৰ হুছেইনে ভাল পথ দেখুৱাবলৈ প্ৰয়াস কৰিছে। বানে ধুই নিয়া মাজুলীত বয়নশিল্পক নতুন ৰূপ দি মানুহক স্বাৱলম্বী হোৱাৰ পথ দেখুওৱা হৈছে। ঔপন্যাসিকৰ ভাষা প্ৰয়োগো সুন্দৰ, সৰল আৰু সাৱলীল।

ভৱিষ্যতৰ ৰঙীন জীৱন ত্যাগ কৰি কণ্টকময় পথত অগ্ৰসৰ হোৱা বৰ্ষাই পদে পদে লাভ কৰা নানান অভিজ্ঞতাৰাজি উপন্যাসখনিত বৰ্ণিত হৈছে। উপন্যাসখনিৰ প্ৰায় আটাইকেইটা নাৰী চৰিত্ৰৰ মাজেদিয়েই নাৰীচেতনাৰ স্ফুৰণ ঘটিছে। ইয়াৰ লগতে উপন্যাসখনিত হত্যা-হিংসা, লুণ্ঠন-ধৰ্ষণ আদি বিষয়বোৰেও স্থান লাভ কৰিছে। গৱেষণাৰ বিষয়বস্তুৰ লগত এইবোৰৰ বিশেষ সম্বন্ধ নোহোৱাত এইবোৰৰ আলোচনাৰপৰা বিৰত থকা হ'ল।

### 'নাহৰৰ নিৰিবিলি ছাঁ'ত প্ৰতিফলিত নাৰীচেতনা

**২০০৫ চনত অনুৰাধা শৰ্মা পূজাৰীৰ 'নাহৰৰ নিৰিবিলি ছাঁ' উপন্যাসখনি প্ৰকাশ হয়।** এই উপন্যাসখনৰ পটভূমি 'ডিব্ৰুগড় বিশ্ববিদ্যালয়'। উপন্যাসখনিৰ পাতনিতেই ঔপন্যাসিকে বক্তব্য দাঙি ধৰিছে যে **এই উপন্যাসখনিত তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিবলৈ যোৱা আঠৈটা বছৰৰ বিচিত্ৰ অভিজ্ঞতাৰাজিয়ে স্থান পাইছে।** অসমৰ বিভিন্ন প্ৰান্তৰপৰা অহা ল'ৰা-ছোৱালীবোৰৰ বিভিন্ন জীৱন-দৰ্শন জনাৰ সুযোগ তেওঁ লাভ কৰিছে। ইয়াৰ উপৰি ছোৱালী হোষ্টেলৰ 'প্ৰিফেক্ট' হিচাপে নিজৰ দায়িত্ব পালন কৰোঁতেও তেওঁ নানাধৰণৰ ভাল-বেয়া ঘটনাৰ সাক্ষী হ'ব লগা হৈছে। **উপন্যাসখনিৰ কেন্দ্ৰীয় চৰিত্ৰ 'ভাস্বতী'**। ভাস্বতীক কেন্দ্ৰ কৰি ছোৱালী হোষ্টেলৰ আৱাসীসকলৰ নানান সমস্যাৰাজিয়ে উপন্যাসখনিত মূৰ দাঙি ধৰিছে। **ৰশ্মি, নন্দিনী, ৰঞ্জনা (অঞ্জনা), কাখেলী, মেট্ৰ'ন বাইদেউ— এই সকলোবোৰ উপন্যাসখনিৰ একো একোটা বিশিষ্ট নাৰী চৰিত্ৰ।** এই আটাইবোৰ চৰিত্ৰতে নাৰীচেতনাৰ কেতবোৰ বৈশিষ্ট্য প্ৰতিধ্বনিত হোৱা দেখিবলৈ পোৱা গৈছে।

পুৰুষপ্ৰধান ভাৰতীয় সমাজত নাৰী সদায়েই স্বতন্ত্ৰহীন, অৱদমিত, লাঞ্ছিত আৰু নিপীড়িত

হৈ আহিছে। পৰম্পৰাবাদী অসমীয়া সমাজো ইয়াৰ ব্যতিক্ৰম নহয়। স্বৰাজোত্তৰ কালত অৱশ্যে নাৰীশিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ হোৱাৰ লগে লগে, লগতে ভাৰতীয় সংবিধানে নাৰী-পুৰুষক সম-অধিকাৰ দিয়াৰ কাৰণে কিছুসংখ্যক নাৰীয়ে তেওঁলোকৰ জীৱনত পুৰুষৰ সমানে আগুৱাই গৈ স্বতন্ত্ৰ জীৱন-যাপন কৰাৰ সুবিধা লাভ কৰিছে। কিন্তু বেছিসংখ্যক নাৰীয়েই বৰ্তমান সময়তো শোষণ, দমন আৰু লাঞ্চনাৰ বলি হৈয়েই আছে। **'নাহৰৰ নিৰিবিলি ছাঁ' উপন্যাসখনিৰ সময় ১৯৮৪ৰ পৰা ১৯৮৭ বুলি ঔপন্যাসিকে কৈ গৈছে। বিংশ শতিকাৰ শেষ দশকৰ পটভূমিত ৰচিত এই উপন্যাসখনতো আমি নাৰীয়ে কিদৰে নিষ্পেষিত হৈ জীৱন কটাব লগা হয় — এই কথা জানিব পাৰোঁ**। এই নিষ্পেষিত নাৰীসকলে সদায় এই অন্যায়-অবিচাৰ হজম কৰি থোৱা নাই। কোনো কোনোৱে নিজৰ নাৰীসত্তা জাগ্ৰত কৰি নিজৰ বিৰুদ্ধে হোৱা অন্যায়ৰ প্ৰতিবাদ জনাইছে। কোনোৱে আকৌ ৰাজহুৱাকৈ প্ৰতিবাদ কৰিব নোৱাৰি মনৰ দুখ বৰ্ণনা কৰিব পৰা বান্ধৱীৰ আগত মনৰ ক্ষোভ উজাৰিছে। ইয়াৰ উপৰি যৌৱন অৱস্থাত উদ্ভৱ হোৱা প্ৰেমৰ পৰাও তেওঁলোকে নিস্তাৰ পোৱা নাই। কাৰোবাৰ বাবে এই প্ৰেমে গঠনমূলক জীৱন কঢ়িয়াই আনিছে আৰু কাৰোবাৰ জীৱন হৈ পৰিছে বিষময়। উপন্যাসখনিত ঔপন্যাসিকে যৌৱনোচ্ছল এজাক যুৱক-যুৱতীৰ বৰ্ণনা দিছে আৰু প্ৰসংগক্ৰমে বিভিন্ন নাৰী চৰিত্ৰৰ মাজত নিহিত হৈ থকা নাৰীচেতনাৰ দিশবোৰ উন্মুক্ত কৰি তুলিছে। সদায় পুৰুষৰ ভৰিৰ চেপাত নাথাকি নিজৰ সত্তা আৰু নিজৰ চেতনাৰে এই উপন্যাসৰ নাৰীসমূহে মূৰ দাঙি ধৰিছে।

**'ৰশ্মি'ৰ চৰিত্ৰত প্ৰতিফলিত নাৰীচেতনা ঃ**

**'নাহৰৰ নিৰিবিলি ছাঁ'** উপন্যাসৰ নায়িকা ভাস্বতীৰ সহপাঠী ৰূপে আৰু একে হোষ্টেলৰ আৱাসী ৰূপে অনুৰাধা শৰ্মা পূজাৰীয়ে 'ৰশ্মিৰেখা' চৰিত্ৰটো অংকন কৰিছে। **এই ৰশ্মিৰ চৰিত্ৰৰ জৰিয়তে ঔপন্যাসিকে পুৰুষশাসিত সমাজ-ব্যৱস্থাত পাৰিবাৰিক, সামাজিক, অৰ্থনৈতিক বা নৈতিক সকলো দিশতেই নাৰী-পুৰুষৰ বৈষম্যমূলক বিধি ব্যৱস্থা আৰু নীতি-নিয়মৰ সমালোচনা আগবঢ়াইছে।** ইয়াত ৰশ্মি নামৰ ছোৱালীজনীয়ে নিজৰ পেহীয়েকে স্বামীৰ অত্যাচাৰ আৰু অবৈধ সম্পৰ্ক সহিব নোৱাৰি ঘৰ এৰি অহাৰ দুবছৰ পিছত তাইৰ দেউতাকৰ কাৰখানাৰ মহৰী দ্বীপেনৰ লগত গুচি যোৱা কথাটোত সমৰ্থন জনাইছে। পেহীয়েকক তাই এইবাবেই সমৰ্থন জনাইছে যে তাইৰ

দেউতাকে পেহাক ৰাণা শইকীয়াক স্বাৰ্থজনিত কাৰণত কোনোধৰণৰ দোষ দিব নিবিচাৰে। কিন্তু পেহীয়েকে কিমান সহ্য কৰিব। আনকি আইতাকেও নিজৰ জীয়েককহে দোষ দিলে। এইবোৰ দেখি দেখি দ্বীপেনে সহ্য কৰিব নোৱাৰি ৰশ্মিৰ পেহীয়েকক পলুৱাই লৈ গ'ল। ৰশ্মিয়ে স্বতন্ত্ৰতা বিচাৰে। নাৰী হ'ল বুলিয়ে যে পুৰুষে হকে-বিহকে দমাই ৰাখিব ইয়াৰ পক্ষপাতী তাই নহয়। সেয়েহে পেহাক ৰাণা শইকীয়াই তাইৰ পেহীয়েকক 'কু-চৰিত্ৰ'ৰ বুলি কওঁতে তাইৰ প্ৰচণ্ড খং উঠিছে।

পেহীয়েক তেনেদৰে মনে মনে গুচি যোৱাৰ পিছত এইবাৰ ৰশ্মিৰ পিতৃ-মাতৃয়ে তাইক শাসনৰ জৰীৰে বেয়াকৈয়ে বান্ধি পেলালে। কলেজলৈ যাওঁতে ঘৰৰ ড্ৰাইভাৰে কলেজৰ গেটত থৈ যায়। তাইৰ ক্লাছৰ এখন ৰুটিন মাক-দেউতাকৰ হাততো থাকে। সেয়েহে ক্লাছ শেষ হোৱাৰ লগে লগেই কলেজৰ গেটত গাড়ী হাজিৰ হৈ থাকে। আনকি ৰিক্সাতো তাই অকলে গৈ পোৱা নাই বা অগত্যা যাবলগীয়া হ'লেও ৰিক্সাৱালাক নিৰ্দিষ্ট স্থানত নমাই দিবলৈ দহবাৰমান ক'ব। পোন্ধৰ-যোল্ল বছৰীয়া ৰশ্মিয়ে সেয়েহে লজ্জাবোধ কৰে। ইয়াৰ উপৰি পেহীয়েকে কৰা ভুলৰ শাস্তি তাই পোৱাটোও উচিত নহয়। তাইক মাক-দেউতাকে শিকলি লগোৱা পুতলাৰ দৰেই ব্যৱহাৰ কৰিছে। সেয়েহে মাক-দেউতাকৰ ওপৰত প্ৰতিশোধ ল'বলৈ তাই ইচ্ছা কৰে। হোষ্টেলত তাইক এনেকৈ হকা-বাধা কৰিবলৈ কোনো নাই। সেয়েহে তাই কিতাপ কিনাৰ নামত এনেয়ে ঘূৰি ফুৰিছে; নতুবা কোনোবাদিনা নিষিদ্ধ গলিত প্ৰাপ্তবয়স্কৰ বাবে লগোৱা চিনেমা উপভোগ কৰিছে। মুঠতে তাই স্বাধীনতা বিচাৰে। পিতৃ-মাতৃৰ শাসনৰ পৰিধিৰ পৰা তাই এতিয়া বহু দূৰৈত আছে। গতিকে মাক-দেউতাকে নেদেখা ঠাইত তাই মুকলিকৈ ঘূৰিছে, ফুৰিছে, হাঁহিছে। তাই পুৰুষৰ হাতোৱাৰ পৰা মুক্ত জীৱন বিচাৰে। পুৰুষজনক যিমান দোষ কৰিলেও সমাজে একো নক'ব আৰু নাৰীয়ে পুৰুষৰ অত্যাচাৰ সদায় সহ্য কৰি থাকিব এই কথাক ৰশ্মিয়ে কেতিয়াও সমৰ্থন জনাব নোৱাৰে।

> "দেউতাই ভাবে, ছোৱালী সদায় শাসনৰ মুঠিত থাকিব লাগে। পেহীক ৰাণা পেহাই শাসনেৰে পত্নী হৈ থাকিবলৈ বাধ্য কৰিব পাৰিব লাগিছিল। জীয়ৰী অৱস্থাত দেউতাকৰ শাসনত, বোৱাৰী হ'লে স্বামীৰ শাসনত মাইকী মানুহক ৰাখিব লাগে। মই ইয়ালৈ অহাৰ আগেয়ে তুমুল কাজিয়া কৰিছিলোঁ। পুৰুষক

কোনে শাসন কৰিব? দেউতাক কোনে শাসন কৰিব? ৰাণা পেহাক কোনে শাসন কৰিব? পুৰুষ সৰ্বদা মুক্ত! অনুশাসনৰ উৰ্দ্ধত।”[১৩]

**ৰশ্মিৰ মতে সমাজত পুৰুষ আৰু নাৰী বুলি কোনো ভেদাভেদ থাকিব নালাগে, সমাজত সকলো কেৱল মানুহ। দুয়োটিয়েই যিহেতুকে একে মানৱ সত্তা, সেয়েহে প্ৰকৃতি আৰু মূল্য লিংগৰ ভিত্তিত বিচাৰ কৰা অনুচিত। ঔপন্যাসিকে ৰশ্মিৰ চৰিত্ৰটিৰ জৰিয়তে নাৰী মুক্তিৰ চেতনাক প্ৰতিফলিত কৰিছে।** পুৰুষপ্ৰধান সমাজত নাৰীৰ বিভিন্ন সমস্যা আৰু অসুবিধাসমূহ ঔপন্যাসিকে অতি কৌশলেৰে উপস্থাপন কৰিছে। ৰশ্মিয়ে বিবাহক ‘বন্দীত্ব’ বুলি ভাবিছে। সেয়েহে দেউতাকৰ পছন্দৰ প্ৰাৰ্থীৰ লগত বিয়া হোৱাৰ আগতেই তাই পলাই যাব বুলি ভাস্বতীক জনাইছে। বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ আহি আৰু হোষ্টেলত থাকি তাই মুকলিভাৱে উশাহ ল’বলৈ সক্ষম হৈছে। ইয়াৰ উপৰি এডাল্ট চিনেমা চাবলৈ গৈ তাই ভাস্বতীৰ লগত যুক্তি-তৰ্কত লিপ্ত হৈছে —

“ঃ ঠিক আছে, কিন্তু তই আকাশখনলৈ নোযোৱাকৈ কেনেকৈ জানিবি আকাশৰ পৰিধিক? নিয়ন্ত্ৰণ আনে কৰাক স্বাধীনতা নোবোলে। নিজৰ ওপৰত নিজেই নিয়ন্ত্ৰণ কৰিবি। Self Control ৰ কথা কৈছোঁ। তই ভাবি আছ মই নিয়ন্ত্ৰণহীন চিলাখন। সেয়া মই নহয়। কিন্তু মই সৌ অনিল-ইউচুফৰ দৰে থাকিবলৈ বিচাৰোঁ। এই একেখন সমাজতে, একেখন পৃথিৱীতে সিহঁতৰ দৰে ময়ো মানুহ। মই কিয় মোৰ ইচ্ছাক বন্দী কৰি থ’ম?”[১৪]

আচলতে ভাস্বতীয়ে সৰুৰে পৰা যেনেকৈ মুকলিভাৱেৰে জীৱন কটাইছে, ৰশ্মিয়ে তাৰ লেশমানো পোৱা নাই। সেয়েহে তাই নিজ ইচ্ছা অনুসৰি পৃথিৱীখন চাব বিচাৰিছে। পিতৃৰ অহংকাৰ, ধনবল এই সকলোবোৰক ওফৰাই ৰশ্মিয়ে এটা স্বাধীন মনেৰে স্বাধীন পৃথিৱীত মনৰ চিলা উৰুওৱাৰ সপোন দেখিছে। ৰশ্মিৰ কথাৰ মাজেৰে পেহীয়েকৰ প্ৰসংগ টানি ঔপন্যাসিকে নাৰীচেতনাৰ দিশটো উন্মুক্ত কৰি তুলিছে।

ৰশ্মিৰ আইতাকক ইয়াত পৰম্পৰাবাদী নাৰী চৰিত্ৰ হিচাপে উপস্থাপন কৰা হৈছে। তদুপৰি একে মাক-দেউতাকৰ সন্তান হোৱা সত্ত্বেও ৰশ্মিৰ ওপৰত তেওঁলোকৰ ইমান কাঢ়া নজৰ আৰু ভায়েকৰ মুক্ত জীৱনকো ৰশ্মিয়ে তিৰ্যক সমালোচনা কৰিছে। ৰশ্মিৰ জৰিয়তে ঔপন্যাসিকে নাৰীৰ সামাজিক মুক্তি কামনা কৰিছে।

**'নন্দিনী'ৰ চৰিত্ৰত প্ৰতিফলিত নাৰীচেতনা ঃ**

**কেৱল মানুহক দেখুৱাই সৰহকৈ সেন্দূৰ ল'লে, হাতে-কাণে এসোপামান অলংকাৰ পিন্ধিলে, মুখত হাঁহি লৈ ঘূৰা-ফুৰা কৰিলেই এগৰাকী নাৰীক সকলো দিশৰ পৰা সুখী বুলি ভবাৰ যি ভ্ৰান্ত ধাৰণা সকলোৱে মনত গঢ় লয় এই কথা 'নাহৰৰ নিৰিবিলি ছাঁ'ৰ 'নন্দিনী' নামৰ চৰিত্ৰটিৰ জৰিয়তে ঔপন্যাসিকে উদঙাই দেখুৱাইছে। নন্দিনীৰ সম্পূৰ্ণ নাম নন্দিনী দলে। স্বামী উচ্চপদস্থ চৰকাৰী বিষয়া বসন্ত দলে।**

নন্দিনীয়ে ঘৰুৱা হেঁচাত পৰি বি. এ. পৰীক্ষা দিয়াৰ পিছতেই বিয়াত বহিব লগা হৈছিল। তাই শ্বিলঙত ডাঙৰ-দীঘল হোৱা ছোৱালী। 'ফিলিপ' তাইৰ অন্তৰংগ বন্ধু। এই ফিলিপৰ লগত হোৱা তাইৰ বন্ধুত্বক সন্দেহ কৰিয়েই পিতৃ-মাতৃয়ে অসম চৰকাৰৰ উচ্চ আসনপ্ৰাপ্ত বিষয়া বসন্ত দলেৰ লগত তাইক বিয়া দি দিয়ে। কিন্তু তাই বসন্তৰ লগত কোনো দিশতে সুখী নহয়। নন্দিনীয়ে নিজৰ ঘৰলৈ হঠাতে লগত লৈ গৈ খুব সহজতেই তাই মনৰ গোপন দুৱাৰ ভাস্বতীৰ আগত খুলি দিয়ে। নন্দিনী আৰু বসন্তৰ টাৱেল, চাবোন আদি নিত্য ব্যৱহাৰ্য সামগ্ৰীবিলাকৰ ভিন্নতা দেখিয়েই ভাস্বতীয়ে দুয়োৰে যে মিল নাই এই কথা উপলব্ধি কৰিব পাৰিছিল। দুয়োৰে যে মিলামিছাও কম এই কথা নন্দিনীয়ে ভাস্বতীৰ আগত স্বীকাৰ কৰিছে।

কিন্তু ভাস্বতীয়ে যেতিয়া নন্দিনীক বসন্তক পছন্দ নকৰাৰ কাৰণ সুধিছে, নন্দিনীয়ে পৰম্পৰাবাদী নাৰীৰ দৰে জাঙুৰ খাই উঠিছে—

> "মইতো বছন্ত'ক বেয়া পোৱাৰ কথা তোমাক এবাৰো কোৱা নাই- হি ইজ মাই হাজবেণ্ড। মই ভাল পাবই লাগিব। মা-পাপাই মোক বিয়া দিছে তেওঁলৈ। বিয়া উপলক্ষে ডাঙৰ পাৰ্টি হৈছে দুবাৰকৈ। আমি বিয়াৰ পিছত হনিমুন কৰিছোঁ গোৱাত। তেওঁ মোক বহুত শাৰী-বহুত দামী অলংকাৰ দিছে। মই তেওঁৰ ৱাইফ-মোক ভাল পোৱাৰ চিন এইবোৰ নহয় জানো?"[১৫]

কিন্তু ভাস্বতীয়ে নন্দিনীৰ কথাৰপৰা ঠিকেই অনুমান কৰিছিল যে নন্দিনী বসন্তৰ লগত কোনো কাৰণতে সুখী নহয়। সেয়েহে বসন্ত আৰু নন্দিনী প্ৰায়ে কাজিয়াত লিপ্ত হয়। কাজিয়া লাগিলে বসন্ত নন্দিনীক নোকোৱাকৈয়ে দুই-তিনি দিনৰ কাৰণে লগৰ বন্ধুৰ ঘৰত গৈ থাকে। অথচ তাই যদি শ্বিলঙলৈ যাব খোজে ফিলিপৰ প্ৰসংগ টানি উপহাস কৰে। **'বিবাহ' নামৰ শিকলিৰে যে**

**তাইৰ ভৰি-হাত বান্ধি পেলোৱা হৈছে, এয়া তাই পদে পদে অনুভৱ কৰে।** ইয়াৰ উপৰি এটা সন্তান লাভৰ আশাত বসন্তই নন্দিনীক বহুতদিন জোৰ-জবৰদস্তি কৰিছে, যাৰ বাবে তাই অকলশৰে পৃথক কোঠাত শুবলৈ বাধ্য হৈছে। নাৰীজীৱনৰ পূৰ্ণতা প্ৰাপ্তিৰ আটাইতকৈ নিবিড়তম সময়খিনিও তাই সন্তোষেৰে উপলব্ধি কৰিব পৰা নাই। সেয়েহে তাই নিজৰ পিতৃ-মাতৃৰ প্ৰতিও খং কৰাটো স্বাভাৱিক। কাৰণ সৰুৰেপৰা তাইক মাক-দেউতাকে স্বাধীনমনা এগৰাকী ছোৱালীৰ দৰে গঢ়ি তুলিছিল। ল'ৰা আৰু ছোৱালীৰ মাজত একো পাৰ্থক্য নাই বুলি শিকাইছিল। কিন্তু বিবাহৰ দৰে সাংঘাতিক বান্ধোন এটাত সোমাই লৈ তাই পাখি কটা বিহংগৰ দৰে আজি ধৰ্‌ফৰাই ধৰ্‌ফৰাই জীৱন যাপন কৰিবলগীয়া হৈছে। এইবোৰ চিন্তা কৰি কৰি তাই হতাশা আৰু নিৰাশাত ভুগিবলৈ আৰম্ভ কৰিছে। ভাস্বতীৰ অনুভৱ হ'ল নন্দিনী যেন এক জ্বালামুখী, যিকোনো মুহূৰ্ততে তাইৰ বিস্ফোৰণ ঘটিব পাৰে। নন্দিনীয়েও ভাস্বতীহঁতৰ দৰে মুক্ত জীৱন বিচাৰে। সেয়েহে ভাস্বতীৰ হোষ্টেললৈ তাই কেতিয়াবা থাকিবলৈ যাবলৈ অনুমতি বিচাৰিছে। ভাস্বতীয়ে সন্মতি নজনোৱাৰ কথাই নাহে।

নন্দিনী মৰমৰ ভিক্ষাৰী। নাৰী হিচাপে সকলোৰে মৰম-আদৰ বিচৰাটো নন্দিনীৰ স্বাভাৱিক আকাংক্ষা। ইয়াৰ উপৰি ঘৰৰ পা-পৰিয়াল বিসৰ্জন দি তাই বসন্তৰ লগত বিবাহপাশত আবদ্ধ হৈছে। কিন্তু বসন্ত তাইৰ প্ৰণয়প্ৰাৰ্থী নহয়। বসন্তই যে তাইক প্ৰতি নিশাই ধৰ্ষণ কৰে এই কথা মুকলিভাৱেই ভাস্বতীৰ আগত ব্যক্ত কৰিছে। কোনো নাৰীয়েই স্বামীৰ দ্বাৰা ধৰ্ষিতা হ'ব নিবিচাৰে। নন্দিনীও ইয়াৰ ব্যতিক্ৰম নহয়। তাই মৰম বিচাৰে। তাই সেয়েহে বসন্তক কৈছিল—

"তুমি দিনৰ যিকোনো সময়ত মোক এবাৰ নিবিড়ভাৱে সাবটি ধৰিবাচোন, এবাৰ গভীৰ চুমা দিবা মোৰ মুখত, শৰীৰৰ যিকোনো অংগত। কিজানি তোমাক মই ভাল পাবলৈ আৰম্ভ কৰিম- তোমাৰ সৈতে জীৱন কটাবলৈ মই মোৰ পৰিয়াল-স্বজন ত্যাগ কৰি আহিছোঁ, মই তোমাৰ অনুগ্ৰহ প্ৰাৰ্থী জানো? তুমি যদি মোৰ স্বামী, ময়ো তোমাৰ পত্নী, সহধৰ্মিণী। তুমি বিচৰা সকলো দিম, আনকি প্ৰতি নিশা মই তোমাৰ ধৰ্ষণ হাঁহিমুখে গ্ৰহণ কৰিম, যদি তুমি দিনৰ পোহৰত দিয়া তোমাৰ অকমান স্পৰ্শ, অলপ ভালপোৱাৰ বশ্যতা, মই দাসী হৈ যাম তোমাৰ চিৰজীৱনৰ বাবে.... নন্দিনীয়ে এইবাৰ হুক্‌হুকাই কান্দি পেলালে।"[১৬]

**নাৰী আজন্ম প্ৰেমপ্ৰত্যাশী। বসন্তই যদি মৰমেৰে নন্দিনীক অকণমান আৱৰি ৰাখিলেহেঁতেন,**

**নন্দিনী নিশ্চয় পৃথিৱীৰ আটাইতকৈ সুখী নাৰীগৰাকী হ'লহেঁতেন। কিন্তু বাস্তৱ ক্ষেত্ৰত তেনে নোহোৱাৰ কাৰণেই এদিন বিবাহৰ বান্ধোন ছিঙি, বসন্তৰ লগত সকলো সম্পৰ্ক ছেদ কৰি তাই বিচৰা পৃথিৱীখনত পদাৰ্পণ কৰিছে।** নাৰী সৌন্দৰ্যপিয়াসী। লগতে নিজৰ স্বামীৰ পৰা ৰূপৰ প্ৰশংসা পোৱা নাৰীৰ বাবে সৌভাগ্যজনক। নন্দিনীও ইয়াৰ আশাপ্ৰাৰ্থী। **তাইৰ মনৰ গভীৰতাত প্ৰৱেশ নকৰাকৈ কেৱল পত্নী হোৱাৰ বাবেই প্ৰতি ৰাতি তাই ধৰ্ষণৰ বলি হ'ব লাগিব এই কথা তাই মানি লোৱা নাই। তাই ইয়াৰ প্ৰতিবাদ কৰিছে। তাইৰ নাৰীচেতনা জাগ্ৰত হৈছে। নাৰী হ'লেও তাইৰ জীৱন ইমান মূল্যহীন নহয় যে চাবি দিয়া পুতলাৰ দৰে স্বামীৰ ইংগিতত নাচিব। তাই বসন্তৰ পৰা দূৰ হৈ বেলেগ কোঠাত বেলেগ বিছনাত শুবলৈ লোৱাৰ পৰাই তাইৰ প্ৰতিবাদী কণ্ঠস্বৰ অনুমেয় হৈ পৰিছে।**

**ঔপন্যাসিকে দৰাচলতে নন্দিনীৰ চৰিত্ৰৰ জৰিয়তে নাৰীক কেৱল ভোগৰ সামগ্ৰী হিচাপে গ্ৰহণ কৰা এচাম পুৰুষৰ মানসিকতাৰ প্ৰতি ঘৃণা আৰু বিতৃষ্ণাৰ ভাব জগাই তুলিছে।** নন্দিনীৰ জৰিয়তে তেনে পুৰুষৰ প্ৰতি নাৰীৰ বিদ্ৰোহী চেতনাক উদঙাই দেখুৱাবলৈ ঔপন্যাসিকে চেষ্টা কৰিছে। যুগে যুগে নাৰী জাতিয়ে ভোগ কৰি অহা যন্ত্ৰণা, সমাজত নাৰীৰ মৰ্যাদা আৰু স্থান, নাৰী-পুৰুষৰ অভিন্নতা, সম-অধিকাৰ এই সকলোবোৰ দিশেই নন্দিনীৰ জৰিয়তে ঔপন্যাসিকে বিবৃত কৰিছে।

**'ৰঞ্জনা' (অঞ্জনা)ৰ চৰিত্ৰৰ জৰিয়তে প্ৰতিফলিত নাৰীচেতনা ঃ**

হোষ্টেলত পদাৰ্পণ কৰিয়েই ছিনিয়ৰৰ লগত ৰেগিঙৰ নামত কাৰোবাক মানসিকভাৱে অপদস্থ কৰাৰ কাৰো অধিকাৰ নাই বুলি ভাস্বতীয়ে যাৰ বাবে যুক্তি দাঙি ধৰিছিল, সেই ছোৱালীজনীয়ে আছিল **ৰঞ্জনা (অঞ্জনা)** দলে। তাইৰ এটা চকু কেৰা বাবেই ছিনিয়ৰ ছোৱালীবোৰে তাইক উপলুঙা কৰিছিল। এই অন্যায় সহ্য কৰিব নোৱাৰি ভাস্বতীয়ে ছিনিয়ৰৰ লগত কাজিয়া কৰিছিল।

**ঔপন্যাসিকে 'অঞ্জনা'ৰ চৰিত্ৰটিৰ জৰিয়তে পুৰুষ জাতিৰ মিঠা কথাৰ জালিয়াতিত ভোল গৈ এগৰাকী নাৰীয়ে কিদৰে নিজৰ জীৱনলৈ ভয়াৱহ বিপদ কঢ়িয়াই আনিব লগা হয় সেই কথা ব্যক্ত কৰিছে।**

অঞ্জনাই কলেজত ভৰি দিওঁতেই এবছৰৰ অগা-পিছাকৈ মাক-দেউতাক দুয়োজন ঢুকোৱাত বাইদেৱেকে তাইৰ পঢ়াৰ দায়িত্ব লয়। তাইৰ চকু এটা কেৰা বাবেই সৰুৰেপৰা সকলোৱে ইতিকিঙৰ পাত্ৰ হৈ আহিছে। কিন্তু নাৰী হিচাপে অঞ্জনায়ো বিচাৰে তাইৰো ৰূপৰ প্ৰশংসা কোনোবাই কৰক। তাইৰ সমবয়সীয়া আন ছোৱালীবোৰৰ দৰেই তায়ো থাকিব বিচাৰে। কিন্তু ঘৰৰ দাপোণখনেও যেন তাইক উপলুঙা কৰে। তাই হীনমন্যতাত ভুগি কেতিয়াবা আইনাখন মনে মনে ভাঙি পেলাইছে, কেতিয়াবা আকৌ ঘৰৰ বগী ধুনীয়া গাইগৰুজনীৰ চকু দুটা সকলোৱে ধুনীয়া বুলি কোৱাৰ বাবেই চকুত জলকীয়া লগাই দিছে। তাই হতাশাত ভুগি নিজকে যতদূৰ সম্ভৱ মানুহৰ পৰা নিলগাই ৰাখে। কিন্তু বায়েকৰ ঘৰত ভিনিহিয়েকৰ সম্পৰ্কীয় বেংকত কৰ্মৰত মানুহ এজনে তাইৰ মনত নতুন আৱেগৰ সৃষ্টি কৰে। অঞ্জনাই এইজন ব্যক্তিৰ সান্নিধ্যলৈ আহি নিজৰ সৰ্বস্ব সঁপি দি কিদৰে গৰ্ভৱতী হৈ নিজৰ জীৱনলৈ বিপদ নমাই আনিলে এই কথা উপন্যাসখনিত বৰ্ণিত হৈছে।

অঞ্জনাই সৰুৰেপৰা পোৱা মানসিক সংঘাত, নিজৰ ভালপোৱা ব্যক্তিজনৰ সৈতে সাংসাৰিক জীৱন-যাপনৰ স্বপ্ন আৰু স্বপ্নভংগৰ বেদনাই ভাস্বতীৰ অন্তৰত গভীৰ সমবেদনাৰ উদ্ৰেক কৰিছে। মিঠা কথাৰ পয়োভৰ আৰু তাৰ আধাৰত লুকাই থকা মানুহৰ স্বাৰ্থপৰ আৰু ঠগবাজ মনোবৃত্তিয়ে এজনী সৎ আৰু সহজ-সৰল ছোৱালীৰ জীৱন কেনেদৰে ধ্বংস কৰিব পাৰে অঞ্জনা যেন তাৰেই জ্বলন্ত সাক্ষী। অঞ্জনাই যেতিয়ালৈকে সেই ধূৰ্ত মানুহজনৰ আচল চেহেৰা ধৰা পেলাইছিল, তেতিয়ালৈকে সেইজন তাই থকা ঠাইৰ পৰা দূৰ হৈ গৈছে আৰু অফিচৰ সহকৰ্মীৰ হাতত তাইক দিবলৈ দি থৈ গৈছে দুহেজাৰ টকাৰ এখন চেক। তাইৰ মন ভুলাই ৰখাৰ নানান প্ৰশংসা কৰি এনেদৰে বিপদত পেলাই অৱশেষত সহকৰ্মীৰ হাতত ইয়াৰ মূল্য দি পলায়ন কৰা 'আদিত্য' নামৰ মানুহজনৰ প্ৰতি তাই ক্ষুব্ধ হৈ উঠিছে—

> "মোৰ প্ৰেম, মোৰ বিশ্বাস, মোৰ মান-অপমান, এইবোৰ এই মানুহটোৰ বাবে ইমান মূল্যহীন আছিল! মোৰ শৰীৰটো উপভোগ কৰাৰ কৃতজ্ঞতা স্বৰূপেও যদি চেকখন আৰু নামবিহীন পৰামৰ্শকেইটা নিদিলেহেঁতেন মই কাপুৰুষ বুলি ক্ষমা কৰি দিলোঁহেঁতেন তেওঁক। কিন্তু এয়া যে মোৰ জীৱন ধ্বংস কৰি তেওঁ কৰা ইতিকিং পত্ৰ। মোক যৌনতাৰ অভিজ্ঞতা দি যেন ধন্য কৰি দিলে।

মই মোৰ যৌন অভিজ্ঞতাৰ বাবে যেন তেওঁৰ বাবে অপেক্ষা কৰিছিলো,

ইমান অপমান কেনেকৈ সহ্য কৰো ভাস্বতী!”[১৭]

ভাস্বতীৰ বুজনিত সৈমান হৈ আদিত্য নামৰ ধূৰ্ত পিশাচটোৰ কালিমা গুচাবলৈ চিকিৎসকৰ ওচৰলৈ যাওঁতেও অঞ্জনা পুনৰ ধৰ্ষণৰ বলি হৈছে। এজনী ছোৱালীৰ চূড়ান্ত অসহায় অৱস্থাতো চিকিৎসাবিদ্যাৰ দৰে মহান বৃত্তিত জড়িত হৈ থকা মানুহো কিদৰে নৰখাদক হৈ পৰিব পাৰে এই কথা চিকিৎসকজনৰ কুটিল মনোবৃত্তি আৰু কাৰুকাৰ্যৰ দ্বাৰা জানিব পাৰি। এই অনাকাংক্ষিত পৰিস্থিতিত পৰি তাই দানৱৰূপী চিকিৎসকজনৰ ওচৰত আত্মসমৰ্পণ কৰিব লগা হৈছে। ঔপন্যাসিকে এই চৰিত্ৰটিৰ জৰিয়তে সমাজৰ যি স্বাৰ্থপৰ, কুটিল মানৱ জীৱনৰ পৰিচয় উন্মুক্ত কৰিছে, সেই সমাজ তথা স্বাৰ্থপৰ মানুহৰ স্বভাৱ সম্পৰ্কে সচেতন হোৱাৰ প্ৰয়োজন আছে। অঞ্জনাই আদিত্যৰ চকুত তাইৰ প্ৰতি প্ৰেম দেখিছিল। যাৰ বাবে তাই ভয়ানক দিনৰ সন্মুখীন হ’ল। কিন্তু এগৰাকী নাৰী হিচাপে পুৰুষৰ চকুত সুন্দৰ দেখিবলৈ বিচৰাতো নাৰীৰ স্বাভাৱিক ধৰ্ম। এইখিনিত তাইৰ ভুল হোৱা বুলি ক’ব নোৱাৰি। কিন্তু যি কাঁইটীয়া বাট তাই পৰৱৰ্তী সময়ত পাৰ কৰিবলগীয়া হ’ল— এইখিনি সঁচাকৈয়ে দুৰ্ভাগ্যজনক।

ইমানখিনি হৈ যোৱাৰ পিছতো ভাস্বতীৰ আগত অকপটে সকলো কথা স্বীকাৰ কৰা আৰু এই সমস্যাৰ সমাধানৰ পথ বিচৰা অঞ্জনাৰ সাহস কিন্তু কম নহয়। যদিওবা তাই তাইৰ প্ৰেমিকৰূপী পিশাচটোক আৰু লগ পোৱা নাই, তাই তাৰ পাপৰ ভাগী নহ’বলৈ অতি সাহসেৰে গৰ্ভস্থ সন্তানটোক গৰ্ভতে মাৰি পেলাইছে। আদিত্যক লৈ অঞ্জনাই যি মধুময় জীৱনৰ সপোন ৰচিছিল সেই সপোনবোৰ বাস্তৱত পৰিণত কৰাৰ পৰিৱৰ্তে স্বপ্নভংগৰ বেদনালৈ পৰ্যবসিত কৰিলে। তথাপি তাই হাৰ মনা নাই। পৰিস্থিতিৰে সৈতে যুঁজি নিজক সমাজৰ মাজত সুস্থভাৱে জীয়াই থাকিবলৈ যোগ্য কৰি ৰাখিছে। আদিত্যৰ ছলনাত তাই ইমানেই ৰূঢ় বাস্তৱৰ সন্মুখীন হৈছিল যে এবৰছৰ কৰি দিয়া ডাক্তৰজনৰ বলাৎকাৰৰ বলি হোৱাৰ কথা ভাস্বতীক কওঁতে তাইৰ মুখখন প্ৰতিক্ৰিয়াবিহীন নিৰ্জীৱ শিলাখণ্ডৰ দৰে গহীন আৰু নীৰৱ হৈ পৰিছিল। তাইৰ লগত ঘটি যোৱা ইমান ডাঙৰ দুৰ্ঘটনাটোৱে তাইক ইমানখিনি সহ্য কৰিব পৰাকৈ সহনশীল কৰি তুলিছিল। নাৰীসত্তাৰ চেতনাৰে সমৃদ্ধ হৈ পলৰীয়া প্ৰেমিকৰ শেষ চিনকনো নষ্ট কৰি তাই স্বাৰ্থপৰ মানুহৰ প্ৰতি নীৰৱ প্ৰতিবাদ ঘোষণা কৰিছে। তাই আশাহত হৈছে যদিও জীৱনৰ চৰমপন্থা নলৈ পৰিস্থিতিৰ সৈতে মোকাবিলা কৰি

নিজৰ পঢ়া-শুনাত মনোনিবেশ কৰিছে। এগৰাকী বিশ/একৈশ বছৰীয়া যুৱতীৰ এয়া এক শক্তিশালী মনৰেই বহিঃপ্ৰকাশ।

**'ভাস্বতী'ৰ চৰিত্ৰৰ জৰিয়তে প্ৰতিফলিত নাৰীচেতনা ঃ**

**'নাহৰৰ নিৰিবিলি ছাঁ'** নামৰ উপন্যাসখনৰ আটাইবোৰ চৰিত্ৰৰ মাজত সবাতোকৈ আকৰ্ষণীয় আৰু সকলোৰে অন্তৰ স্পৰ্শ কৰা নাৰী চৰিত্ৰটো হ'ল 'ভাস্বতী'। এই উপন্যাসখনিৰ প্ৰতিটো চৰিত্ৰকে ঔপন্যাসিকে বাস্তৱ মানুহৰ দৰে প্ৰত্যয়শীল, গতিশীল আৰু জীৱন্ত ৰূপত গঢ় দিছে। উপন্যাসৰ শিল্পগুণেৰে সমৃদ্ধ এই উপন্যাসখনিত কেন্দ্ৰীয় চৰিত্ৰ ৰূপে ভাস্বতীক অংকন কৰা হৈছে।

সভ্যতা-সংস্কৃতিৰে জীপাল, গাঁৱলীয়া সমাজত জন্ম আৰু ডাঙৰ-দীঘল হোৱা ভাস্বতী এজনী সু-সংস্কৃতিৱান আৰু মাৰ্জিত মনৰ ছোৱালী। উপন্যাসখনিত অৱশ্যে এই চৰিত্ৰটি ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ এম. এ. পঢ়িবলৈ অহা সময়ৰ পৰাহে চিত্ৰিত হৈছে। তথাপি ঔপন্যাসিকে য'তে সুৰুঙা পাইছে ত'তেই তাই ইয়ালৈ অহাৰ পূৰ্বে সন্মুখীন হোৱা নানা ঘটনা-পৰিঘটনাৰ সমাৱেশ ঘটাইছে।

'ভাস্বতী'ৰ সম্পূৰ্ণ নাম ভাস্বতী চলিহা। তাইৰ ঘৰ গোলাঘাটত। ভাস্বতীৰ ককায়েক দূৰৈত চাকৰি কৰাৰ বাবে তাই আৰু ভনীয়েকেই ল'ৰা-ছোৱালীৰ পাৰ্থক্য নাৰাখি ঘৰত নিত্য-নৈমিত্তিক সকলো কাম সম্পন্ন কৰে বুলি ৱাৰ্ডেনক জনাইছে। ভাস্বতীৰ কথাৰ পৰাই গম পোৱা যায় যে সিহঁতৰ ঘৰখনত ল'ৰা-ছোৱালী বুলি কোনো পাৰ্থক্য নাই।

**এই 'ভাস্বতী' চৰিত্ৰক ঔপন্যাসিকে মৰমিয়াল, সহানুভূতিশীল, সহনশীল, ধৈৰ্যশীল আৰু মমতাময়ী এই আটাইকেইটা দিশতে উজ্জ্বল কৰি তুলিছে।** ইয়াৰ উপৰি তাই যেন বয়সতকৈ অধিক বুজন— এই কথাও উপন্যাসখনিত দেখা দিয়া বিভিন্ন চৰিত্ৰৰ জীৱনত সংঘটিত হোৱা সমস্যাবোৰৰ সমাধান সূত্ৰ নিৰূপণ কৰাত তাই আগভাগ লোৱাৰপৰা অনুধাৱন কৰিব পাৰি।

নিজ পিতৃ-মাতৃৰ প্ৰতি শ্ৰদ্ধা, ভক্তি আৰু মৰম প্ৰত্যেক নাৰীৰে থাকে। সেয়েহে অসুস্থ পিতৃ-মাতৃক ভনীয়েকৰ হাতত সঁপি তাই পঢ়িবলৈ ডিব্ৰুগড়লৈ আহোঁতে তাইৰ বুকুখন বেদনাত ভাগি-ছিগি গৈছে।

ডিব্ৰুগড়লৈ আহি তাই সহপাঠী গায়ত্ৰীৰ সম্পৰ্কীয় দাদাক 'উদ্দীপ্ত'ক লগ পাইছে। কোনো নীৰল ক্ষণত তাই আত্মকথনত লিপ্ত হৈছে। তাই চিন্তা কৰিছে তাই বাৰু উদ্দীপ্তৰ প্ৰেমত পৰিছে নেকি? নাইবা উদ্দীপ্ত তাইৰ প্ৰেমত! এয়া যৌৱনোচ্ছল নাৰী এগৰাকী জীৱনত সহজাতভাৱেই সৃষ্টি হোৱা প্ৰেম। বিপৰীত লিংগৰ প্ৰতি স্বাভাৱিক আকৰ্ষণ। কিন্তু তাইৰ জীৱনত 'প্ৰদ্যুত' নামৰ এজন অন্তৰংগ বন্ধু আছে— যাক হয়তো তাই বন্ধুত্বতকৈ অলপ বেছি এখন সুকীয়া আসন দি থৈছে। উপন্যাসখনিত অন্যান্য পুৰুষ চৰিত্ৰবোৰে যিদৰে মুখ্য স্থান পোৱা নাই, সেইদৰে প্ৰদ্যুতেও পোৱা নাই। কিন্তু উপন্যাসখনিৰ শেষৰফালে গায়ত্ৰীয়ে উদ্দীপ্তৰ বিবাহৰ প্ৰস্তাৱ ভাস্বতীক দিবলৈ আহোঁতে তাই যে ইতিমধ্যে প্ৰদ্যুতক কথা দিছে এই কথা ব্যক্ত কৰিছে। ঔপন্যাসিকে ভাস্বতী-প্ৰদ্যুতৰ প্ৰেমৰ বৰ্ণনাও বিস্তৃতভাৱে উপন্যাসখনত দাঙি ধৰা নাই। মাজে মাজে দুই-এটা কথাৰ অৱতাৰণা কৰি কেৱল তেওঁলোকৰ প্ৰেমৰ গভীৰতাক চিত্ৰায়িত কৰিছে।

> "এই প্ৰদ্যুতৰ যোৱা তিনি মাহে খবৰ নাপাই তাই কিয় ইমান হতাশাত ভুগিছে! প্ৰদ্যুতৰো এনেকুৱা হৈছেনে? নিশ্চয় নাই হোৱা। হোৱা হ'লে যেনে তেনে এবাৰ আহিলহেঁতেন। ভাস্বতীৰ বুকুখন গধুৰ হৈ আহিল।"[১৮]

ঔপন্যাসিকে এনে কথাৰ অৱতাৰণা কৰি এগৰাকী নাৰীৰ পুৰুষৰ প্ৰতি থকা প্ৰেমৰ টানৰ কথা প্ৰতিফলিত কৰিছে।

**ভাস্বতী নাৰীৰ স্বাভাৱিক মানৱীয় অনুভূতিৰে সিক্ত।** হোষ্টেলৰ ছিনিয়ৰে ৰেগিঙৰ নামত সহপাঠী ৰঞ্জনা দলে (অঞ্জনা দলে)ক ঠাট্টা-মস্কৰা কৰোঁতে তাই সহ্য কৰিব পৰা নাই। ৰঞ্জনাৰ কেৰা চকুক লৈ ছিনিয়ৰে কৰা টুলুঙা মন্তব্যৰ ভাস্বতীয়ে প্ৰতিবাদ কৰিছে। তাইৰ মতে সকলো সহ্য কৰিব পাৰি, কিন্তু দৈহিক বৈসাদৃশ্য, সৃষ্টিৰ বিসংগতি লৈ জন্মগ্ৰহণ কৰা দুৰ্ভগীয়াক কোনোবাই ঠাট্টা-মস্কৰা কৰিব, এয়া সহ্য কৰি থকাটোও গৰ্হিত কাম। সেয়েহে তাই ছিনিয়ৰৰ লগত প্ৰতিবাদ আৰু তৰ্ক-বিতৰ্কত লিপ্ত হৈছে।

"আপোনাৰ যদি চকু এটা ৰঞ্জনাৰ দৰে হ'লহেঁতেন, আপোনাক লৈ হোৱা ঠাট্টা-মস্কৰা আপুনি হজম কৰিলেহেঁতেননে? এই ছোৱালীজনীৰ চকুটোক লৈ, চেহেৰাক লৈ মস্কৰা কৰিবলৈ আপোনালোকৰ অন্তৰত এবাৰো বাধা নাহিল! ধেমালি-ফূৰ্তি আমিও কৰোঁ বাবেই ৰেগিঙৰ নামত

হোৱা এই অত্যাচাৰবোৰ আমি মানিছো সহজভাৱে। ফূৰ্তি আমি পোৱা নাই, আপোনালোকক দিছোঁ। কিন্তু অমানৱীয় ফূৰ্তি হ'বলৈও নিদিওঁ আৰু সমভাগীও নহওঁ।”

ভাস্বতীৰ এনে বক্তব্যৰ পৰা তাইৰ মানৱীয় অনুভূতিশীল শক্তিশালী নাৰীসত্তাৰ উমান পাব পাৰি। এই ৰঞ্জনা (পৰৱৰ্তী সময়ত ঔপন্যাসিকে 'অঞ্জনা' বুলি নামাংকিত কৰিছে) যেতিয়া প্ৰেমিকৰ চূড়ান্ত প্ৰতাৰণাৰ বলি হৈছে, তেতিয়াও তাই ৰঞ্জনাৰ কাষত থিয় হৈছে। নিজৰ ডিঙিৰ সোণৰ চেইনডাল বন্ধকত দি গৰ্ভস্থ সন্তানক গৰ্ভতে শেষ কৰি প্ৰতাৰক আৰু ভণ্ড প্ৰেমিকৰ শেষ চিনকণো নাইকিয়া কৰি দিবলৈ ৰঞ্জনা (অঞ্জনা)ক সাহস যতনাইছে।

ভাস্বতীৰ মানৱীয় অনুভূতিশীল নাৰীসত্তাৰ লগত পুনৰ সন্মুখীন হোৱা যায় বন্ধু অভিৰঞ্জনৰ অকাল মৃত্যুৰ খবৰত। তাৰ মৃত্যুৰ খবৰে তাইক বোবা কৰি পেলাইছে। সেয়েহে অভিৰঞ্জনৰ মৃত্যুত পতা শোকসভাত তাই অংশগ্ৰহণ কৰিব পৰা নাই। ইয়াৰ উপৰি হোষ্টেলৰ এজনী কুকুৰৰ মৃত্যুত তাইৰ পোৱালি 'জিমি'ৰ কাৰণে সকলো ছোৱালী আৰু আনকি ৱাৰ্ডেনৰ লগতো বাক্-বিতণ্ডাত জড়িত হোৱা ভাস্বতীক ঔপন্যাসিকে তেজ-মঙহেৰে তৈয়াৰী এক নাৰীমূৰ্তি কৰি গঢ়ি তুলিছে। মাক কুকুৰজনীৰ মৃত্যুৰ পিছত জিমিক প্ৰতিপাল কৰাত তাই ইমানেই ব্যস্ত হ'ল যে মাতৃত্বৰ আৱৰণেৰে তাই তাক সাবটি ৰাখিব খুজিলে। নিজৰ পঢ়া-শুনা বিসৰ্জন দি কুকুৰ পোৱালিটোক লৈ সময় কটোৱাৰ বাবে আনকি তাই দুটা বিষয়ত পাছ নম্বৰকেটাও গোটাব নোৱাৰিলে। নাৰীৰ নিজ সন্তানৰ প্ৰতি থকা মমতাময়ী ৰূপটোৰ কথা ঔপন্যাসিকে ভাস্বতীৰ চৰিত্ৰত প্ৰকাশ কৰিছে।

পৰৱৰ্তী সময়ত সহপাঠী নন্দিনী দলে আৰু তেওঁৰ স্বামী বসন্ত দলৰ মাজত বিবাহৰ পিছত হোৱা নানানটা সমস্যা আৰু নন্দিনীৰ সন্মতিৰ অবিহনে বসন্তই প্ৰতিদিনেই নন্দিনীক ৰেপ কৰা কথা গম পাই বিবাহৰ বান্ধোন ছিঙি ওলাই আহিবলৈ তাই নন্দিনীক আহ্বান জনাইছে।

> “পুৰুষ ইমান স্বাৰ্থপৰ কিয়? ভাস্বতীৰ ভাব হ'ল, আমাৰ সমাজত ভিন্ ভিন্ ৰূপত বিবাহিতা নাৰী দাসীৰ বাহিৰে একো নহয়। নাৰীৰ কোনো ধৰ্ম নাই, জাত নাই, একমাত্ৰ এটাই সংজ্ঞা দাসী। হিন্দু-মুছলমান, খ্ৰীষ্টান, বৌদ্ধ, জৈন সকলো সম্প্ৰদায়ৰ নাৰীৰ সমস্যা এটা পৰিধিত বিলীন হৈ যায়। বিবাহপাশত পুৰুষ কেতিয়াও বন্দী নহয়, বন্দী হয় নাৰী। চাৰ্কাছৰ বাঘিণীৰ দৰে বিবাহিতা নাৰী। আমৃত্যু সংসাৰ চাৰ্কাছত খেল দেখুৱাই হাত চাপৰি বুটলিব পাৰিলেহে

হ'ব পাৰি আদৰ্শ পত্নী বা বোৱাৰী। ভাস্বতীয়ে নন্দিনীক হঠাতে কৈ পেলালে

— নন্দিনী, তোমাৰ সন্মুখত দীঘল খোলা ৰাস্তা। তুমি ওলাই আহা— বসন্তক এৰি তুমি ওলাই আহা।"[১৯]

**ভাস্বতী মূলতঃ মননশীলতাৰ এক মূৰ্ত প্ৰতীক। বিশ্ববিদ্যালয়ত থকা সময়ছোৱাত বিভিন্ন পৰিস্থিতিৰে সৈতে তাই সাহসেৰে আৰু দৃঢ়তাৰে মুখামুখি হৈছে।** পৃথিৱীত নাৰী-পুৰুষ প্ৰত্যেকৰে স্বকীয় সত্তা আছে। কিন্তু দেখা যায় বিশ্বায়ন বা আধুনিকীকৰণ যিটো দিশেৰেই পৃথিৱীখন আগবাঢ়ি নাযাওক লাগিলে আমি এতিয়াও এনে এখন সমাজত বসবাস কৰি আছোঁ, য'ত পুৰুষৰ প্ৰাধান্যই সৰ্বাধিক। এই সমাজত নাৰীৰ আৱেগ-অনুভূতিক কোনেও মূল্য দিব নোখোজে। ইয়াত নাৰী কেৱল পুৰুষৰ দৈহিক কামনা চৰিতাৰ্থ কৰা আৰু সন্তান জন্ম দিয়াৰ এক মাধ্যম মাথোন। পুৰুষতান্ত্ৰিক এই সমাজখনে নাৰীৰ ব্যক্তি স্বাধীনতাক কোনোদিনেই মূল্য দিয়াৰ প্ৰয়োজনবোধ কৰা নাই। কিন্তু সদায় নাৰীয়ে যদি প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হৈও নিশ্চুপ হৈ ৰয়, তেন্তে 'বসন্ত'ৰ দৰে স্বামীবিলাকৰ হাতত 'নন্দিনী'ৰ দৰে পত্নীবিলাক সদায় ধৰ্ষিতা হৈয়ে ৰ'ব লাগিব। সেয়েহে ভাস্বতীয়ে বসন্তৰ লগত বান্ধোন ছিঙি নন্দিনীক মুকলি হৈ আহিবলৈ আহ্বান জনাইছে। নাৰীৰ ইচ্ছা-অনিচ্ছাক গুৰুত্ব নিদি কেৱল নিজৰ স্বাৰ্থসিদ্ধিত ধ্যান ৰখা এচাম পতিৰ প্ৰতি ঔপন্যাসিকে প্ৰতিবাদ কৰি উঠিছে। ভাস্বতীয়ে নিজস্ব নাৰীচেতনা জাগ্ৰত কৰি নন্দিনীক মুক্ত মনেৰে স্বাধীনচিতীয়া জীৱনৰ অংশীদাৰ হ'বলৈ অনুৰোধ কৰিছে।

**ভাস্বতীৰ চৰিত্ৰত ঔপন্যাসিকে সংস্কাৰকামী ভাৰতীয় নাৰীৰ প্ৰতিচ্ছবিও প্ৰতিধ্বনিত কৰিছে।** তাইৰ সৈতে একে হোষ্টেলৰ আৱাসী আৰু একে বিভাগৰে সহপাঠী 'ৰশ্মি'য়ে কিতাপ কিনাৰ অজুহাতত যেতিয়া চহৰৰ ভগা-ছিগা হলত প্ৰাপ্তবয়স্কৰ বাবে লগোৱা চিনেমা উপভোগ কৰা বুলি গম পাইছে তাই আশ্চৰ্য প্ৰকাশ কৰিছে। ৰশ্মিয়ে যিহেতুকে পেহীয়েক সাধাৰণ মহৰী এজনৰ লগতে পলোৱাৰ পৰা পিতৃ-মাতৃৰ মনত বিশ্বাসযোগ্য নোহোৱা বুলি কৈছে, তেতিয়া ভাস্বতীয়ে ৰশ্মিৰ পিতৃ-মাতৃৰ হেৰুৱা বিশ্বাস ঘূৰাই আনিবলৈ এইটোৱেই ৰশ্মিৰ বাবে সুৱৰ্ণ সুযোগ বুলি কৈছে। কাৰণ ঘৰৰপৰা দূৰৈত থকা হোষ্টেলত শাসনৰ হাতোৰাৰে ধৰি ৰাখিবলৈ ইয়াত কোনো নাই।

ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত 'ৰক্সি' নামৰ পুৰণা ভগা-ছিগা হলটোত ৰশ্মিৰ কথামতে প্ৰাপ্তবয়স্ক

চিনেমা 'ভাৰ্জিনিয়ান গাৰ্লছ' চাবলৈ গৈ ইয়াৰ পৰিৱেশ-পৰিস্থিতি আৰু মানুহৰ অশ্লীল কথা-বতৰাই ভাস্বতীক ব্যতিব্যস্ত কৰি তুলিছে। কি কাৰণত যে তাই ৰশ্মিৰ কথা শুনি এইধৰণৰ চিনেমা চাবলৈ আহিল, সেয়া ভাবি অনুশোচনাত দগ্ধ হ'বলৈ ধৰিছে। সঁচা কথা ক'বলৈ গ'লে ভাস্বতী এনেধৰণৰ পৰিৱেশত, এই ধৰণৰ চিনেমা হল এটাত হোষ্টেলৰ নিয়ম ভাঙি প্ৰাপ্তবয়স্কৰ ছবি চোৱাৰ বাবে কেতিয়াও প্ৰস্তুত নহয়। ভাস্বতীয়ে নিজৰ ওপৰতে গ্লানি অনুভৱ কৰিছে। **সৰুৰেপৰা ঘৰুৱা পৰিৱেশত নাৰীক যি সংস্কাৰ দিয়া হয়, সেই সংস্কাৰৰে প্ৰতিফলন ঘটিছে ভাস্বতীৰ চৰিত্ৰত।**

ভাস্বতী অতি সাহসী ছোৱালী। সেয়েহে 'ৰঞ্জিত' নামৰ প্ৰেমিকৰ প্ৰতাৰণাৰ বাবে 'তৰালি'ৰ দৰে ছোৱালীয়ে সু-উচ্চ চাৰিমহলীয়া অট্টালিকাৰ পৰা জঁপিয়াই মৃত্যুক আঁকোৱালি ল'ব খোজা দেখি তাই নিৰ্মমভাৱে চাৰিটা পূৰ্ণহতীয়া চৰ তৰালিৰ গালত বহুৱাই দিছে। তৰালি নিৰ্ঘাত মৃত্যুৰ পৰা ৰক্ষা পৰিল। সেই তৰালি এমাহৰ পিছতে স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিছিল।

ভাস্বতীয়ে অসুখীয়া মেট্ৰ'ন বাইদেউৰ নিৰুদ্দিষ্ট প্ৰেমিকৰ কাপোৰৰ টুকুৰাও তেওঁৰ অনুৰোধ মৰ্মে ব্ৰহ্মপুত্ৰত উটুৱাই দিছে। এয়া ভাস্বতীৰ আৱেগপ্ৰৱণ মনৰে পৰিচায়ক।

হোষ্টেলৰ ৱাৰ্ডেন কিছু কঠোৰ হোৱাটোৱেই স্বাভাৱিক। নহ'লে ইমানবোৰ ছোৱালীক নিয়ন্ত্ৰণ কৰি ৰখাটো সম্ভৱ নহ'ব। ভাস্বতী বা হোষ্টেলৰ কোনো ছোৱালীয়েই ৱাৰ্ডেনৰ মুখত কোনোদিন হাঁহি দেখা পোৱা নাই। সেয়েহে ছোৱালীবোৰৰ মনত তেওঁক লৈ অপাৰ কৌতূহল—

> "কঠোৰ চেহেৰাৰ ৱাৰ্ডেনক দেখিলে ভাব হয়, মানুহ গৰাকীৰ জীৱনৰ অভিধানত কোনো দিন ফুল, তৰা, বৰষুণৰ স্পৰ্শ নপৰিল। শিলাময় পাহাৰ ৰুক্ষ মৰুভূমি আৰু প্ৰখৰ ৰ'দেৰে গঢ়া তেওঁৰ জীৱনৰ বাট। কিন্তু তেওঁ মাজে মাজে হাঁহিলে কংক্ৰীটৰ দৈত্য যেন হোষ্টেলটোৱেও হাঁহে। এদিন ভাস্বতীয়ে ৱাৰ্ডেনক কৈ পেলাইছিল- বাইদেউ কেতিয়াবা এইদৰে হাঁহিবচোন, আমাৰো ভাল লাগে আৰু আপোনাকো ধুনীয়া দেখি।"[২০]

হাঁহি আচলতে সুখৰ পৰিচায়ক। সেয়েহে ৱাৰ্ডেনৰ মুখত কেতিয়াবা নহয় কেতিয়াবা এবাৰ হ'লেও এটা মৰমৰ হাঁহি ভাস্বতীহঁতে আশা কৰাটোৱেই স্বাভাৱিক। হাঁহি নাৰীৰ ভূষণ। সেয়েহে ঔপন্যাসিকে ৱাৰ্ডেনৰ কঠোৰ চৰিত্ৰৰ মাজত অকণমান হাঁহিৰ ৰেঙনি চাবলৈ বিচাৰিছে।

**বিশ্ববিদ্যালয়ত থকা সময়ছোৱাত ভাস্বতীয়ে বহু অভিজ্ঞতা তথা নানান ঘটনাৰ লগত সন্মুখীন হৈছে। ইয়াৰে কিছুমান অভিজ্ঞতা সুখৰ আৰু কিছুমান দুখৰ।** তথাপি তাই যতদূৰ সম্ভৱ সকলো ক্ষেত্ৰতে সকলোকে সহায়-সহযোগিতা আগবঢ়াইছে। দৰাচলতে ভাস্বতীয়ে সকলোৰে লগত এক বন্ধুত্বপূৰ্ণ সম্পৰ্ক বজাই ৰাখিবলৈ সক্ষম হোৱাৰ কাৰণেই প্ৰত্যেকেই ব্যক্তিগত সমস্যাৰাজি ভাস্বতীৰ আগত ব্যক্ত কৰি কিছু হ'লেও সকাহ পাইছিল। হোষ্টেলত ভৰি দিয়াৰ দিন ধৰি ৱাৰ্ডেনৰ লগত খুত্-খাত্ লাগি থাকিলেও তাই দায়িত্বশীল আৰু কৰ্তব্যপৰায়ণ তথা সহ্যকাৰী গুণৰ বাবেই হোষ্টেলৰ প্ৰিফেক্টৰ দৰে গধুৰ দায়িত্ব ভাস্বতীক ৱাৰ্ডেনে প্ৰদান কৰিছে আৰু তায়ো খুব নিয়াৰিকৈ নিজৰ কাৰ্যকাল দক্ষতাৰে পৰিচালনা কৰিছে।

**ঔপন্যাসিকে 'নাহৰৰ নিৰিবিলি ছাঁ'ত চিত্ৰিত বহুবোৰ চৰিত্ৰৰ মাজত উপন্যাসখনৰ নায়িকা ভাস্বতীক সবাতোকৈ উজ্জ্বল আৰু হৃদয়স্পৰ্শী ৰূপত অংকন কৰিছে। ঔপন্যাসিকে এই চৰিত্ৰটিত এনে এক মহিমামণ্ডিত ব্যাপ্তি প্ৰদান কৰিবলৈ সমৰ্থ হৈছে যে অসমীয়া উপন্যাস সাহিত্যত 'ভাস্বতী' আপোন গৌৰৱেৰে উজলি আছে।**

**'মেৰেং উপন্যাসত প্ৰতিফলিত নাৰীচেতনা**

**এডিনবৰা বিশ্ববিদ্যালয়ৰ শিক্ষাৰে শিক্ষিত বিদুষী নাৰী ইন্দিৰা মিৰিৰ জীৱনৰ কাহিনীৰে অনুৰাধা শৰ্মা পূজাৰীয়ে 'মেৰেং' নামৰ উপন্যাসখন ৰচনা কৰিছে।** নৰ্থ ইষ্ট ফ্ৰণ্টিয়াৰ এজেন্সী (NEFA) অসমৰ অংগ ৰূপে থকাৰ সময়ত আজিৰ পৰা প্ৰায় ৬০-৭০ বছৰ পূৰ্বত ইন্দিৰা মিৰিয়ে অৰুণাচলৰ দুৰ্গম অঞ্চলত শিক্ষাৰ পোহৰ বিলাবলৈ যিখিনি কৰি থৈ গ'ল, সেয়া ইতিহাসত খোদিত হৈ ৰৈছে।

> "Padma Shri Indira Miri was a born educationist from Assam. She as a women stood tall in all the odd in the society at that time and pursue her education till master degree and later pledge to promote education and bring the light of education to the downtrodden people of erstwhile NEFA (North Estern Frontier Agency) living in the dark corner of the region, those who had not trusted the concept of education and

advancement then. Her dream came true within years of her and her team member's hard work. She had a deep passion for her profession and more than that she was a visionary and a change maker. She was a legendary women and her tales should echo in everyone's ear so that she may motivates the generation with her passionate social mission in the field of education, especially the women's because still we have far to reach in gender equality in our society."[২১]

স্বাধীনতাৰ পূৰ্বৰ সময়ছোৱাত অসমত কোনো কোনো লোকৰ নাৰী সম্পৰ্কে থকা পুৰণিকলীয়া ধ্যান-ধাৰণাৰ পৰিৱৰ্তন হ'বলৈ ধৰিলে। অভিভাৱকসকলে নিজ ইচ্ছামতে তেওঁলোকৰ ছোৱালীবিলাকক বিদ্যালয়-মহাবিদ্যালয়লৈ শিক্ষা আহৰণৰ বাবে প্ৰেৰণ কৰিবলৈ আৰম্ভ কৰিলে। লাহে লাহে এনে সুবিধা পোৱা নাৰীসকলে চাকৰি পাবলৈকো সক্ষম হ'ল আৰু নাৰীসকলে স্বাধীনতাৰ বাটত আৰু এঢাপ আগুৱাই গ'ল। বিদ্বান আৰু দূৰদৰ্শী পিতৃ সোণাধৰ সেনাপতিয়ে জীয়ৰী ইন্দিৰাক উচ্চ শিক্ষাৰে শিক্ষিত কৰি তোলাৰ পণ হাতত লৈয়ে কলিকতালৈ উচ্চ শিক্ষা লাভ কৰিবলৈ পঠিয়াইছিল। এই ইন্দিৰাৰ কাহিনীক লৈয়ে ঔপন্যাসিক অনুৰাধা শৰ্মা পূজাৰীয়ে 'মেৰেং' নামৰ উপন্যাসখন ৰচনা কৰিছে। **এগৰাকী মহিলা হৈও যে মেৰেং কোনো কাৰণতে পুৰুষতকৈ কম নহয়, নতুবা বৈধব্য জীৱন কটাযো কৰ্মজীৱন আৰু পাৰিবাৰিক জীৱন যে তেওঁ চম্ভালি নিবলৈ সমৰ্থ হৈছিল ইয়াৰ পৰা তেওঁৰ শক্তিশালী ব্যক্তিত্বৰ কথা জানিব পাৰি।**

প্ৰাক্ স্বাধীনতা কালৰ পটভূমিত 'মেৰেং' উপন্যাসখন ৰচিত হৈছে। সেই সময়ত ভাৰতীয় সমাজত নাৰী শিক্ষাৰ সুদূৰপ্ৰসাৰী প্ৰভাৱৰ বিষয়ে নতুনকৈ চিন্তাধাৰাৰ সৃষ্টি হৈছিল। অসমতো নাৰী শিক্ষাৰ ক্ষেত্ৰত নৱজাগৰণৰ উদ্ভৱ হৈছিল। কিন্তু সকলো নাৰীৰ পক্ষে সুচল আৰু সম্ভৱ হোৱা নাছিল। ভাৰতীয় সমাজৰ দৰেই অসমৰ সমাজখনো পুৰুষতান্ত্ৰিক সমাজ। সেয়েহে নাৰীসকলক বহুক্ষেত্ৰত শিক্ষা লাভৰপৰা বঞ্চিত কৰি ৰখা হৈছিল। বহুক্ষেত্ৰত দেখা গৈছিল উচ্চ জাতৰ নাৰীয়েহে শিক্ষাৰ পোহৰ দেখিছিল যদিও শৈশৱতে তেওঁলোকক বিবাহপাশত আবদ্ধ কৰাই দিয়াত সেইখিনিৰো সামৰণি পৰিছিল। কিন্তু তেনে সময়তে নীহ কুলত জন্ম হৈও নিজৰ জীয়ৰী

মেৰেঙক উচ্চ শিক্ষাৰ বাবে কলিকতাৰ বিখ্যাত স্কটিচ চাৰ্চ কলেজত অধ্যয়নৰ বাবে পঠোৱা মেৰেঙৰ পিতৃ সোণাধৰ সেনাপতিৰ পদক্ষেপ প্ৰশংসনীয়। মেৰেঙেও লাহে লাহে অনুমান কৰিব পাৰিছিল যে শিক্ষাই হৈছে মানুহৰ প্ৰধান অলংকাৰ, যিয়ে উচ্চ-নীচৰ অহমিকাক দূৰ কৰিব পাৰে। বিবাহৰ পিছত স্বামী মহীচন্দ্ৰ মিৰিয়ে মেৰেঙৰ শিক্ষা-দীক্ষাৰ মূল্য দি তেওঁক চাকৰি কৰিবলৈ সদায় অনুপ্ৰাণিত কৰি আহিছিল। তিনিটা সন্তান জন্মৰ পিছত এদিন হঠাতে মহীচন্দ্ৰ মিৰিৰ মৃত্যু ঘটাত মেৰেং ভাগি পৰিছিল সঁচা; কিন্তু পিতৃৰ সাহস আৰু অনুপ্ৰেৰণাত তাইৰ পৰিপক্ক মনটোৱে পুনৰ ঠন ধৰি উঠিছিল। বিলাতলৈ গৈ নতুন নতুন কথা শিকিবলৈ সক্ষম হৈছিল। 'নেফা'ত দুৰ্গম এলেকাত শিক্ষাৰ পোহৰ বিলাবলৈ সক্ষম হৈছিল।

ঔপন্যাসিক অনুৰাধা শৰ্মা পূজাৰীয়ে 'মেৰেং' উপন্যাসখন ইতিহাসৰ আধাৰত ৰচনা কৰিছে। তেওঁ উপন্যাসখনিৰ আগকথাত লিখিছে—

> "'মেৰেং' এখন উপন্যাসহে। ইতিহাস অধ্যয়ন কৰি, তথ্যক অৱলম্বন কৰি উপন্যাসখন গঢ়া হৈছে। গতিকে পঢ়ুৱৈয়ে ইন্দিৰা মিৰিৰ জীৱনী বুলি যাতে গ্ৰহণ নকৰি এখন উপন্যাস হিচাপেহে গ্ৰহণ কৰে। কাৰণ, ইন্দিৰা মিৰিৰ দৰে গগনচুম্বী ব্যক্তিত্ব আৰু প্ৰতিভাক সম্পূৰ্ণৰূপে দাঙি ধৰিব পৰা যোগ্যতা আৰু ক্ষমতা মোৰ দৰে নিঃকিন লোকৰ বাবে সম্ভৱপৰ নহয়।"[২২]

উপন্যাসখনিত অনুৰাধা শৰ্মা পূজাৰীয়ে ইন্দিৰা মিৰিৰ জীৱনৰ প্ৰায় আটাইবোৰ দিশেই সামৰিছে যদিও আমাৰ গৱেষণাৰ বিষয়ৰ লগত সংগতি ৰাখি কেৱল নাৰীচেতনাৰ দিশটোকহে আলোচনাৰ আওতালৈ অনা হৈছে।

**'মেৰেং' অৰ্থাৎ 'ইন্দিৰা মিৰি'ৰ চৰিত্ৰত নাৰীচেতনা ঃ**

'মেৰেং' উপন্যাসখনিৰ আৰম্ভণিতে শৈশৱ আৰু কৈশোৰৰ দোমোজাত থকা মেৰেং আৰু বেণুকাইৰ কথা-বতৰা পোৱা যায়। যজমানি কৰা বামুণৰ ঘৰৰ পুৰুষজনে দুই-তিনিজনকৈ তিৰোতা বিয়া কৰাব পাৰে অথচ নিজৰ ফুলকুমলীয়া ছোৱালীজনী বিধৱা হোৱাৰ কাৰণে তাইৰ দাঁতকিটা ক'লা কৰি কুৰূপা কৰি পেলাইছে। মেৰেঙৰ কণমানী মনটোৱে এয়া সহ্য কৰিব পৰা নাই। ইয়াৰ উপৰি তাইৰ মাকৰ মৃত্যু হোৱাত তাইৰ সৰু ভায়েকক চোৱাচিতা কৰিবলৈ, সিহঁতক মাকৰ মৰম

দিবলৈ দেউতাকে আকৌ বিয়া কৰাব খোজা কথাটোতো তাইৰ মনত প্ৰশ্নৰ উদয় হৈছে। তাই বেণুকাইক প্ৰশ্ন কৰিছে যদি যজমানি বামুণজনৰ তিনিজনী ঘৈণীয়েক থাকিব পাৰে, তেন্তে সৰু বিধৱা ছোৱালীজনীক বিয়া নিদিলে কিয় ? ইমান সৰুতেই নাৰীৰ ওপৰত হোৱা অন্যায়ৰ যেন এক প্ৰতিবাদ গঢ়ি উঠিল। কিন্তু পুৰুষতান্ত্ৰিক সমাজ-ব্যৱস্থাত কাৰ্যক্ষেত্ৰত সেয়া সম্ভৱ হোৱাটোতো ডাঙৰেই কথা, মুখলৈ তেনে কথা অনাটোও সেই সময়ত পাপ বুলি গণ্য কৰা হৈছিল।

মাতৃবিহীন সৰু কেঁচুৱাটোৰে অৰ্থাৎ তাইৰ কণমানী ভায়েকটোৰে কান্দি উঠোতেও তাইৰ নাৰী হৃদয়ে হাহাকাৰ কৰি উঠিছে। তাই ভায়েকক বিছনাৰ পৰা কোলালৈ লৈ নিচুকনি গীত গাই ওমলাবলৈ ধৰিছে। নিচুকনি গীত গাই এটা সময়ত তায়ো ভায়েকৰ লগতে শুই পৰিছে। নিজেই সৰু হ'লেও মাক অবিহনে এতিয়া তায়েই যে সৰুকেইটাক চম্ভালিব লাগিব এই কথা তাই মৰ্মে মৰ্মে উপলব্ধি কৰিছে।

কলিকতাত দেউতাকে পঢ়িবৰ কাৰণে তাইক থৈ অহাৰ সময়তো মেৰেঙে দেউতাকক সাবটি ধৰি হুৱাহুৰে কান্দিবলৈ আৰম্ভ কৰিছে। মৰমৰ নিজৰ ঘৰখন, নিজৰ ঠাইখন আৰু এধানমান তাইৰ সৰু ভায়েকটোলৈ তাইৰ বৰকৈ মনত পৰিবলৈ ধৰিছে। কিন্তু সময়ৰ লগে লগে কলিকতাৰ হোষ্টেলৰ পৰিৱেশৰ লগত মেৰেঙে নিজকে খাপ খুৱাই ল'বলৈ সক্ষম হৈছে। আজিৰ পৰা প্ৰায় ১০০ বছৰ আগতে কলিকতাত পঢ়িবলৈ যোৱা মেৰেঙে নাৰী স্বতন্ত্ৰতাৰ দিশটো প্ৰতিভাত কৰিছে। **পুৰুষৰ লগে লগে খোজ দি নাৰীয়েও যে সমাজ, সাহিত্য, ৰাজনীতি, অৰ্থনীতি আদি দিশত সমানে অংশ ল'বলৈ সমৰ্থ হ'ব পাৰে সেয়া ঔপন্যাসিকে মেৰেঙৰ চৰিত্ৰৰ জৰিয়তে প্ৰকাশ কৰিছে।**

যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যত ৰেখাপাত কৰিলে দেখা যায় যে কৰ্তব্যৰ ক্ষেত্ৰত এই সময়ছোৱাত আধুনিকতাই নাৰী জীৱনলৈ নানান পৰিৱৰ্তন কঢ়িয়াই আনিলেও নাৰীসকল পুৰুষৰ সমানে সমানে কিমান দূৰলৈকে আগবাঢ়িব পাৰিছে সেয়া আজিও অস্পষ্ট। মেৰেঙে কলিকতাৰ হোষ্টেলত থকাৰ সময়ত বহুতো বান্ধৱী লগ পাইছে। ইয়াৰে কেইগৰাকীমানৰ জীৱন পৰিক্ৰমাৰ নানান যাতনাই তাইক বিমোৰত পেলাইছে।

তেৰ-চৈধ্য বছৰতে বিধৱাৰ জীৱন কটোৱা **'সুলেখা বন্দোপাধ্যায়'** নামৰ সহপাঠীগৰাকীৰ দুখ-যন্ত্ৰণাই মেৰেঙক ব্যতিব্যস্ত কৰি তুলিছে। বাল্যবিবাহত আবদ্ধ হোৱা সুলেখাই বিয়া কি বস্তু বুজি নৌপাওঁতেই বিধৱাৰ সাজ পৰিধান কৰিবলগীয়া হৈছিল। তাইৰ আ-অলংকাৰ খুলি পেলোৱা

হৈছিল। গাৰ কাপোৰৰ ৰং সলনি হৈছিল। আনকি তাইৰ চুলি খুৰাই গংগাত ভহাই থৈ অহালৈকে আলোচনা-বিলোচনা হৈছিল। কিন্তু সুলেখাৰ দেউতাক আৰু খুৰাকে তাইক ৰক্ষা কৰিলে। দুটা বছৰ শিক্ষাৰ পৰা বঞ্চিত হোৱাৰ পিছত দেউতাকে সুলেখাক তাইৰ স্কুলৰ হোষ্টেললৈ পঠিয়াই দিলে। কিন্তু মাকে উপদেশ দিয়াৰ দৰে তাই সদায় পালন কৰি আহিছে স্বামীৰ মৃত্যুতিথি। সেইদিনা তাই উপবাসে থাকে আৰু খেলা-ধূলাতো অংশগ্ৰহণ নকৰে। সন্ধিয়া হ'লে তাই ফল খাই ব্ৰত ভাঙে। দুৰ্গাদেৱীৰ দৰে চকুৰ অধিকাৰী কমনীয় সুলেখাৰ এই যন্ত্ৰণাই মেৰেঙক বৰকৈ বিন্ধিছিল—

> "মেৰেঙৰ বুকুখন অজান শোকে খুন্দা মাৰি ধৰিলে। সুলেখাৰ ধুনীয়া অবোধ মুখখন আৰু বৈধব্য যাতনা এই দুয়োটা একেলগে যেন মানি ল'ব নোৱাৰি। মেৰেঙে ইতিমধ্যে বুজি উঠিছে, শিক্ষাই পুৰুষ আৰু নাৰীক সম অধিকাৰ দিয়া নাই। শিক্ষাতকৈ সমাজ কঠিন। সমাজে শিক্ষিত ব্যক্তিকো ইচ্ছা কৰিলে অশিক্ষিত কৰিব পাৰে, জ্ঞানীকো মূৰ্খ সজাব পাৰে। সমাজৰ এই কঠিন অৱস্থাক নমনীয় কৰিব পাৰিলেহে তিৰোতা মানুহে মানুহৰ মৰ্যাদা পাব, গুণীয়ে পাব গুণৰ সমাদৰ।"[২১]

স্কুলৰ শিক্ষা সমাপ্ত হোৱাৰ পিছত পিতৃৰ ইচ্ছামতেই কলিকতাৰ স্কটিচ চাৰ্চ কলেজত মেৰেঙক নাম লগাই দিয়া হ'ল। যদিওবা সেইখন ল'ৰাৰহে কলেজ তথাপি সময়ৰ পৰিৱৰ্তনৰ লগে লগে আৰু বিশিষ্টজনৰ পৰামৰ্শমৰ্মে এই কলেজখনত লাহে লাহে ছোৱালীকো পঢ়াৰ সুবিধা প্ৰদান কৰা হ'ল। মেৰেঙো ইয়াৰ মাজৰে এজনী ছাত্ৰী হৈ পৰিল। লাহে লাহে যৌৱনপ্ৰাপ্ত মেৰেঙেও নিজৰ জীৱন সংগীৰ বিষয়ে এটা স্পষ্ট ধাৰণা মনত গঢ়ি তুলিলে। তাই ভাবিলে যে জীৱনৰ পৰীক্ষাগাৰত তাই এনে এজন জীৱন সংগী বিচাৰিব লাগিব, যাৰ সৈতে তাই মনোদৈহিকভাৱে একাকাৰ হ'ব পাৰিব। ইয়াৰ উপৰি হিন্দু বিবাহৰ ধৰ্ম মতে ছোৱালী কুৰিতে বুঢ়ী। লগতে ভাৰতবৰ্ষৰ এখন স্বনামধন্য কলেজৰপৰা তাই স্নাতকোত্তৰ হ'বলৈ গৈ আছে। গতিকে তাইৰ মনৰ সৈতে সাদৃশ্য থকা শিক্ষিত ল'ৰা পাবনে নাই সেয়াও তাইৰ সন্দেহৰ আৱৰ্তত। কিন্তু সেয়ে হ'লেও **বিবাহৰ বিষয়ে বা নিজৰ হ'বলগা স্বামীৰ বিষয়ে এগৰাকী নাৰীৰ যি উৎসুকতা থাকে সেইখিনিৰপৰা মেৰেং দূৰ নহ'ল। তাইৰ দুচকুতো ভাবী স্বামীৰ এখন মুখ জিলিকি উঠিল।**

**কিন্তু স্কটিচ চাৰ্চ কলেজত লগ পোৱা 'বেলা'ৰ জীৱনৰ কৰুণ ঘটনাই, স্বামী থাকিও পৰিত্যক্তা**

**বেলাৰ জীৱন সংগ্ৰামে মেৰেঙক পুনৰ দোমোজাত পেলাইছে।** এবাৰৰ কাৰণে মেৰেঙে ভাবি পেলাইছে যে তাই বিয়া নকৰায়। সমাজৰ মংগলৰ বাবে নিজকে উৎসৰ্গা কৰিব। তাই মনতে ভাবি লৈছে যে বিবাহে এজনী ছোৱালীক দৈহিকভাৱে পৰিৱৰ্তন কৰাৰ লগতে মানসিকভাৱে কাৰাগাৰত বন্দী কৰে।

শিক্ষা সমাপ্তিৰ পিছত ঘৰলৈ ঘূৰি আহোঁতে ইতিমধ্যেই দেউতাক সোণাধৰ সেনাপতিয়ে মেৰেঙৰ কাৰণে উচ্চশিক্ষিত আৰু সংস্কাৰী মহীচন্দ্ৰ মিৰিক ঠিক কৰি পেলাইছিল। দেউতাকৰ কোনো সিদ্ধান্তৰে মেৰেঙে কেতিয়াও বিৰোধিতা কৰা নাই। এই সিদ্ধান্তকো বিৰোধিতা নকৰি তাই বিবাহপাশত আবদ্ধ হ'ল।

**গিৰিয়েকৰ প্ৰতি শ্ৰদ্ধা-মৰম-ভক্তি, আনকি শহুৰেক-শাহুৰেকৰ চৰণ স্পৰ্শ কৰা কাৰ্যই নাৰী হিচাপে মেৰেঙৰ সুব্যক্তিত্বৰে পৰিচয় দিয়ে। ইমানখিনি শিক্ষা-দীক্ষা লোৱাৰ পিছতো স্বামী মহীচন্দ্ৰ মিৰিৰ কৰ্মস্থলে কৰ্মস্থলে সাধাৰণ নাৰীৰ দৰে ঘূৰি ফুৰি পতিৰ প্ৰতি থকা দায়িত্ব সুচাৰুৰূপে পালন কৰাত মেৰেং সক্ষম হৈছে।**

নিজৰ স্বামীয়ে কোনোধৰণৰ নিচাযুক্ত দ্ৰব্য সেৱন কৰাটো কোনো নাৰীয়েই সহ্য কৰিব নোৱাৰে। মহীচন্দ্ৰই 'চেলেউ' হোঁপা কাৰ্যটো মেৰেঙে বৰ এটা সহ্য কৰিব পৰা নাছিল যদিও মুখ ফুটাই ইয়াৰ প্ৰতিবাদো কৰিব পৰা নাছিল। সেয়েহে এদিন মহীচন্দ্ৰই অফিচলৈ যাওঁতে পাইপটো নিবলৈ পাহৰাত ছেগ বুজি তাই চিৰশত্ৰু পাইপটো বাহিৰলৈ গৈ বহু দূৰলৈ দলিয়াই দিলে। পিছত অৱশ্যে মহীচন্দ্ৰৰ আগত কথাটো স্বীকাৰ কৰিহে তাই শান্তি পালে।

পৰৱৰ্তী সময়ত মেৰেং পোনপ্ৰথমবাৰৰ বাবে মা হ'বলৈ ওলাওঁতে তাইৰ সৰ্বশৰীৰত এক মধুৰ শিহৰণৰ সৃষ্টি হ'ল। কিন্তু মৃত শিশুটিয়ে মেৰেঙক এডাল বাঁহ গছৰ দৰে হাওলাই পেলাইছে। কিন্তু লাহে লাহে তাই সাহস গোটাইছে।

> "মানসিকভাৱে সুস্থ হ'বলৈ মেৰেঙে নিজেই যত্ন কৰিলে। তাইৰ এটা অভ্যাস হৈ গৈছিল, গা ধোওঁতে, কাপোৰ পিন্ধোতে নিজৰ পেটটো চুই আছিল, তাৰ পিছত দুধাৰ চকুলো তাইৰ পেটৰ ফালে বৈ আহিছিল। সেই পোহৰখিনিৰ আশ্ৰয়স্থল আছিল তাইৰ পেটটো, নমাহ তাইৰ সেই ঠাইখিনিতে পোহৰখিনি বাঢ়িছিল, লৰা-চৰা কৰিছিল। তাই নিজৰ পেট স্পৰ্শ কৰিবলৈ এৰি দিলে।

পৃথিৱীত কোনো কাৰোবাৰ বাবে ৰৈ নাযায়।"[২২]

**এগৰাকী নাৰীৰ পক্ষে নিজৰ সন্তানক অকালতে হেৰুওৱাৰ দুখ সহ্যাতীত। তথাপি নিজৰ মমতাক একাষৰীয়াকৈ থৈ তাই পুনৰ সংসাৰ যাত্ৰাত মনোনিৱেশ কৰিবলৈ ধৰিলে আৰু এটা এটাকৈ তিনিটা সন্তানৰ মাতৃ হোৱাৰ গৌৰৱ অৰ্জন কৰিলে।**

**কিন্তু দুৰ্ভাগ্যজনকভাৱে তৃতীয় সন্তানটো গৰ্ভত থাকোঁতেই মহীচন্দ্ৰই এদিন এই পৃথিৱীৰ পৰা মেলানি মাগিছে। মেৰেঙে কি কৰিব কি নকৰিব একো বুজি নাপালে। চকুপানীও নোলাল তাইৰ চকুৰপৰা। মেৰেং যেন ধৈৰ্যশীল নাৰীৰ এক জীৱন্ত প্ৰতিমূৰ্তি।** তলতীয়া কৰ্মচাৰী হৰমোহনে মহীচন্দ্ৰৰ ভৰি দুখন সাবটি কান্দি থাকোঁতেও তাই চমৰুদ্দিনক কৈছে—

"ডাক্তৰ চাহাবক লৈ আনগৈ যা। কন্দা-কটাখন কৰি নাথাকিবি। এখেতে বেয়া পাব। এতিয়া কামবোৰ ভালকৈ কৰিব লাগিব। এখেতে কৰবী ফুল বৰ ভাল পায়, যাচোন দুপাহমান কৰবী ফুল আনগৈ।"[২৩]

**যিগৰাকী নাৰীৰ স্বামীয়ে চিৰদিনৰ কাৰণে তেওঁক অকলশৰীয়া কৰি এৰি থৈ গ'ল, তেনে এক শোকাকুল মুহূৰ্ততো মেৰেঙৰ এনে এক ধৈৰ্যশীল ৰূপ সঁচাই মানিবলগীয়া। এই ধৈৰ্য আৰু সহনশীলতাই ভৱিষ্যৎ সময়ত মেৰেঙক এখন উচ্চ আসনৰ অংশীদাৰ হ'বলৈ সক্ষম কৰি তুলিছে।**

মহীচন্দ্ৰৰ মৃত্যুৰ পিছত দুটি অবোধ বালক- কলিতা আৰু গৰ্ভত ছমহীয়া সন্তানটি লৈ পিতৃগৃহলৈ ঘূৰি অহাৰ পিছত মেৰেঙৰ জীৱনৰ আন এক অধ্যায়ৰ আৰম্ভণি ঘটিল। দেউতাকৰ বুজনিত তাই স্বাভাৱিক হ'বলৈ চেষ্টা কৰে। পিতৃৰ যাদুকৰী স্পৰ্শ আৰু অগাধ আস্থাই তাইক স্বাভাৱিক হোৱাত সহায় কৰিলে যদিও মহীচন্দ্ৰই তাইক অহৰহ খেদি ফুৰিবলৈ ধৰিলে। তাই মহীচন্দ্ৰৰ লগত সাতটা বছৰ পাৰ কৰিছে। সেয়েহে তাই কেতিয়াবা মাজনিশা সাৰ পাই মহীৰ জীপ গাড়ীৰ শব্দ শুনে। আকৌ কেতিয়াবা শুনে এযোৰ গামবুট পিন্ধা ভৰিৰ গধুৰ শব্দ। এয়া নিতান্তই স্বাভাৱিক কথা।

**মেৰেং মানসিকভাৱে অত্যন্ত সবল আৰু সুস্থিৰ নাৰী। সেয়েহে গৰ্ভস্থ সন্তানটোৰ জন্মৰ তিনি মাহৰ পিছত বৈধব্যৰ পৰ্বতসম দুখ-যন্ত্ৰণা-কষ্টৰ বোজা বহন কৰি নাথাকি পুনৰ এক নতুন জীৱনৰ আকাংক্ষাৰে মেৰেঙে ছিলঙৰ স্কুল এখনত এটি শিক্ষকৰ পদত কৰ্মজীৱন আৰম্ভ কৰিলে।**

মেৰেং এগৰাকী দায়িত্বশীল মাতৃ আৰু কৰ্তব্যপৰায়ণ নাৰীলৈ ৰূপান্তৰ হ'ল—

> "মেৰেং ইন্দিৰা বাইদেউ হ'ল ছাত্র-ছাত্রীৰ বাবে। প্রায় পুৱতিনিশাতে মেৰেং শোৱাপাটীৰপৰা উঠে। ঘৰ-দুৱাৰ সৰা-মোচা কৰি কেঁচুৱাকেইটাৰ কাপোৰ ধোৱে। ভাত ৰান্ধি খাই সময়মতে স্কুললৈ ওলাই যায়। কেঁচুৱা চোৱা-চিতা কৰিবলৈ খাচীয়া কং এগৰাকী ৰাখিছে, পুৱাই যতনাই থৈ যোৱা গাখীৰ, জা-জলপান কং গৰাকীয়ে খুৱায়, ঘৰ-বাৰী চোৱা-চিতা কৰা মানুহটোৱেও ল'ৰা-ছোৱালীকেইটা চায়। নির্লিপ্তভাৱে মেৰেঙে এই জীৱন গ্রহণ কৰিছে। এতিয়া সমুখত এটা লক্ষ্য, ল'ৰা-ছোৱালীকেইটাক কোনো অভাৱত নপৰাকৈ মানুহ কৰিব লাগে। দেউতাকৰ বয়স হৈ আহিছে, কোনো কাৰো বাবে সর্বকালৰ লগৰীয়া নহয়। মহীৰ মৃত্যুৱে মেৰেঙক বহু সত্যৰ সন্ধান দিলে।"[২৪]

ছিলঙত কাম কৰি থকাৰ সময়তে গুৱাহাটীৰ পাণবজাৰস্থিত বিদ্যালয়খনিত, য'ত পূর্বতে মেৰেঙে চাকৰি কৰিছিল, তাত শিক্ষকতা কৰিবলৈ আমন্ত্রণ পোৱাত পুনৰ গুৱাহাটীলৈ গুচি আহিল। ইয়াৰ পিছত ছিলঙৰ অসমীয়া ছোৱালী হাইস্কুলত প্রধান শিক্ষয়িত্রীৰ খালী পদ ওলোৱাত পুনৰ পিতৃৰ ইচ্ছা অনুসৰি ইয়াত যোগদান কৰে। সমান্তৰালভাৱে ছেইণ্ট মেৰীজ কলেজত বি. টি. ক্লাছত নাম লগাই প্রথম শ্রেণীত সুখ্যাতিৰে উত্তীর্ণ হয়। সৰু সৰু ল'ৰা-ছোৱালীকেইটাৰ মাতৃৰ ভূমিকা পালন কৰি নিজৰ কেৰিয়াৰ গঢ়াৰ কামটোতো মেৰেঙে একাণপতীয়াকৈ লগাৰ কাৰণেই হয়তো পৰৱৰ্তী সময়ত তেওঁ সফলতাৰ উচ্চ শিখৰ বগাবলৈ সক্ষম হৈছিল। তাৰ মাজতো তাইৰ মমতাময়ী মাতৃ হৃদয়ে হাহাকাৰ কৰি উঠিছে—

> "মাজে মাজে মেৰেঙৰ মাতৃ হৃদয়ে বিদ্রোহ কৰি উঠে, এক অপৰাধবোধ জাগি উঠে ল'ৰা-ছোৱালীকেইটাৰ ওচৰত। তথাপি উপায় নাই, তাইৰ হাত-ভৰি কর্তব্যৰ শিকলিৰে বন্ধা।"[২৫]

প্রকৃততে মহীচন্দ্র নোহোৱা হোৱাৰপৰা মেৰেঙে ল'ৰা-ছোৱালীকেইটাৰ মুখলৈ চায়ে মনত কষ্ট লৈ হ'লেও ভৱিষ্যতে যাতে কণমানিকেইটাই কোনোধৰণৰ অভাৱৰ সন্মুখীন হ'ব লগা নহয়, তাৰ বাবে অহর্নিশে চিন্তা কৰিছে।

**'মেৰেং' উপন্যাসখনিতে ঔপন্যাসিকে মেৰেঙৰ চৰিত্রৰ জৰিয়তে নাৰীচেতনাৰ দুটা দিশ প্রধানকৈ প্রতিফলিত কৰিছে, এটা হৈছে স্বামীৰ প্রতি থকা একান্ত ভক্তি, শ্রদ্ধা আৰু**

**মৰম; আনটো হৈছে সন্তানৰ প্ৰতি থকা মাতৃৰ সহজাত মমতা তথা কৰ্তব্য আৰু দায়িত্বপৰায়ণতা।**

মহীচন্দ্ৰৰ অকাল মৃত্যুৰ কেইবাবছৰৰ পিছত দেউতাকে মেৰেঙক পুনৰ বিবাহৰ কথা কৈছিল যদিও স্বামীৰ প্ৰতি থকা একান্ত ভালপোৱাৰ বাবেই তাই এইয়া কৰিবলৈ মান্তি নহ'ল। ঘৰৰপৰা দূৰৈত থাকোঁতেও কোনো কোনো দুৰ্বল মুহূৰ্তত তাই মহীচন্দ্ৰৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিছে। লগতে নিজৰ সন্তানকেইটিৰ প্ৰতি থকা মৰম-ভালপোৱাও উপন্যাসখনিৰ মাজে মাজে বৰ্ণিত হৈছে।

**মেৰেঙক ইয়াত প্ৰতিবাদী চৰিত্ৰৰ ৰূপত অৱতীৰ্ণ কৰা হোৱা নাই। ইয়াত মেৰেং হৈছে এগৰাকী ব্যক্তিত্বসম্পন্ন নাৰী। একান্ত নিষ্ঠা, সাহস আৰু শক্তিশালী মনৰ গৰাকী হোৱাৰ বাবেই সাধাৰণ নাৰী এগৰাকীয়ে অকাল বৈধব্যৰ সাজ পিন্ধিলে যিদৰে দুখত ভাগি পৰি দিক্-বিদিক হেৰুৱায়, মেৰেং তেনে হোৱা পৰিলক্ষিত নহ'ল। তাই কণমানিকেইটাৰ মা-দেউতা দুয়োজন হৈ সিহঁতক লালন-পালন কৰিছে।** ইয়াৰ উপৰি নেফাত জইন কৰাৰ পিছত অত্যন্ত সাহসিকতাৰে কাম কৰি দুৰ্গম এলেকাত মানুহৰ মাজত শিক্ষাৰ পোহৰ পেলাবলৈ সক্ষম হোৱাৰপৰা নাৰী হ'লেও দৈহিক-মানসিক কোনো দিশতেই যে তাই পুৰুষতকৈ কম নহয়— এই কথা প্ৰতিপন্ন কৰিছে। ঔপন্যাসিকে মেৰেঙক এক উচ্চ ব্যক্তিত্বশালী নাৰীৰ ৰূপত উপন্যাসখনিত চিত্ৰিত কৰিছে।

**'সুলেখা'ৰ চৰিত্ৰৰ জৰিয়তে প্ৰকাশিত নাৰীচেতনা ঃ**

**মেৰেঙে কলিকতাত হোষ্টেলত থাকি পঢ়োঁতে লগ পোৱা এজনী ছোৱালী হ'ল 'সুলেখা বন্দোপাধ্যায়'। ৰক্ষণশীল বঙালী সমাজৰ অংশীদাৰ এই সুলেখা ফুলবাঁৰী।**

ঔপন্যাসিকে সুলেখাৰ মুখেদিয়ে তাইৰ জীৱনৰ দুৰ্যোগপূৰ্ণ সময়ৰ কথা বৰ্ণনা কৰিছে। তাই নিজৰ স্বামীক ভালকৈ দেখাই নাপালে। স্বামীয়ে বাল্যবিবাহ কৰাই তাইক মাকৰ ঘৰতে থৈ গ'ল। অবোধ শৈশৱপ্ৰাপ্ত সুলেখাই বিয়াত ইমান গহনা আৰু শাৰী কাপোৰ পিন্ধি আনন্দত অধীৰ হৈছিল। এগৰাকী বিবাহিতা নাৰীৰ মৰ্যাদা অক্ষুণ্ণ ৰাখি তাই ঘৰতে ৰঙীন শাৰী, ব্লাউজ, পেটিকোট, শাখাপলা পিন্ধিছিল, ভৰিত সদায় আলতা লগাইছিল, কিন্তু বিয়াৰ দুবছৰ পিছত তাইৰ জীৱনলৈ চৰম দুৰ্ভাগ্য নামি আহিল। স্বামীৰ আকস্মিক মৃত্যুৱে তাইৰ জীৱনৰ সকলো সুখ কাঢ়ি লৈ গ'ল।

আনকি তাইৰ চুলি খুৰাই দিয়াৰ কথাও চলিল। কিন্তু দেউতাক আৰু খুৰাকৰ তৎপৰতাত সুলেখা ৰক্ষা পৰিল। দেউতাকেই তাইক সমাজ আৰু আত্মীয়-স্বজনৰ পৰা দূৰ কৰি এই হোষ্টেলত থৈ এক নতুন জীৱন দান কৰি থৈ গ'ল।

কিন্তু সেয়ে হ'লেও হিন্দু নাৰী হিচাপে তাই এটা কথা পৰিত্যাগ কৰিব পৰা নাই। হোষ্টেললৈ আহোঁতে তাইক মাকে কৈ পঠিওৱাৰ দৰেই গিৰিয়েকৰ মৃত্যু তিথিটো মনত ৰাখি সেইদিনা খেলা-ধূলা নকৰি দিনটো উপবাসে থাকিবলৈ পৰামৰ্শ দিছিল। মাকৰ কথা শুনিয়েই হওক বা স্বামীৰ প্ৰতি থকা তেওঁৰ শ্ৰদ্ধাৰ বাবেই  হওক এগৰাকী নাৰী হিচাপে তাই তাইৰ কৰ্তব্য পালন কৰিছে। পৰৱৰ্তী সময়ত মেৰেঙে সুলেখাৰ জৰিয়তে অতীতৰ ৰক্ষণশীল বঙালী নাৰীৰ পৰা আধুনিক নাৰীৰ জীৱন সম্পৰ্কীয় ধ্যান-ধাৰণাৰ বিষয়ে জানিবলৈ সক্ষম হৈছে। ৰবীন্দ্ৰনাথৰ বিভিন্ন ধৰণৰ পুথিৰ অধ্যয়নৰ পৰা সুলেখাই লাভ কৰা জ্ঞানৰাজিকো মেৰেঙে জানিব পাৰিছে।

**ইমান সৰুতে বিধৱা হোৱা সত্ত্বেও সুলেখাৰ মনোবল, সাহস আৰু অধ্যয়নলিপ্সাই পাঠকৰ মনত ৰেখাপাত কৰে। ইয়াৰ উপৰি ভালকৈ দেখাই নোপোৱা স্বামীৰ মৃত্যুতিথি পালন কৰি উপবাসে থকাটোও তেওঁৰ নাৰীচেতনাৰ উল্লেখনীয় দিশ।**

**'বেলা'ৰ চৰিত্ৰৰ জৰিয়তে প্ৰকাশিত নাৰীচেতনা ঃ**

**স্কটিচ চাৰ্চ কলেজত মেৰেঙে লগ পোৱা এগৰাকী সহপাঠী হ'ল 'বেলা বিশ্বাস'। বেলা বিবাহিতা হৈও অবিবাহিতা, বেলাই স্বামগৃহ ত্যাগ কৰিছে।** বেলাই কি কাৰণত স্বামীগৃহ ত্যাগ কৰিছে এই লৈ মেৰেঙে প্ৰশ্ন কৰাত বেলাৰ মুখেদিয়েই তাই পৰিস্থিতিৰ কথা ব্যক্ত কৰিছে। বেলাই স্ব-ইচ্ছাই স্বামীগৃহ ত্যাগ কৰিছে, কাৰণ তাই শহুৰৰ ঘৰৰ সম্পত্তি হৈ থাকিব বিচৰা নাছিল। তাই আই. এ. পাছ ছোৱালী। তথাপি স্বামীৰ ঘৰত তাইৰ শিক্ষাৰ কোনো মূল্য নাই।

> —"আই এ পাছ ছোৱালী এজনীয়ে স্বামীৰ বন্ধু-বান্ধৱৰ সৈতে সুন্দৰ ইংৰাজীত কথা পাতিব পাৰিব, অভিজাত মহলৰ মানুহৰ সৈতে উঠা-বহা কৰাত অসুবিধা নহ'ব বুলিহে হেনো মোক বিয়া কৰাইছিল। বিখ্যাত বসু পৰিয়ালৰ বোৱাৰীয়ে পৰিয়ালটোৰ মান-সন্মান, আভিজাত্যৰ কথাহে চিন্তা কৰিব লাগে, কলেজলৈ গৈ ল'ৰাৰ সৈতে পঢ়া, আন পুৰুষৰ সৈতে চাকৰি কৰা

এই কথাবোৰ হেনো অতি অশোভনীয় কথা। শাহুৰ এই চিন্তাধাৰাৰ ঘোৰ সমৰ্থক হ'ল শহুৰ আৰু মোৰ স্বামীও।"[২৬]

ইয়াৰ উপৰি বেলাই খুব ভাল শাস্ত্ৰীয় সংগীত গাইছিল। বেলাই ভাবিছিল তাইৰ সংগীত চৰ্চাৰ কথাত গিৰিয়েকে অলপ হ'লেও আগ্ৰহ প্ৰকাশ কৰিব। কিন্তু বাস্তৱক্ষেত্ৰত তাইক গিৰিয়েকে ভৎৰ্সনা কৰাহে দেখা গ'ল। গিৰিয়েকৰ কথাত তাইৰ ভৰিৰ পৰা মূৰলৈ তেজ উজাই আহিছে। এটা মুহূৰ্ততে গিৰিয়েকৰ প্ৰতি থকা ভাব, ভালপোৱা সকলোখিনিয়ে নোহোৱা হৈ গৈছে।

**ৰক্ষণশীল বঙালী সমাজৰ তিৰোতাৰ দৰে বেলাই একপ্ৰকাৰৰ বন্দী জীৱন কটাব নোৱাৰে। স্বামীঘৰে বিচৰামতেই সোণৰ গহনা আৰু মূৰত ওৰণি লৈ, কঁকাল আৰু শাৰীৰ আঁচলত বাকচ-আলমাৰীৰ চাবি বান্ধি, শিৰত এজেবা সেন্দূৰ, গা ভৰ্তি সোণৰ গহনা পিন্ধি তাই তিনি মাহ শহুৰেকৰ ঘৰত কটালে।** তথাপি তাই বোৱাৰী হিচাপে মৰ্যাদা লাভ নকৰিলে।

ইয়াৰ উপৰি শহুৰেকৰ লাইব্ৰেৰীত এদিন সোমাই শাহুৱেকৰ পৰা অপমানসূচক মন্তব্য পাই তাই বুজিব পাৰিছিল যে তাই তাইৰ পঢ়াৰ হাবিয়াস আখলৰ জুইত পুৰি পেলাব লাগিব।

বেলা সগৰ্ভা হোৱাৰ সময়তো মনত আনন্দ নাছিল। কাৰণ তাই মনৰ পৰা যিমান জোৰ কৰিলেও তাইৰ গিৰিয়েক আদিত্য নাথ তাইৰ কল্পনাৰ প্ৰেমিকজন হ'বগৈ নোৱাৰিলে। দুৰ্ভাগ্যবশতঃ গৰ্ভস্থ সন্তানটিৰ চাৰি মাহতে গৰ্ভপাত হোৱাত তাই পিতৃগৃহলৈ ঘূৰি আহিল আৰু তাই সিদ্ধান্ত ল'লে পুনৰ স্বামীগৃহলৈ ঘূৰি নোযোৱাৰ—

"আচলতে কি জানা ইন্দিৰা, মই শহুৰৰ ঘৰত মানুহৰ সন্মান পোৱা নাছিলোঁ। আমাৰ গৃহ-ভৃত্যৰ অধিকাৰ আৰু মোৰ স্থানৰ মাজত বিশেষ পাৰ্থক্য নাছিল। মই আচলতে সংসাৰ ধৰ্মৰ বাবে উপযুক্ত নাছিলোঁ। গৃহিণীৰ থাকিব লগা গুণবোৰ মোৰ নাছিল, মই ভাবিছিলোঁ, মোৰ মনৰ মাজত সৰ্বদা উক দি থকা অশান্তিবোৰ আৰু মনৰ বিৰুদ্ধে কৰিব লগা কামবোৰে মোক শান্তিত নাৰাখে।"

**— স্বামী গৃহ, স্বামী তথা শাহু-শহুৰ সম্পৰ্কে প্ৰত্যেক নাৰীৰে মনত এটা স্বপ্ন থাকে। বেলাও ইয়াৰ ব্যতিক্ৰম নহয়। কিন্তু যেতিয়া তাইৰ জীৱনৰ প্ৰতিটো দিন কেৱল স্বামীৰ কোট, পেণ্ট, টাই, ৰুমাল আৰু জোতাৰ মাজতে সীমাবদ্ধ হৈ ৰ'ল, তেতিয়া তাই সেইখিনি মানি ল'ব নোৱাৰিলে।** পঢ়ি ভালপোৱা বেলাই যেতিয়া শাহুৱেকৰ পৰা পঢ়াৰ অপৰাধত তিক্ততাভৰা মন্তব্য

শুনিবলগীয়া হ'ল, তাই আৰু সহ্য কৰিব নোৱাৰিলে। তাই পিতৃগৃহৰ পৰা স্বামীগৃহলৈ প্ৰত্যাৱৰ্তন কৰিব নিবিচাৰিলে।

বেলাই পুনৰ পঢ়িবলৈ বিচৰাত দেউতাকে আনি ইন্দিৰাই পঢ়া কলেজতে তাইক নাম লগাই দিয়ে। স্বামী গৃহৰপৰা গুচি অহাৰ পিছত বেলা আত্মীয়-স্বজনৰ নানা অপমানজনক মন্তব্যৰ সন্মুখীন হ'বলগীয়া হৈছিল। মাক-দেউতাকৰ চকুলো দেখি বেলাও হতাশ হৈছিল। কিন্তু সেয়ে হ'লেও তাই ভাগি নপৰি পিতৃক অনুৰোধ কৰি আধৰুৱা শিক্ষা পূৰণ কৰিবলৈ আহিছে। ইয়াতেই বেলাৰ চৰিত্ৰত নাৰীচেতনাৰ সুন্দৰ প্ৰকাশ ঘটিছে। **পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰী স্বামীগৃহৰ ভৃত্য নহয় বা স্বামীগৃহৰ প্ৰত্যেককে সন্তুষ্ট ৰখাতেই নাৰীগৰাকীৰ জীৱন শেষ নহয়, এই কথা বেলাৰ চৰিত্ৰৰ জৰিয়তে ঔপন্যাসিকে প্ৰতিপন্ন কৰিছে।**

এনেদৰেই 'মেৰেং' উপন্যাসখনত ঔপন্যাসিক অনুৰাধা শৰ্মা পূজাৰীয়ে প্ৰধানকৈ ইন্দিৰা মিৰিৰ চৰিত্ৰৰ বিষয়ে আলোচনা কৰিছে যদিও কলিকতাত পঢ়িবলৈ যাওঁতে তাই লগ পোৱা বঙালী সমাজৰ লগৰীয়াবোৰৰ পৰা তেওঁলোকৰ সমাজত নাৰীৰ স্থান সম্পৰ্কে পাঠকক জনাত সহায় কৰিছে।

লগতে মহীচন্দ্ৰ মিৰিৰ গাঁও ঢকুৱাখনাৰ ম'হখোৱা গাঁৱৰ মিচিং জনজাতীয় সমাজত নাৰী-স্বতন্ত্ৰতা সম্পৰ্কেও উপন্যাসখনিত বিবৃত হৈছে। অকালতে বিধৱাৰ সাজ পিন্ধা সত্ত্বেও জীৱনযুদ্ধত হাৰ নামানি **'মেৰেং'** অৰ্থাৎ **'ইন্দিৰা মিৰি'** এগৰাকী প্ৰতিষ্ঠিত আৰু সফল নাৰী হিচাপে পৰিগণিত হৈছে। উপন্যাসখনিত মেৰেঙৰ চৰিত্ৰত প্ৰতিবাদৰ অৱকাশ নাই। কেৱল **'বেলা বিশ্বাস'**ৰ জৰিয়তেহে ইয়াত ঔপন্যাসিকে প্ৰতিবাদৰ এক ক্ষীণ সুৰ ধ্বনিত কৰিছে।

অনুৰাধা শৰ্মা পূজাৰীৰ 'চাহেবপুৰাৰ বৰষুণ', 'নাহৰৰ নিৰিবিলি ছাঁ' আৰু 'মেৰেং'— এই তিনিওখন উপন্যাসতে নাৰীচেতনাৰ বিভিন্ন দিশৰ প্ৰতিফলন ঘটিছে। 'চাহেবপুৰাৰ বৰষুণ'ৰ 'বৰ্ষা' এক ব্যতিক্ৰমী নাৰী চৰিত্ৰ, যিয়ে নিজৰ হ'ব লগা বিয়াখন ভাঙি সমাজৰ হকে কাম কৰিবলৈ গৈছে।

**'নাহৰৰ নিৰিবিলি ছাঁ'**ত ইউনিভাৰ্ছিটিত পঢ়িবলৈ যোৱা ভাস্বতীয়ে পঢ়াৰ সময়ত লগৰীয়াৰ পৰা লাভ কৰা বিভিন্ন ঘটনা-পৰিঘটনাৰ সাক্ষী হৈ বিভিন্নজনক বিভিন্ন বিপদৰ পৰা ৰক্ষা কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছে।

'মেৰেং'— উপন্যাসখনত স্বাধীনতাৰ পূৰ্বতেই এটা নিম্নকুলত জন্ম হৈও দেশ-বিদেশৰ বিভিন্ন প্ৰতিষ্ঠানত শিক্ষা লাভ কৰি আহি সমাজৰ হকে কাম কৰি জীৱন অতিবাহিত কৰা ইন্দিৰা মিৰিৰ জীৱন আৰু ব্যক্তিত্ব সম্পৰ্কে আলোচিত হৈছে। অকালতে স্বামীক হেৰুৱালেও কণমানিকেইটাৰ মুখলৈ চায়ে তাই ভাগি নপৰি জীৱন পথত অগ্ৰসৰ হৈছে।

আমাৰ নিৰ্বাচিত তিনিওখন উপন্যাসতে তিনিওটি কেন্দ্ৰীয় চৰিত্ৰই নানান ঘাত-প্ৰতিঘাতৰ মাজেৰে আগবাঢ়ি গৈছে। তেওঁলোকৰ চৰিত্ৰকেইটাত ঔপন্যাসিকে নাৰীচেতনাৰ বিভিন্ন দিশবোৰৰ ৰহণ সানিছে। এই নাৰীচেতনাৰ সুন্দৰ বোলেৰে ক্ৰমে বৰ্ষা, ভাস্বতী আৰু মেৰেং উজ্জ্বল ৰূপত প্ৰতিভাত হৈছে।

## প্ৰসংগটীকা

১। শৰ্মা, গোবিন্দ প্ৰসাদ ঃ Feminism in the post-war Assamese Novel, ড° শুকদেৱ অধিকাৰী (সম্পা.) নাৰীবাদ আৰু অসমীয়া উপন্যাস, জাগৰণ সাহিত্য প্ৰকাশন, নিভা এনক্লেভ, যশোৱন্ত ৰোড, পাণবজাৰ, গুৱাহাটী- ১, প্ৰথম প্ৰকাশ- ২০১৫, পৃ. নং ১৯-২০

২। শৰ্মা, পূজাৰী, অনুৰাধা ঃ এজন ঈশ্বৰৰ সন্ধানত, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী- ১, পৃ. নং- ২০

৩। ডেকা, ড্ৰিমী কুইন ঃ ড° মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰীবাদ, নাৰীবাদ আৰু অসমীয়া উপন্যাস, ড° শুকদেৱ অধিকাৰী (সম্পা.), সৰস্বতী ডি. এন. প্ৰকাশন, প্ৰথম প্ৰকাশ, ২০১৫, পৃ. নং- ৯০

৪। শৰ্মা, পূজাৰী, অনুৰাধা ঃ নাহৰৰ নিৰিবিলি ছাঁ, বনলতা, পাণবজাৰ, গুৱাহাটী- ১, সপ্তদশ প্ৰকাশ, জানুৱাৰী, ২০১৮ চন, পাতনি

৫। শৰ্মা, গোবিন্দ প্ৰসাদ ঃ Feminism in the post war Assamese Novel, ড° শুকদেৱ অধিকাৰী (সম্পা.) নাৰীবাদ আৰু অসমীয়া উপন্যাস, জাগৰণ সাহিত্য প্ৰকাশন, নিভা এনক্লেভ, যশোৱন্ত ৰোড, পাণবজাৰ, গুৱাহাটী- ১, প্ৰথম প্ৰকাশ ২০১৫, পৃ. নং- ২০

৬। গগৈ, মন্দিৰা ঃ অসমীয়া উপন্যাসৰ নাৰী চৰিত্ৰ, পূৰ্বাঞ্চল প্ৰকাশ; মুখ্য কাৰ্যালয়— ঘৰ নং- ২, সেউজী পথ, ব্ৰায়াৰ লেছ, গুৱাহাটী- ৬, প্ৰথম প্ৰকাশ, আগষ্ট, ২০০৭, পৃ. নং- ১১২

৭। শৰ্মা পূজাৰী অনুৰাধা ঃ চাহেবপুৰাৰ বৰষুণ, বনলতা, পাণবজাৰ, গুৱাহাটী- ১, দশম প্ৰকাশ, পৃ. নং- ১২

৮। উক্ত গ্ৰন্থ, পৃ. নং.- ২৪

৯। উক্ত গ্ৰন্থ, পৃ. নং- ৩৬

১০। উক্ত গ্ৰন্থ, পৃ. নং- ৫৮

১১। উক্ত গ্ৰন্থ, পৃষ্ঠা নং- ১১০

১২। উক্ত গ্ৰন্থ, পৃ. নং- ৯৮

১৩। শৰ্মা পূজাৰী, অনুৰাধা ঃ নাহৰৰ নিৰিবিলি ছাঁ, বনলতা, পাণবজাৰ, গুৱাহাটী- ১, সপ্তদশ প্ৰকাশ ঃ জানুৱাৰী, ২০১৮, পৃ. নং. -৬৬

১৪। উক্ত গ্ৰন্থ, পৃষ্ঠা নং- ৭০

১৫। উক্ত গ্ৰন্থ, পৃ. নং. ৮০

১৬। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ১০৯

১৭। উক্ত গ্ৰন্থ, পৃষ্ঠা নং- ১২৫

১৮। উক্ত গ্ৰন্থ, পৃষ্ঠা নং- ৪৪

১৯। উক্ত গ্ৰন্থ, পৃষ্ঠা নং- ১০৯

২০। উক্ত গ্ৰন্থ, পৃষ্ঠা নং ১৭৪, ১৭৫

২১। উৎস ঃ গুগল, https://www.change.org, তাং- ২০-০৬-২০১৯, সময় পুৱা ১০ বজা

২২। শৰ্মা, পূজাৰী অনুৰাধা ঃ মেৰেং, বনলতা, পাণবজাৰ, গুৱাহাটী- ১, দশম সংস্কৰণ ঃ আগষ্ট, ২০১৬, ১৯১০ৰ পৰা ২০১০অৰ অনুভৱ।